## ৪.০ চতুৰ্থ অধ্যায়

# ধাতুকেন্দ্ৰিক লোকশিল্প

৪.১ পৰিচয়

৪.২ কাঁহ-শিল্প

৪.৩ পিতল-শিল্প

৪.৪ লো-শিল্প

৪.৫ অয়-অলংকাৰ শিল্প

৪.৬ ধাতুকেন্দ্ৰিক লোকশিল্পত প্ৰতিফলিত ৰূপাঙ্গ

৪.৭ সামগ্ৰিক আলোচনা

# ৪.০ চতুৰ্থ অধ্যায়

# ধাতুকেন্দ্ৰিক লোকশিল্প

**৪.১ পৰিচয় ঃ**

প্ৰকৃতিৰ পৰা প্ৰত্যক্ষ ৰূপত আহৰণ কৰা সমলৰ সহায়ত আদিতে মানুহে দৈনন্দিন ব্যৱহাৰ্য সা-সঁজুলি, বাচন-বৰ্তন আদি শিল্পজাত সামগ্ৰীবোৰ নিৰ্মাণ কৰি লৈছিল। কিন্তু এই শিল্পবস্তুবোৰৰ স্থায়িত্ব অতি খন্তেকীয়া হোৱাৰ বাবে মানুহে সহজে জহি-খহি নোযোৱা, নভগা শিল্প নিৰ্মাণৰ চিন্তাত ব্ৰতী হ'ল। কাজেই অনুসন্ধিৎসু মনৰ মানুহে ভূ-গৰ্ভৰ পৰা নিষ্কাষণ কৰা ধাতুজাত সমলৰ সহায়ত শিল্পবস্তু নিৰ্মাণ কৰি সভ্যতাৰ পথত অনেক দূৰ আগবাঢ়ি আহিল।

পৃথিৱীৰ বিভিন্ন দেশৰ লগতে ভাৰত তথা অসমত কেতিয়াৰ পৰা ধাতুজাত সামগ্ৰীৰ প্ৰচলন হ'ল, সেয়া ঠাৱৰ কৰিব পৰা নাযায়। অসমৰ ক্ষেত্ৰত পুৰণি অসমৰ খিলঞ্জীয়া শিল্পীসকলেই ধাতৰ পদাৰ্থৰপৰা বিবিধ শিল্পবস্তু বা শিল্প কলা নিৰ্মাণ কৰিছিল।[১] ঐতিহাসিক কালৰ পৰাই অসমত লো, কাঁহ আৰু পিতলৰ বাচন-বৰ্তন বা আন সা-সঁজুলি তৈয়াৰ কৰা লোক আছে। আমাৰ দেশত পূৰ্বতে লোৰ সা-সঁজুলি কলিতা-কমাৰে তৈয়াৰ কৰিছিল।[২] লো-শিল্পৰ বাবে অসমৰ যোৰহাটৰ কৰঙা গাঁও প্ৰখ্যাত আছিল। এতিয়াও এই শিল্প তাত অক্ষুণ্ণ আছে। তদুপৰি অসমৰ প্ৰায়বোৰ জিলাত জীৱিকাৰ এক সাধন হিচাপে এই শিল্পৰ সৈতে বহু সংখ্যক লোক জড়িত হৈ আছে। কাঁহ-শিল্পৰ বাবে বৰপেটাৰ সৰ্থেবাৰী আৰু কামৰূপৰ হাজো ইতিহাস প্ৰসিদ্ধ। দুয়োখন ঠাইতে পুৰুষানুক্ৰমে আজি পৰ্যন্ত শিল্প নিৰ্মাণৰ পৰম্পৰা অব্যাহত আছে। শিল্পীসকলে ইয়াৰ জৰিয়তে অসমৰ ভিতৰে-বাহিৰে যশস্যা অৰ্জন কৰি আহিছে। পিতলৰ বাচন ঘাইকৈ অসমলৈ আহি ৰৈ যাব লগা হোৱা মুছলমান লোকসকলৰ হাতত সজাৰ ভাৰ পৰিল।[৩] সম্প্ৰতি বৰপেটাৰ সৰ্থেবাৰীতো পিতল শিল্পৰ সৈতে বহু সংখ্যক শিল্পী জড়িত হৈ আছে। সেইদৰে সোণ, ৰূপ, তাম আদি ধাতুৰে বিবিধ অলংকাৰ তথা শিল্প-সামগ্ৰী নিৰ্মাণ কৰাৰ পৰম্পৰা পুৰণি কালৰ পৰাই চলি আহিছে। অলংকাৰ-শিল্পৰ ক্ষেত্ৰত বৰপেটা জিলাৰ অলংকাৰ-শিল্পই বিশেষ স্বকীয়তা দাবী কৰিব পাৰে। এই সকলোবোৰ ধাতুজাত শিল্পই অসমৰ ভৌতিক সংস্কৃতিক সমৃদ্ধ কৰি ৰাখিছে।

এই অধ্যায়ত বৰপেটা জিলাত পৰম্পৰাগত ৰূপত নিৰ্মাণ হৈ অহা ধাতু কেন্দ্ৰিক লোকশিল্পসমূহৰ সামগ্ৰিক আলোচনা দাঙি ধৰা হৈছে। এই ক্ষেত্ৰত বৰপেটাৰ সৰ্থেবাৰীৰ কাঁহ-পিতল শিল্পৰ লগতে লো-শিল্প আৰু সোণ-ৰূপ-তাম আদি ধাতুৰে তৈয়াৰী অলংকাৰ-শিল্পসমূহৰ পৰিচয়, নিৰ্মাণ-পদ্ধতি, নিৰ্মাণৰ লগত জড়িত সঁজুলি আৰু নিৰ্মিত শিল্পবস্তু, অৰ্থনৈতিক আৰু স্বনিয়োজনৰ ক্ষেত্ৰত এই শিল্পবোৰৰ ভূমিকা আদি দিশসমূহক সামৰি বিশ্লেষণ আগবঢ়োৱা হৈছে। লগতে সাম্প্ৰতিক যুগৰ পৰিপ্ৰেক্ষিতত এই শিল্পবোৰৰ বৰ্তমান আৰু ভৱিষ্যতৰ স্থিতি সম্পৰ্কেও আলোকপাত কৰা হৈছে।

**৪.২ কাঁহ-শিল্প ঃ**

বৰপেটাৰ অন্যতম এবিধ লোকশিল্প হ'ল কাঁহ-শিল্প। যৌগিক ধাতুৰে নিৰ্মাণ হোৱা ঐতিহ্যপূৰ্ণ কাঁহ-শিল্পই লোক সমাজত অতীজৰ পৰাই বিশেষ স্থান লাভ কৰি আহিছে। 'কাঁহ' শব্দটো আহিছে সংস্কৃত 'কাংস্য' শব্দৰ পৰা। 'হেমকোষ' অভিধানত 'কাঁহ'ৰ অৰ্থ এনেদৰে পোৱা যায়— 'ৰাং আৰু তাম মিলাই কৰা এবিধ ধাতু'।[৪] Collins English Dictionaryৰ মতে "an aloy of copper and tin, with some zinc and lead used in casting bells" ।[৫]

কাঁহ হ'ল এবিধ যৌগিক বা মিশ্ৰ ধাতু। ইয়াৰ মূল উপাদান হ'ল ৰাং (Tin) আৰু তাম (Copper)। কঁহাৰসকলে ৰাঙক 'সীহ' বুলিও কয়।[৬] ৰাং আৰু তামৰ মিহলি কৰা অনুপাত সম্পৰ্কে বিভিন্ন শিল্পী, গৱেষকসকলে বিভিন্ন মত প্ৰকাশ কৰিছে। 'পুৰণি অসমৰ কাৰিকৰী শিল্প' নামৰ গ্ৰন্থ দহভাগ তামৰ লগত এভাগ ৰাং মিহলাই কাঁহ প্ৰস্তুত কৰা হয় বুলি প্ৰদীপ চলিহাই মন্তব্য কৰিছে। 'অসমৰ লোকশিল্প কলা' গ্ৰন্থত ধ্ৰুৱকুমাৰ তালুকদাৰে ৬৩ ভাগ তামৰ লগত ৩৭ ভাগ ৰাং মিহলাই কাঁহ তৈয়াৰ কৰে বুলি কৈছে। 'সৰ্থেবাৰীৰ ঐতিহ্যমণ্ডিত কাঁহশিল্প' গ্ৰন্থত পাৰ্বতী পাটোৱাৰীয়ে চাৰিভাগৰ এভাগ ৰাঙৰ লগত তিনিভাগ তামৰ ৰাসায়নিক বিক্ৰিয়া ঘটাই মিশ্ৰণ কৰিলে নতুন 'সংকৰ ধাতু' Bell-metal অৰ্থাৎ কাঁহ উৎপন্ন হয় বুলি কৈছে। 'পুৰণি অসমৰ কাৰিকৰী শিল্প ইতিহাস' গ্ৰন্থত মৃগেন শৰ্মাই ৰাং আৰু তাম যথাক্ৰমে ২০ ঃ ৮০ বা ২২ ঃ ৭৮ মিশ্ৰণৰ জৰিয়তে কাঁহ তৈয়াৰ হয় বুলি কৈছে। 'সৰ্থেবাৰীৰ কাঁহশিল্প আৰু ইয়াৰ সমস্যা' শীৰ্ষক প্ৰবন্ধত ভূপেন তালুকদাৰে উন্নতমানৰ কাঁহ তৈয়াৰ কৰিবলৈ তাম ৮০ ভাগ আৰু ৰাং ২০ ভাগ লাগে বুলি কৈছে। উৎকৃষ্ট মানদণ্ডৰ কাঁহ প্ৰস্তুত কৰিবলৈ ৭৮ শতাংশ তামৰ লগত ২২ শতাংশ ৰাং মিহলাই কাঁহ তৈয়াৰ কৰা হয় বুলি গৱেষণাত প্ৰকাশ পাইছে।[৭] অৱশ্যে শিল্পীসকলৰ পৰা জানিব পৰা অনুসৰি উক্ত দুয়োবিধ ধাতুৰ মিশ্ৰণৰ ক্ষেত্ৰত সামান্য ইফাল-সিফাল হ'লেও ২৫ ঃ ৭৫ — এই হিচাপতকৈ হেৰ-ফেৰ হ'লে উৎকৃষ্ট তাম প্ৰস্তুত কৰিব পৰা নাযায়।

এনেদৰে প্ৰস্তুত কৰি লোৱা কাঁহৰ পৰা অসমীয়া সমাজৰ দৈনন্দিন প্ৰয়োজনীয় বিবিধ শিল্প-

সামগ্ৰী নিৰ্মাণ কৰা হয়। সেইবোৰৰ ভিতৰত কাঁহী, বাটি, বানকাঁহী, বানবাটি, বটা, শৰাই, চৰিয়া, ঘটি, লোটা আদি পাত্ৰ; বিবিধ বাদ্যযন্ত্ৰ, যেনে ঃ তাল, বৰতাল, খুটিতাল, ঘণ্টা আদি উল্লেখযোগ্য।

**৪.২.১ কাঁহ-শিল্পৰ ইতিহাস ঃ**

মানৱ সমাজে দৈনন্দিন প্ৰয়োজনীয়তাৰ স্বাৰ্থত নানান সামগ্ৰী উৎপাদন কৰি লৈছিল। বৈদিক যুগতে কাঁহ প্ৰস্তুত কৰাৰ অন্যতম উপাদান ৰাং ধাতুৰ বিষয়ে ভাৰতীয় মানুহ জ্ঞাত আছিল। ৰাঙক 'ত্ৰপু' নামেৰে জনা গৈছিল। 'অমৰকোষ'তো 'ত্ৰপু'ৰ অৰ্থ 'ৰাঙ্গ' বুলি পোৱা যায়। 'কাঁহ' নামটো বেদত পোৱা নাযায় যদিও 'এনীৰয়ি' অৰ্থাৎ বগা পিতল নামৰ ধাতুৰ উল্লেখ পোৱা যায়। কাঁহ বা কাংস্য শব্দটো বৈদিকোত্তৰ যুগত ৰচিত কাত্যায়নৰ 'শ্ৰৌত শাস্ত্ৰ'তহে প্ৰথম উল্লেখ পোৱা যায়।[৮] ভৰতমুনিৰ 'নাট্যশাস্ত্ৰ', 'অভিনয় দৰ্পণ' আদিত কাঁহৰ বাদ্য তথা কাঁহৰ বিভিন্ন মাতৰ উল্লেখ আছে। "গুপ্তযুগৰ ৰাজত্বকালত বিহাৰৰ কুৰ্কিহাৰ কেন্দ্ৰ কাঁহ আৰু পিতল শিল্প প্ৰশিক্ষণৰ বাবে বিশ্ববিখ্যাত আছিল। তাত ধীমান আৰু ভিঠপাল নামৰ শিল্পী দুগৰাকীয়ে বিভিন্ন দেশৰ শিল্পীসকলক পৃথকে পৃথকে প্ৰশিক্ষণ দিছিল। 'কালিকাপুৰাণ' আৰু 'যোগিনীতন্ত্ৰ'ত উল্লেখ থকা অনুসৰি "গুপ্ত যুগত সম্ভৱতঃ কাঁহশিল্পীসকল নেপালৰ পৰা ভাৰতলৈ আহিছিল।"[৯]

অসমত কাঁহ-শিল্পৰ প্ৰচলনৰ আৰম্ভণিৰ তথ্য পোৱা নাযায়। সপ্তম শতিকাত কামৰূপৰ ৰজা ভাস্কৰ বৰ্মনে ভাৰতৰ সম্ৰাট হৰ্ষবৰ্ধনলৈ বন্ধুত্বৰ চিনস্বৰূপে বিভিন্ন শিল্পজাত ধাতুৰ বস্তু পঠোৱাৰ কথা হৰ্ষচৰিতত উল্লেখ পোৱা যায়।[১০] অনুমান কৰিব পাৰি যে তাত কাঁহজাত শিল্প-সামগ্ৰীও আছিল। উল্লেখযোগ্য যে, অষ্টম শতিকাত ৰচিত চৰ্যাপদতো কাঁহেৰে নিৰ্মিত বাদ্যৰ উল্লেখ পোৱা যায়।[১১] 'কালিকা পুৰাণ' আৰু 'যোগিনীতন্ত্ৰ'তো কেতবোৰ কাঁহৰ বাদ্যৰ নাম উল্লেখ আছে। প্ৰাক্-শংকৰী যুগৰ কবি হৰিবৰ বিপ্ৰৰ 'বব্ৰুবাহনৰ যুদ্ধ', মাধৱ কন্দলিৰ 'ৰামায়ণ' আদি গ্ৰন্থত কৰতাল, ঝাঁঝৰ, জিঞ্জিৰি, নূপুৰ আদিৰ উল্লেখ আছে।[১২] গতিকে সেই সময়ত কাঁহ-শিল্পৰ প্ৰচলন আছিল বুলি ক'ব পাৰি।

শংকৰী যুগত কাঁহ-শিল্পই বিশেষ জনপ্ৰিয়তা লাভ কৰিছিল। নব-বৈষ্ণৱ ধৰ্মৰ অনন্য সৃষ্টি অংকীয়া নাট, বৰগীত, নাম-প্ৰসংগ আদিত বিভিন্ন আকাৰৰ তালৰ ব্যৱহাৰ হয়। চৰিতপুথিতো শ্ৰীমন্ত শংকৰদেৱে ৰহাৰ কঁহাৰৰ হতুৱাই ভোৰতালৰ আৰ্হিত পাতিতাল গঢ়োৱাৰ কথা উল্লেখ আছে। পৰৱৰ্তী সময়ত ৰচিত উপেন্দ্ৰ চন্দ্ৰ লেখাৰু সম্পাদিত 'কথাগুৰু চৰিত'ত মাধৱদেৱৰ জন্ম বৃত্তান্তত কাঁহৰ সামগ্ৰীৰ কথা উল্লেখ আছে— "পাছে ৰাজাৰ তিনি সপত্নীৰ মধ্যে মট পৰিখি ৰাজ বাল্টি দিলে। তাম, ৰাঙ্গ, কাঁহ, পিতল, ৰূপা, সোণ, সেতু, সিহ, লোহা, বগীতাম, চিচা, কাঁচ, মাটি, লোণ, মুগা, কপাহ, সুংগা, অস্ত্ৰ, টুপলি পতুকাকৈ ভৰালে।"[১৩] সেই সময়ত কোঁচ ৰজা বিশ্বসিংহৰ ৰাজত্ব চলিছিল। কোঁচ ৰজা বিশ্বসিংহৰ পুত্ৰ নৰনাৰায়ণে কঁহাৰসকলক আশ্ৰয় প্ৰদান কৰিছিল। কোঁচ ৰজাৰ ছত্ৰ-ছাঁয়াতে

নামনি অসমত কাঁহ-শিল্প ঠন ধৰি উঠে। লগতে ভূটান আদি ৰাজ্যলৈ ৰপ্তানি ব্যৱস্থাও সুদৃঢ় হৈ উঠে।

আহোম যুগত আন আন শিল্প কলাই বিশেষভাৱে জনপ্ৰিয়তা আৰু ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰাৰ দৰে কাঁহ-শিল্পয়ো বিশেষ সমাদৰ লাভ কৰে। আহোম ৰাজত্বৰ সময়ত যুদ্ধ-বিগ্ৰহৰ বৰটোপ, বৰহিলৈ আদি প্ৰস্তুত কৰিবলৈ কাঁহ ব্যৱহাৰ কৰিছিল। আহোম ৰজা ৰুদ্ৰসিংহৰ ৰাজত্বকালত কাঁহৰ বাচন নেপাল, ভূটান, তিব্বত আদিলৈও ৰপ্তানি হৈছিল।[১৪] গতিকে অসমৰ কাঁহ-পিতলৰ শিল্পবস্তু বাহিৰলৈও সম্প্ৰসাৰিত হৈছিল। আহোম স্বৰ্গদেউসকলৰ দিনত মাইহাং (মায়ংকাঁহী), বানকাঁহী, পাণ বটা, তামুলীবটা, টেমাবটা, পিকদানি, ভোগজৰা, হাতীখুজীয়া বাটি, বানবাটি, জাঁত কাঁহী, ঝাৰী লোটা, ডগ্‌ডগী লোটা আদি সম্ভ্ৰান্ত ঘৰৰ মানুহে ব্যৱহাৰ কৰিছিল। সৰ্বসাধাৰণে এই সামগ্ৰীবোৰ ব্যৱহাৰ কৰাৰ পৰা বিৰত আছিল।[১৫] ৰজাঘৰত ৰজা-ৰাণীয়ে কাৰুকাৰ্যৰে নিৰ্মিত কাঁহৰ দাপোণ ব্যৱহাৰ কৰিছিল। আহোম ৰজা শিৱসিংহৰ ৰাজত্ব কালত কাঠেৰে নিৰ্মিত এটা বাঘ ৰাজভৱনত ৰখা হৈছিল। বাঘটোৰ ভিতৰত এযোৰ কাঁহৰ ভোৰতাল ৰখা হৈছিল। বাঘটো লৰচৰ কৰিলে বাঘে গোজৰণি মৰাৰ দৰে ভোৰতালযোৰে শব্দ কৰি উঠিছিল। সৰ্থেবাৰীৰ জীউধন কঁহাৰে এই বাঘটো সাজি উলিয়াইছিল। ৰজা শিৱসিংহই কঁহাৰৰ পাৰদৰ্শিতাত সন্তুষ্ট হৈ তাম্ৰপত্ৰৰ লগতে এশপুৰা নিস্কৰ মাটি দানস্বৰূপে আগবঢ়াইছিল আৰু 'চৌধুৰী' উপাধি প্ৰদান কৰিছিল।[১৬]

অসমৰ বিভিন্ন ঠাইত কাঁহ-শিল্পই মধ্যযুগৰ পৰাই গঢ় লৈ উঠিছিল। যোৰহাট জিলাৰ তিতাবৰ, কৰঙা, জাঁজী, নগাঁও জিলাৰ ৰহা আদি ঠাইসমূহ কাঁহ উৎপাদনৰ বাবে প্ৰসিদ্ধ আছিল। সৰ্থেবাৰীত পৰৱৰ্তী সময়তহে কাঁহশিল্প-কেন্দ্ৰ গঢ় লৈ উঠে। "কাঁহৰ কাঁহী-বাটি, লোটা, চৰিয়া, ফেলাই, বটা, বান ইত্যাদি দ্ৰব্যবিলাক কঁহাৰবিলাকে প্ৰস্তুত কৰে। উজনিৰ কঁহাৰবিলাকক কলিতা মানুহ বুলি কয়। সিবিলাকৰ ভিতৰত "তিতাবৰীয়া কঁহাৰ ফৈদেই প্ৰধান। তিতাবৰীয়া কঁহাৰে গঢ়া কাঁহী, বাটি, শৰাই, বটা, ভোগজৰা আদি বৰ্তনৰ আদৰ অসমত এতিয়াও অনেক বেছি।"[১৭] তিতাবৰত 'কোঁহমৰা' কাঁহৰ সামগ্ৰীবোৰ তৈয়াৰ হৈছিল। লোটা, ডগ্‌ডগী, ডালি চৰিয়া, বটা, তামোলৰ টেমা আদিত ওখ ওখকৈ কোঁহ বা ঢৌ কটা থাকে। কোঁহৰ আকৃতি অনুযায়ী সামগ্ৰীবোৰক ভিন্ন নাম দিয়া হৈছিল। কোঁহ মৰা, কঁঠাল কোহীয়া, ঢৌ কটা, ঔখলপীয়া আদি আকৃতি অনুযায়ী দিয়া কোঁহৰ নাম।[১৮] তিতাবৰ কৰঙা আদি ঠাইত সাঁচত ঢালি গঢ়া পদ্ধতিৰে কাঁহৰ সামগ্ৰী তৈয়াৰ কৰা হৈছিল। এই পদ্ধতিৰ নাম ঢলুৱা কঁহাৰ বিদ্যা।

বৰপেটা জিলাৰ সৰ্থেবাৰী বৰ্তমান অসমৰ কাঁহ-শিল্পৰ মুখ্য কেন্দ্ৰস্বৰূপ। সৰ্থেবাৰী নামটোৰ উৎপত্তি সম্পৰ্কীয় জনশ্ৰুতিৰ মাজতো কাঁহ-শিল্পৰ সম্পৰ্ক পৰিদৃষ্ট হয়। ভাস্কৰবৰ্মাৰ ৰাজত্ব কালত ৰজা হৰ্ষবৰ্ধনলৈ পঠোৱা উপহাৰৰ লগত সতনাথ নামৰে এজন কঁহাৰো কণৌজলৈ যায়। তাত বৌদ্ধ ধৰ্ম গ্ৰহণ কৰি গাঁৱলৈ উভতি আহে আৰু বৌদ্ধ বিহাৰ নিৰ্মাণ কৰে। এই বিহাৰটোক সত-থেৰ-বাৰী

বুলি কয়। তাৰ পৰা সথেৰবাৰী - সৰ্থেবাৰী নাম হয়।[১৯] আন এক মত অনুসৰি 'সন্থাথেৰ' নামৰ এজন বৌদ্ধ কঁহাৰে নদীৰ পাৰত কাঁহৰ সামগ্ৰী নিৰ্মাণৰ অৰ্থে গঢ়শাল স্থাপন কৰিছিল। কঁহাৰজনৰ নাম অনুসৰি সন্থাথেৰ বাৰীৰ পৰা সৰ্থেবাৰী নামটো বিকশিত হৈছে বুলি কয়। দেখা যায় যে বৌদ্ধ ধৰ্মৰ লগত কাঁহ-শিল্পৰ বিশেষ সম্পৰ্ক আছে। বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে এতিয়াও ভূটান আদি ঠাইলৈ সৰ্থেবাৰীত নিৰ্মিত কাঁহৰ সামগ্ৰী ধৰ্মীয় কাৰ্যত ব্যৱহাৰৰ অৰ্থে কিনি নিয়ে।

**৪.২.২ কাঁহৰ শিল্প-সামগ্ৰীৰ নিৰ্মাণ-পদ্ধতি ঃ**

পুৰণি অসমত দুটা পদ্ধতিৰে ধাতুৰ সহায়ত সামগ্ৰী গঢ় দিয়া হৈছিল। প্ৰথমটো হ'ল নিয়াৰিত ধাতু হাতুৰীৰে খুন্দি তৈয়াৰ কৰা পদ্ধতি। ইয়াক ফৰাচীত repause বোলে। সংস্কৃত নাম হ'ল 'পিট্ট পিতনিক'। আনটো পদ্ধতি হ'ল- ধাতু গলাই মাটিৰ সাঁচত ঢালি গঢ়া পদ্ধতি। ইয়াক ফৰাচীত cire predue বোলে। সংস্কৃতত মধুচ্ছিন্ন প্ৰৱাহ বিধান নামেৰে জনা যায়। ইয়াক ঢলা কঁহাৰ বিদ্যা নামেৰে জনা যায়।[২০] সাঁচত মূৰ্তি গঢ়া পদ্ধতিক ঘন বা গোটা মূৰ্তি গঢ়া পদ্ধতি আৰু সুষিৰ বা ফোঁপোলা মূৰ্তি গঢ়া পদ্ধতি এই দুটা ভাগত ভাগ কৰিব পাৰি। সাঁচত ঢালি মূৰ্তি প্ৰস্তুত কৰা কঁহাৰসকলক ঢলুৱা কঁহাৰ নামেৰে জনা যায়। যোৰহাট, শিৱসাগৰ আদি ঠাইৰ কাঁহ-শিল্পীসকলে এই পদ্ধতিত বানবাটি, কোঁহমৰা ডগ্‌ডগী আদি নিৰ্মাণ কৰিছিল। অৱশ্যে সৰ্থেবাৰীৰ কাঁহ-শিল্পীসকলে কাঁহ হাতুৰিৰে পিটি পিটিহে সামগ্ৰী তৈয়াৰ কৰে।

কাঁহ নিৰ্মাণ কৰিবলৈ তাম আৰু ৰাং নিৰ্দিষ্ট অনুপাতত মিহলাই লোৱা হয়। মুঠতে আশীৰ দশকৰ শেষলৈকে অসম চৰকাৰৰ উদ্যোগ বিভাগৰ জৰিয়তে ভাৰত চৰকাৰৰ অধীনস্থ Mineral and Metal Trading Corporation (MMTC) ৰ পৰা ৰাং আৰু তাম ক্ৰয় কৰিছিল। তাৰ পৰাই কাঁহ সংকৰ ধাতু তৈয়াৰ কৰিছিল। পৰৱৰ্তী সময়ত সহজলভ্য নোহোৱাৰ বাবে ভঙা কাঁহ ক্ৰয় কৰি তাৰ পৰা সামগ্ৰী তৈয়াৰ কৰিবলৈ ধৰিলে। এই কাঁহ উত্তৰ প্ৰদেশৰ গাজিয়াবাদ, মোৰাদাবাদ, ফৰিদাবাদ, কলিকতা, পাকিস্তান আদিৰ পৰা আমদানি কৰা হৈছিল যদিও বৰ্তমান কঁহাৰসকলে গুৱাহাটীৰ পৰাই এই কেঁচামাল ক্ৰয় কৰি আনে। লগতে অসম সমবায় কঁহাৰ সংঘই কেঁচামাল যোগান ধৰে। ভাটি জলাবলৈ প্ৰয়োজনীয় এঙাৰো স্থানীয়ভাৱে ক্ৰয় কৰি আনে। গঢ়শালত কাঁহৰ সামগ্ৰী তৈয়াৰ কৰাৰ সমগ্ৰ প্ৰক্ৰিয়াটোক আমি কেইটামান স্তৰত ভাগ কৰিব পাৰোঁ—

**প্ৰথম স্তৰ** ঃ ভঙা কাঁহবোৰ মুহিত দি ভাটিৰ জুইৰ সহায়ত আফৰত গলাই লোৱা হয়।

**দ্বিতীয় স্তৰ** ঃ এই স্তৰত গলাই লোৱা কাঁহখিনি বাচনৰ অনুপাতত তৈয়াৰ কৰি লোৱা মাটিৰ আঁকত ঢালি দিয়া হয়। বাচনৰ জোখ অনুযায়ী বিভিন্ন আকাৰত আঁকবোৰ হীৰা মাটিৰে প্ৰস্তুত কৰি লোৱা হয়। এই প্ৰক্ৰিয়াটোক 'কাঁহা আউতা' বোলে।

**তৃতীয় স্তৰ** ঃ গলি যোৱা কাঁহবোৰ আঁকত ঢালি দিয়াৰ পিছত গোলাকাৰ পিঠাত পৰিণত হয়।

এই গোলাকাৰ পিঠাবোৰ আঁফৰত জুই ভাটিত দি নিৰ্দিষ্ট মাত্ৰাত পুনৰ তপতাই লোৱা হয়। পিঠাবোৰ ৰঙা হ'লে বাচনৰ আকাৰ অনুযায়ী হাতুৰীৰে পিটি পিটি বহল কৰা হয়। এই কাৰ্যটোক 'ৰেঅমৰা' বুলি কোৱা হৈছিল। সমগ্ৰ প্ৰক্ৰিয়াটোক কাঁহ বাঢ় বা কাঁহ বঢ়োৱা বুলি কোৱা হয়। বৰ্তমান সৰ্থেবাৰীৰ অসম সমবায় কঁহাৰ সংঘত স্থাপন কৰা বৃহৎ আকাৰৰ ভাটি আৰু ৰোলিং মেচিনৰ সহায়ত এই কাঁহ চেপা প্ৰক্ৰিয়া সমাপন হয়।

**চতুৰ্থ স্তৰ** ঃ ইয়াৰ পিছত চেপেটা পাতবোৰ আকৌ গৰম কৰি নিয়াৰিকৈ থৈ হাতুৰীৰে পিটি পিটি বাচনৰ আকৃতি দিয়ে।

**পঞ্চম স্তৰ** ঃ এই স্তৰত বাচনৰ আকৃতি পোৱাৰ পাছত নিয়াৰিত হাতুৰীৰে তাৰ ভাঁজ-ভূজবোৰ মাৰি দেখনিয়াৰ কৰা হয়। এই কামটোক 'কাঁহ মাথা' বুলি কোৱা হয়। যিজনে এই কামটো কৰে তেওঁক 'মাইথ্নাৰ' বুলি কোৱা হয়। তেওঁৰ ওপৰতে বাচনৰ গঢ়-পিত নিৰ্ভৰ কৰে। তেওঁ আঙুলিৰে বাচনত আঘাত কৰি গঢ়ৰ বুজ লয়।

**ষষ্ঠ স্তৰ** ঃ এই স্তৰত মাথা বাচনখন খন্টা, ৰেটি আদি সঁজুলিৰে ৰুকি লৈ নিমজ কৰা হয়। আঁক দিব লাগিলে লোৰ কুন্ধত দিয়া হয়।

**সপ্তম স্তৰ** ঃ এই স্তৰত কুন্দৰ পৰা আনি লোৱালেৰে ভৰ দি গুটি গুটি ঘূৰণীয়া আঁক কিছুমান দিয়া হয়। বটা, চৰিয়া, কাঁহী আদিত চেনা আৰু লোৱালৰ সহায়ত লতা, ফুল, পাত, জীৱ-জন্তুৰ নক্সা আদি কাটি লোৱা হয়। চেনাৰে অঁকা ফুল-পাতবোৰ বেছি স্পষ্ট হোৱা দেখা যায়।

**অষ্টম স্তৰ** ঃ এই স্তৰত বাচনটো পলিচ কৰি চাফা কৰা হয়।

এই স্তৰকেইটা সকলো বাচন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত একে যদিও পচাং তাল গঢ়োঁতে শিল্পীসকলে নিৰ্দিষ্ট শব্দ নুঠালৈকে বাৰে বাৰে পৰীক্ষা কৰি ল'বলগীয়া হয়। বটা নিৰ্মাণৰ ক্ষেত্ৰতো ওপৰৰ 'ডাইলা' আৰু তলৰ 'পত্ৰৰা' অংশটো সুকীয়াকৈ তৈয়াৰ কৰিবলগীয়া হয়। আগতে কাঁহ প্ৰস্তুত কৰিবলৈ ৰাং আৰু তাম মুখ্য যদিও আগতে কেতিয়াবা ইয়াত ৰূপ (silver) মিহলাই লোৱা হৈছিল। ৰূপ মিহলোৱা তালৰ ঝংকাৰ বহু সময়লৈ গুঞ্জৰিত হৈ থাকে। তেনে কাঁহৰ পৰা প্ৰস্তুত কৰা বাচনত টেঙা খালে কাঁহ নুঠে।

**গঢ়শাল ঃ**

কাঁহৰ সামগ্ৰী প্ৰস্তুত কৰা অস্থায়ী শাল হ'ল গঢ়শাল। ওপৰত টিনপাত, ঢাৰি, নল-খাগৰিৰে ঘৰৰ সন্মুখভাগত কঁহাৰসকলে এই শালখন পাতে। এই কঁহাৰশালতে নিয়াৰি, ভাটি, আফৰ আদিৰ লগতে আৱশ্যকীয় সা-সঁজুলিবোৰ ৰখা হয়। বৰ্তমান পুৱা ৭ বজা মানৰ পৰা আবেলি ৩/৪ বজালৈ

ইয়াত শিল্পবস্তু গঢ়াৰ কাম চলে। গঢ়শালখনক পবিত্ৰ কৰ্মস্থল হিচাপে গণ্য কৰা হয়। গঢ়শাল আৰম্ভ কৰাৰ দিনা গঢ়শালখন মচি ধূপ-চাকি নৈবেদ্য আগবঢ়ায়। মুৰব্বী কঁহাৰজনক ওজা কঁহাৰ বোলে। ওজা কঁহাৰৰ তলত পাঁচজনৰ পৰা ন-জনলৈ পালি কঁহাৰ থকা দেখা যায়। তেওঁ ব্যৱসায়ৰ হিচাপবোৰ ৰাখে। ওজা কঁহাৰৰ উপৰিও 'ওজা কঁহাৰ'ৰ সহযোগী 'গুৰেইলা', হাতুৰীৰে বাচন 'মথন' কাটি মিহি কৰা 'মাইথনাৰ', 'কাইটনাৰ', আঠভাইগা আদি থাকে।

**মাইতাচাং ঃ**

সৰ্থেবাৰীৰ বিচক্ষণ কঁহাৰসকলে পূৰ্বতে গুৱাহাটী, হাজো, লখিমপুৰ, যোৰহাট, শিৱসাগৰ আদি ঠাইলৈ কিছু সময়ৰ বাবে কাঁহ কোবাবলৈ গৈছিল। ইয়াক স্থানীয় ভাষাত 'পৰ্‌বাহ' (প্ৰবাস) লৈ যোৱা বুলি কয়। প্ৰবাসলৈ যোৱাৰ সময়ত কঁহাৰৰ বাহাতে বাঁহৰ চাং এখন সাজি লৈছিল। ইয়াকে 'মাইতাচাং' বুলি কয়। কঁহাৰৰ বাহাৰ মজিয়াত ডাঙৰ গাঁত এটা খান্দি গাঁতৰ ওপৰতে বাঁহৰ-পজালেৰে চাং বা বিচনা (মাইতাচাং) নিৰ্মাণ কৰি লয়। তলৰ গাঁতটোত ভঙা কাঁহ, মূল্যবান বাচন-বৰ্তনবোৰ ৰাখিছিল আৰু ওপৰত কঁহাৰসকল শুইছিল, যাতে শিল্প সামগ্ৰীবোৰ চুৰ কৰিব নোৱাৰে।

**৪.২.৩ কাঁহ-শিল্পৰ শিল্পবস্তু নিৰ্মাণৰ বাবে ব্যৱহাৰ হোৱা সঁজুলি ঃ**

**নিয়াৰি ঃ** লোৰে তৈয়াৰী এবিধ কাঁহ খুন্দা সঁজুলি। সঁজুলিবিধ এবেগেতমান ওখ লোৰে তৈয়াৰী। কঁহাৰশালত বিভিন্ন কামৰ বাবে চাৰিটামান নিয়াৰিৰ প্ৰয়োজন হয়। 'বৰ নিয়াৰি', 'বেলমুৰি', 'ধেকা', 'চাতুৰি' হ'ল নিয়াৰিৰ প্ৰকাৰ। ডাঙৰ নিয়াৰিত কাঁহ পিটি পিটি বহল কৰা হয় আৰু সৰু নিয়াৰিত ভাঁজবোৰ মাৰি মিহি কৰা হয়।

**আঁফৰ** ঃ এঙাৰৰ পৰা তাপ পাবলৈ কৰা জুইশাল। আঁফৰৰ গাঁতটোৰ লগত এটা বাঁহৰ ডাঙৰ চুঙা সংলগ্ন কৰা হয়।

**ভাটি** ঃ ছাগলীৰ ছালেৰে তৈয়াৰী এবিধ সঁজুলি। ইয়াৰ এটা মূৰ আঁফৰৰ লগত সংলগ্ন চুঙাত টানকৈ বান্ধি ৰখা হয়। আজিকালি ভাটিৰ সলনি যান্ত্ৰিক ব্লোৱাৰ মেচিন ব্যৱহাৰ কৰে।

**ব্লোৱাৰ মেচিন** ঃ আঁফৰৰ এঙাৰত বতাহ দিয়াত ব্যৱহাৰ কৰা মেচিন।

**মাটিৰ আক্** ঃ ভঙা কাঁহ গলাই থ'বলৈ ব্যৱহাৰ কৰা বিভিন্ন আকৃতিৰ হীৰা মাটিৰে নিৰ্মিত পাত্ৰ। তৈয়াৰ কৰিবলগীয়া কাঁহৰ পাত্ৰৰ জোখ অনুযায়ী বিভিন্ন আকৃতিৰ সৰু-ডাঙৰ ঘূৰণীয়া খোলৰ আক্‌বোৰ বনোৱা হয়। আকত গলা কাঁহ ঢালি কাঁহৰ লদাবোৰ বনোৱা হয়। এই লদাবোৰ 'ৰোলিং' মেচিনৰ সহায়ত বহল পাত কৰা হয়।

**মুহি** ঃ বহল মুখৰ ভঙা কাঁহ গলাবলৈ ব্যৱহাৰ কৰা মাটিৰে নিৰ্মিত পাত্ৰ। ইয়াক আফৰৰ তাপত দি কাঁহ গলোৱা হয়।

**হাতুৰী** ঃ কাঁহ পিটি বহল কৰিবলৈ ব্যৱহৃত লোৰ সঁজুলি। কাঠৰ বা বাঁহৰ নাল হাতুৰীত লগাই লোৱা হয়। ইয়াৰ কেইবাটাও প্ৰকাৰ থাকে, যেনে - বৰ হাতুৰী, কামৰুৱা হাতুৰী, পাহমৰা হাতুৰী, মাঠনী বা মাঠেনী।[২১]

**সৰাহ** ঃ লোৰে নিৰ্মিত অতি আৱশ্যকীয় চেপেনা সদৃশ সঁজুলি। বাচনৰ গঢ় দিবলৈ জুইত দিয়া বাচন সৰাহৰ সহায়ত উলিয়াই আনে। গৰম কাঁহ কঁহাৰজনে সৰাহৰ সহায়ত তুলি আনে। ইয়াৰ আকাৰ-আকৃতি, ব্যৱহাৰ অনুযায়ী প্ৰকাৰ বিভিন্ন, যেনে - পোন সৰাহ (জুইৰ পৰা সৰু বস্তু উঠাবলৈ ব্যৱহৃত আগটো জোঙা), গাল সৰাহ (ডাঙৰ বাচন জুইৰ পৰা উঠাবলৈ ব্যৱহৃত, আকৃতি মানুহৰ গালৰ দৰে), পাত সৰাহ (চেপেটা মুখীয়া, ডেৰফুট মান দীঘল), আকোঁৰা সৰাহ (আগবেঁকা সৰাহ) ইত্যাদি।

**পাওৰা** ঃ আফৰৰ ওচৰত কাঁহ ঠাণ্ডা কৰিবলৈ থোৱা পানীৰ চৌবাচ্ছা।

**ও বা তা** ঃ তীখাৰে তৈয়াৰী, ক্ষুদ্ৰ ক্ষুদ্ৰ দাঁত থকা সঁজুলি। বাচন সমান কৰিবলৈ ব্যৱহৃত হয়।

**খন্তা** ঃ কাঁহৰ নৱনিৰ্মিত বাচন চাফা কৰিবলৈ ব্যৱহাৰ কৰা বাঁহৰ নালযুক্ত চুটি, চেপেটা চোকা অস্ত্ৰ।

**ছেনা** ঃ চেপেটা লোৰ অস্ত্ৰ। বটালিৰ সহায়ত বা ছেনাৰৰ সহায়ত বাচন-বৰ্তনত ফুল তোলা হয়। ফুলছেনা, জুলখন্দা ছেনা, গুণাসীৰা ছেনা আদি ছেনাৰ বিভিন্ন প্ৰকাৰ আছে।

**কাঠি** ঃ চুটি মুখৰ কাঁহৰ পাত কটা কেঁচি।

**চক্ভৰ** ঃ কাঁহৰ বাচনত ঘূৰণীয়াকৈ সাঁচ কাটিবলৈ ব্যৱহাৰ কৰা সঁজুলি।

পক্ভৰ ঃ ফুটা কৰিব পৰা তিনি ফুটমান দীঘল এবিধ জোঙা সঁজুলি।

**কুন্দ** ঃ কাঠেৰে তৈয়াৰী ৰচী ঘূৰাই ঘূৰাই কাঁহৰ বাচন পৰিষ্কাৰ বা পলিচ কৰিবলৈ ব্যৱহৃত সঁজুলি। চাফা কৰা বাচনটোৰ এটা মূৰ 'লো'ৰে আঠা লগাই লোৱা হয়। 'কুন্দ'ক লৈ সমাজত নানা প্ৰবচন প্ৰচলিত হৈ আহিছে।

**গগৰা** ঃ ধান খেৰেৰে সজা ঘূৰণীয়া কধৰা।

**বৰিশিলা** ঃ কুন্দশালৰ সাঁজ কটা খুটি।

**চাত্লি** ঃ কাঁহী, কলহ আদি পাহ মাৰিবলৈ ব্যৱহাৰ কৰা লোৰ সঁজুলি।

এই সঁজুলিবোৰৰ উপৰিও পঁজাল, ঢেঁকা, শান, বটালি, এঙাৰ, লা আদিৰ প্ৰয়োজন হয়।

**৪.২.৪ কাঁহ-শিল্পৰ বিবিধ শিল্প-সামগ্ৰী ঃ**

**১। কাঁহী ঃ** কাঁহী ভোজনৰ এবিধ পাত্ৰ। ইয়াৰ বিভিন্ন প্ৰকাৰৰ আছে, যেনে - চুছ কাঁহী, কৰ্দৈশিৰীয়া কাঁহী, জেল কাঁহী, বান্ কাঁহী, মাইহাং কাঁহী, পান্ধোৱা কাঁহী, জুলখন্দা কাঁহী, ডফলা কাঁহী ইত্যাদি।

সৰ্থেবাৰীৰ পুষ্পৰাম কঁহাৰে স্বাধীনতা সংগ্ৰামৰ সময়ত জেলত থাকিবলগীয়া হোৱাত জেলতে বিশেষ গঢ়ৰৰ জেল কাঁহী নিৰ্মাণ কৰিছিল। চুছকাঁহী নিমজ আৰু উকা। জাতকাঁহী তিনিটা খুৰাৰ ওপৰত থোৱা থাকে। বানকাঁহীৰ তলত পাইৰা বা খুৰা লগোৱা থাকে। পান্ধোৱা বা পান্ধাৰ দাঁতিটো ওখ আৰু বহল। ইয়াৰ আকৌ কেইবাটাও প্ৰকাৰ আছে, যেনে - গোটা কনীয়া পান্ধোৱা, খুলা পান্ধোৱা, জুল খন্দা পান্ধোৱা আদি। ডফলা কাঁহী ডফলা জনজাতীয় লোকসকলে ধৰ্মীয় কাৰ্যত ব্যৱহাৰ কৰে। জুলখন্দা কাঁহী আঁক থকা আৰু মাজভাগ ওফন্দা।

**২। বাটি ঃ** ঘূৰণীয়া কাঁহৰ এবিধ পাত্ৰ। ইয়াৰ কেইবাটাও প্ৰকাৰ আছে। যেনে - জেল বাটি, চুছ বাটি, চাঁদা বাটি, বেতকনীয়া বাটি, সিজুপতীয়া বাটি, সত্ৰীয়া বাটি, ৰেহেলী বাটি, তেল বাটি, গাঁৰো খোৱা বাটি, মাইহাং বাটি, বান বাটি, হাতীমূৰীয়া বাটি ইত্যাদি। চাঁদা বাটিত ফুল নাকাটে। জুলখন্দা বাটিৰ দাঁতিত জুলখন্দা থাকে। জেল বাটি নিৰ্মাণ কৰিছিল পুষ্পৰাম কঁহাৰে। বেতকনীয়া বাটিৰ দাঁতিটো বাহিৰৰ ফালে হালি যোৱা। তেল বাটিৰ আকৃতি সৰু, মাংগলিক কাৰ্যত তেল থ'বলৈ ব্যৱহাৰ কৰা হয়। সিজু গছৰ সিৰৰ দৰে সিজুপতীয়া বাটিত সিৰ থাকে। হাতীখুজীয়া বাটি হাতীৰ খোজৰ দৰে দ, বহল আৰু ওজনো যথেষ্ট। ৰহেইলা বা ৰহেলী বাটি ৰহাত নিৰ্মাণ কৰা হৈছিল বাবে ৰহেলী বাটি বুলি কয়। গাৰো খোৱা বাটি গাৰো জনজাতিৰ মানুহে বেছিকৈ ব্যৱহাৰ কৰা দেখা যায়। এই বাটিৰ পেট অংশ ডাঙৰ আৰু ওফন্দা। সত্ৰীয়া বাটি ভকতসকলে জলপান আৰু অন্যান্য কামত ব্যৱহাৰ কৰা দেখা যায়। বান বাটিৰ তলত পইৰা (খুৰা) লগোৱা থাকে। ইয়াৰো বিভিন্ন প্ৰকাৰ আছে। যেনে - সাধা বান বাটি, বেতকনীয়া বান বাটি, বাহিৰকনীয়া বান বাটি ইত্যাদি। মাইহাং বাটি আহোম স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়াসকলে ব্যৱহাৰ কৰিছিল।

**৩। লোটা ঃ** লোটা পানী থ'বলৈ ব্যৱহাৰ কৰে। আকাৰ-আকৃতি অনুসৰি লোটা বিভিন্ন প্ৰকাৰৰ আছে। যেনে— চাদা লোটা, চন্দা লোটা, তিতাবৰীয়া লোটা, ভাটৌকনীয়া লোটা, ৰহেলী লোটা, চেলেকটা লোটা আদি। চাদা লোটাত ফুল কটা নাথাকে। চন্দা লোটাৰ গাৰ আকৃতি চন্দা মাছৰ দৰে। পেট অংশত পাহ কটা হয়। তিতাবৰীয়া লোটাৰ আকৃতিৰ লোটা আগতে তিতাবৰৰ কঁহাৰসকলে নিৰ্মাণ কৰিছিল। ভাটৌকনীয়া লোটাৰ মুখত কটা পাহকেইটাৰ আকৃতি ভাটৌৰ ঠোঁটৰ দৰে। ৰহেলী লোটাৰ গঢ় ৰহাৰ কঁহাৰে প্ৰথমে গঢ়িছিল। চেলেকটা লোটাৰ পেট অংশত ভৰিত পিন্ধা নূপুৰৰ দৰে লতা কটা থাকে।

**৪। কলহ ঃ** পানী থ'বলৈ বা তুলিবলৈ ব্যৱহৃত কাঁহৰ এবিধ পাত্ৰ। কলহৰ মুখৰ ঘূৰণীয়া অংশত গোল আকৃতিৰ পাহ কটা হয়। ইয়াৰ কটা ফুলৰ আকৃতি, প্ৰকাৰ অনুযায়ী ইয়াৰ নামবোৰ বিভিন্ন। যেনে— ছন্দাপহীয়া কলহ, ভাটৌকনীয়া কলহ, লতা কটা কলহ ইত্যাদি। ছন্দাপহীয়া কলহৰ মুখত ছন্দা মাছৰ আকৃতিৰ পাহ কটা থাকে। জুলখন্দা কলহৰ মুখত জুলখন্দা থাকে। ভাটৌকনীয়া কলহৰ মুখত

ভাটৌৰ ঠোটৰ আকৃতিৰ লতা কটা থাকে। লতা কটা কলহৰ গা অংশ আৰু মুখত লতা কটা থাকে।

৫। **টেকেলি** ঃ কলহৰ আকৃতিৰ কিন্তু কলহতকৈ ডিঙি সৰু আৰু চুটি, মুখ বহল আৰু গোলাকৃতিৰ এবিধ পাত্ৰ। ইয়াৰ তলটো সমান।

৬। **ঘটী** ঃ পানী থ'বলৈ ব্যৱহৃত চুটি ডিঙি থকা কাঁহৰ পাত্ৰ। গা অংশ ওফন্দা আৰু গোল।

৭। **গাগৰি** ঃ ডিঙি দীঘল, এক প্ৰকাৰৰ কলহ। আহোমসকলে ব্যৱহাৰ কৰিছিল।

৮। **বটা** ঃ তামোল-পাণ, মাননী আদি আগ কৰিবলৈ ব্যৱহৃত কাঁহৰ পাত্ৰ। ঘূৰণীয়া বহল অংশটোৰ তলত পইৰা লগোৱা থাকে। ইয়াৰ প্ৰকাৰ বিভিন্ন। যেনে— কৰ্দ্দৈশিৰীয়া বটা, ছেনাপহীয়া বটা, নাগফেটী বটা, চন্দ্ৰফেটী বটা, গোলমেহবাৰী বটা, গোলপহীয়া বটা বা টুপুৰা বটা, সাধা বটা, টেমা বটা বা সঁফুৰা বটা, পান বটা, ঔখলপীয়া বটা ইত্যাদি। কৰ্দ্দৈশিৰীয়া বটাৰ পাহবোৰৰ আকৃতি কৰ্দ্দৈটেঙাৰ শিৰৰ দৰে। ছেনাপহীয়া বটাৰ পাহবোৰ ছেনাৰ দৰে জোঙা আকৃতিৰ। নাগফেটী বটাৰ গঢ় অধিক আকৰ্ষণীয়। ইয়াক শ্ৰেষ্ঠ বটা বুলি গণ্য কৰিব পাৰি। ইয়াৰ পাহবোৰ নাগ বা সাপৰ ফনাৰ দৰে। চন্দ্ৰফেটী বটাৰ পাহবোৰ দেখিবলৈ কাঁচিজোনৰ দৰে। গোলমেহবাৰী বটাৰ পাহবোৰ আৰু বটাটো গোলাকাৰ। গোলপহীয়া বটাৰ দাঁতিত থকা পাহবোৰ গোলাকাৰ ফুলৰ পাহিৰ নিচিনা টুপুৰা। সাধা বটাত এডাল আঁচ কটা থাকে। সঁফুৰাত কাৰুকাৰ্যখচিত এখন কাঁহৰ সাফৰ থাকে। আহোম শাসনকালত ইয়াৰ প্ৰচলন বেছি আছিল। পাণ বটাৰ আকৃতি সৰু। অতিথিক তামোল দিবলৈ ব্যৱহৃত হয়। ইয়াৰ বহুতো প্ৰকাৰ আছে। যেনে- আঠচুকীয়া পাণ, কাণ কটা পাণ, টুপুৰাপেহীয়া, ধতুৰাফুলীয়া, চছ পাণ, জুলখন্দা পাণ, জৰী পাণ, নাগফেটী পাণ ইত্যাদি। ঔখলপীয়া বটাৰ দাঁতিৰ অংশত ঔখলপৰ দৰে পাহ মৰা থাকে।

৯। **চৰিয়া** ঃ কাঁহেৰে নিৰ্মিত বিভিন্ন দ্ৰব্য থ'বলৈ ব্যৱহৃত পাত্ৰ। চৰিয়া দুই প্ৰকাৰৰ দেখা যায়। যেনে— গোটা কনীয়া চৰিয়া আৰু জুলখন্দা চৰিয়া।

১০। **শৰাই** ঃ ঘূৰণীয়া বেৰেৰে আবৃত বটাৰ দৰে আকৃতিৰ এবিধ সামগ্ৰী। কিছুমান শৰাইৰ ওপৰত সাঁফৰ থাকে। সাঁফৰখনত ফুল কটা থাকে। মাননী, নৈবেদ্য আদি শৰাইত দি মান্যজনলৈ আগবঢ়োৱা হয়।

১১। **থাল** ঃ চাহৰ লগত বস্তু দিবলৈ ব্যৱহৃত সৰু ঘূৰণীয়া কাঁহৰ কাঁহী।

১২। **তাল** ঃ কাঁহেৰে নিৰ্মিত ঘনবাদ্য। ওজন, আকৃতি আৰু কম্পন অনুযায়ী তাল বিভিন্ন প্ৰকাৰৰ আছে। সত্ৰীয়া সংস্কৃতিৰ উপৰিও দাঁতি কাষৰীয়া ভূটান, তিব্বত, নেপাল আদি দেশৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলৰ বাবে তালৰ ব্যৱহাৰ অপৰিহাৰ্য। তাল বিভিন্ন প্ৰকাৰৰ আছে। যেনে— ভোৰতাল, পাতিতাল, মঞ্জিৰা, ভূটীয়া তাল, খুটিতাল ইত্যাদি। মঞ্জিৰা আৰু খুটিতালৰ আকৃতি সৰু।

১৩। **ভোৰতাল** ঃ ডাঙৰ আকৃতিৰ তাল। এই তালক ভোৰতাল নৃত্য আৰু বীৰনামত ব্যৱহাৰ কৰে।

১৪। **পাতিতাল** ঃ সৰু আকৃতিৰ তাল।

ভূটীয়া তালৰ ব্যৱহাৰ বৌদ্ধ ধৰ্মাৱলম্বীসকলৰ মাজত দেখা যায়। চিমেন, পচাং, ভেৰী বা ৰুফু আৰু জুমু— এই চাৰিটা প্ৰকাৰৰ ভূটীয়া তাল তৈয়াৰ কৰা দেখা যায়।

**৪.২.৫ কাঁহ-শিল্পৰ লগত জড়িত শিল্পীসকল ঃ**

সৰ্থেবাৰীৰ কাঁহ-শিল্পই আহোম স্বৰ্গদেউসকলৰ ৰাজত্বকালৰ পৰা বিশেষ মান্যতা লাভ কৰিছিল। জীউধন কঁহাৰ, পুষ্পৰাম কঁহাৰ আদিয়ে কাঁহ-শিল্পৰ ক্ষেত্ৰখনলৈ যথেষ্ট অৱদান আগবঢ়াইছিল। পৰৱৰ্তী সময়ত ইংলেণ্ডৰ ৰাণী ভিক্টোৰিয়াৰ ৰাজত্বকালত পুষ্পৰাম কঁহাৰে পত্নী পদ্মপ্ৰিয়া আৰু জীয়েক ভাগ্যেশ্বৰীৰ সৈতে 'জাঁতকাঁহী' এখন তৈয়াৰ কৰিছিল, লণ্ডনৰ শিল্প প্ৰদৰ্শনীত এই কাঁহীখন প্ৰদৰ্শন কৰা হৈছিল আৰু ৰাণীৰ দ্বাৰা প্ৰশংসিত হৈছিল। এই কাঁহীৰ সুনিপুণ শিল্প-কৰ্মত সন্তুষ্ট হৈ ৰাণীয়ে কঁহাৰক পুৰস্কৃত তথা 'জায়গীৰ' উপাধি প্ৰদান কৰিবলৈ নিৰ্দেশ দিছিল। এই পুষ্পৰাম কঁহাৰক অৱশ্যে চক্ৰান্ত কৰি জায়গীৰ পদৰ সলনি ছয় মাহৰ বানচ হিচাপে কেৱল আঠৈকুৰি টকা দিয়া হৈছিল। এই শিল্পীজনে কাৰুকাৰ্য খচিত ময়ূৰ গছা নিৰ্মাণ কৰিছিল। এই বিশেষ গছাবিধৰ ৪৪ টা অংশ এডাল লোৰ খিলাত সংলগ্ন কৰা আছে। এই বিশেষ ময়ূৰ গছাটোৰ জ্বলন্ত চাকিত তেল শেষ হ'লে গছাৰ শীৰ্ষত থকা ময়ূৰটোৰ ভিতৰত ভৰাই থোৱা তেল আহি চাকিত আপোনা-আপুনি পৰাৰ বিশেষ ব্যৱস্থা আছিল। বৰপেটা সত্ৰৰ ধাতুৰ দুৱাৰ, বিভিন্ন কীৰ্তনঘৰৰ গোসাঁই থোৱা আসন, কাৰুকাৰ্য খচিত চন্দ্ৰঝাৰি লোটা, বটা, কলচী, চমৰীয়া সত্ৰত থকা শৰাই, ত্ৰিশ পোৱা ওজনৰ ভোৰতাল আদি এই শিল্পীজনৰ নিৰ্মিত শিল্প। মূলং কঁহাৰ, তালুকদাৰ চুপাৰ জানকী তালুকদাৰ কঁহাৰ, পালকাটিয়াথৰ জপ্‌মল্ পাটোৱাৰী কঁহাৰ, ঘুটলে কঁহাৰ, পুৰণ আতাথেৰ চুপাৰ ভৱনাথ সদাগৰ কঁহাৰ, কাজিথেৰ চুপাৰ সিন্ধুমল পাঠক কঁহাৰ আদি ঊনৈশ শতিকাৰ আদিভাগৰ আছিল। ৰুদ্ৰমল পাটোৱাৰী, হৰেশ্বৰ বৰ্মন, দুৰ্গেশ্বৰ বৰ্মন, গংগাৰাম তামুলী কঁহাৰ আদি বিংশ শতিকাৰ কঁহাৰ। বিখ্যাত নাগফেটী বঁটা তৈয়াৰ কৰা ধৰণীধৰ ডেকা ওজা কঁহাৰ, অচ্যুৎ তামুলী, হলধৰ তামুলী, কৃষ্ণকান্ত তামুলী, কল্পনাথ ভূঞা, গিৰীশ ভূঞা, গোবিন্দ তামুলী, ৰাষ্ট্ৰপতিৰ পদকপ্ৰাপ্ত হৰেশ্বৰ ডেকা, ভগৱান ডেকা আদি কঁহাৰে সৰ্থেবাৰীৰ কাঁহ-শিল্পৰ গৌৰৱ কঢ়িয়াই আনিছে। বৰ্তমান সময়ত মহেশ্বৰ ডেকা আৰু তপন ডেকাই কাঁহ আৰু পিতলৰ পৰম্পৰাগত সামগ্ৰী তৈয়াৰ কৰি শিল্পটোত নতুন চমক সৃষ্টি কৰিছে।[২২] পৰীক্ষিত ডেকা আদি শিল্পীয়ে জাৰ্মান, চীনদেশ, ম্যানমাৰ আদি দেশতো নিজ শিল্প-কৰ্মৰে প্ৰশংসা বুটলিবলৈ সমৰ্থ হৈছে।

বৃটিছ চৰকাৰে খাজনা আদায়ৰ চলেৰে শোষণ কৰাৰ প্ৰতিবাদত সৰ্থেবাৰী তথা সৰুক্ষেত্ৰীৰ ৰাইজ মিলি প্ৰতিবাদী সভা পাতিছিল। তাৰ অন্যতম নেতা আছিল পুষ্পৰাম কঁহাৰ। পিছত তেওঁক অভিযুক্ত কৰি ছয় বছৰ সশ্ৰম কাৰাদণ্ড বিহা হৈছিল। জেলৰ ভিতৰত তেওঁ নিজ কৰ্ম কঁহাৰৰ কাম

কৰিবলৈ বিচাৰি কৰ্তৃপক্ষক অৱগত কৰিলে। কেৱল কাঁহ-শিল্প কৰ্মৰেহে জেলত সশ্ৰম কাৰাদণ্ড খাটিবলৈ তেওঁ মান্তি হ'ল। জেলৰ ভিতৰতে এখন গঢ়শাল তৈয়াৰ কৰি শিল্পবস্তু তৈয়াৰ কৰিবলৈ ধৰিলে। জেলৰ ভিতৰতে পুষ্পৰাম কঁহাৰে বিশেষ প্ৰকাৰৰ কাঁহী, বাটি তৈয়াৰ কৰিলে। এই কাঁহী, বাটিৰ আৰ্হি 'জেল কাঁহী' আৰু 'জেল বাটি' নামেৰে পৰিচিত হ'ল আৰু সময়ৰ লগে লগে এই আৰ্হিয়ে বিশেষ জনপ্ৰিয়তা লাভ কৰিবলৈ ধৰিলে। জেলৰ ভিতৰতে তেওঁ 'তামোলৰ থোক', ৩০ পোৱা ওজনৰ 'ভোৰতাল', এখন সুন্দৰ 'কাঁহৰ আৰ্চি' তৈয়াৰ কৰিছিল। জেল কৰ্তৃপক্ষই তেওঁৰ কৰ্মত সন্তুষ্ট হৈ তেওঁক মুকলি কৰিছিল।[২৩]

সৰ্থেবাৰীৰ দুজন বিখ্যাত কাঁহ-শিল্পী হৰেশ্বৰ ডেকা আৰু ভগৱান ডেকাই কাঁহ-শিল্পৰ ক্ষেত্ৰত দেখুওৱা নিপুণতাৰ বাবে সৰ্বভাৰতীয় পৰ্যায়ত সন্মানিত হৈ পুৰস্কাৰ লাভ কৰিছিল। হৰেশ্বৰ ডেকাই নাগফেটী বঁটা তৈয়াৰ কৰি ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ পৰা ৰাষ্ট্ৰপতি পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

বিংশ শতিকাত ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত সৰ্থেবাৰীৰ হলধৰ তামুলী কঁহাৰে যঁতৰত সূতা কাটি থকা বাপুজীৰ মূৰ্তি এটা কাঁহেৰে সাজি যথেষ্ট প্ৰশংসা লাভ কৰিছিল। ১৯২৬ চনত পাণ্ডুত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশনত গংগাৰাম তামুলী ওজা কঁহাৰৰ শিল্পকলা বিশেষভাৱে সমাদৃত হৈছিল। একোজন কঁহাৰে বিশেষ এবিধ শিল্প নিৰ্মাণত নৈপুণ্য লাভ কৰিছিল। ধৰণীধৰ ডেকাই কাঁহৰ বটা নিৰ্মাণৰ ক্ষেত্ৰত বিশেষ দক্ষ আছিল। তেওঁ ৭৯ বছৰ বয়সতো সাত কেজি ওজনৰ নাগফেটী বটা নিৰ্মাণ কৰিছিল। তেওঁ গঢ়া নাগফেটী বটাক 'ধৰণীৰ নাগফেটী' বুলি আখ্যা দিছিল।[২৪] মন্‌মিল ডেকা, কন্দৰ্প ডেকাই বাটিৰ জৰিয়তে সুনাম অৰ্জন কৰিছিল। অভি ভূঞাই তিনি কেজি ওজনৰ কাঁহৰ কলহ তৈয়াৰ কৰিছিল। তামুলী চুপাৰ কাঁহ-শিল্পীসকলে ভোৰতাল, ভূটীয়াতাল, ডফলা কাঁহী, বৌদ্ধ ধৰ্মত ব্যৱহৃত বিভিন্ন শিল্পজাত সামগ্ৰী তৈয়াৰ কৰি খ্যাতি লাভ কৰিছিল। ইয়াৰ উপৰিও আধুনিক শিল্প-সামগ্ৰী তৈয়াৰ কৰি বহুকেইজন কাঁহশিল্পীয়ে নতুনত্ব আনিবলৈ সক্ষম হৈছে। বিভিন্ন মূৰ্তি, মেজ, পালেং, চকী, বিভিন্ন আকৃতিৰ কলচী আদি তৈয়াৰ কৰিছে। কুঁহি ডেকা, জীৱেশ্বৰ ডেকা, হৰেণ ভূঞা আদিয়ে শিল্পী পেঞ্চনো লাভ কৰিবলৈ সক্ষম হৈছে।

**৪.২.৬ কাঁহ-শিল্পৰ চৰ্চা আৰু বিকাশত অসম কঁহাৰ সংঘৰ ভূমিকা ঃ**

সৰ্থেবাৰী অঞ্চলৰ জীৱন আৰু জীৱিকাৰ সৈতে কাঁহ-শিল্প জড়িত হৈ আছে। এই কাঁহ-শিল্পই অসমৰ কাঁহ-শিল্প ক্ষেত্ৰখনৰ বৃহৎ চাহিদা পূৰণ কৰিছে। পৰম্পৰাগতভাৱে শিল্পীসকলে পুৰুষানুক্ৰমে এই শিল্প তৈয়াৰ কৰাৰ কাম আয়ত্ত কৰে। বৃটিছসকল অহাৰ পিছত কুটীৰ-শিল্পৰ ক্ষেত্ৰখনত নানা পৰিৱৰ্তন আহে। পৰৱৰ্তী সময়ত মহাজনসকলে ভঙা কাঁহ-শিল্পীসকলক যোগান ধৰিলে। তাৰ বিনিময়ত শিল্পীসকলে কেৱল মহাজনসকলে দিয়া মজুৰিহে লাভ কৰিছিল। কেতিয়াবা

বাচনৰ ওজন, বাচন গঢ়িবলৈ দিয়া ভঙা কাঁহতকৈ অধিক হ'লে ঘাটি হোৱা কাঁহখিনি মজুৰিৰ পৰা কাটি লয়। ইয়াক 'মূলমাৰা' বুলি কোৱা হয়। কিন্তু গঢ়া বাচনৰ ওজন ভঙা কাঁহতকৈ অধিক হ'লে ওপৰঞ্চি কাঁহৰ মূল্য শিল্পীসকলে নাপাইছিল। ইয়াক 'বাল্টি' বুলি কয়। ইয়াৰ উপৰিও আকৌ কঁহাৰসকলৰ পৰা মহাজনসকলে গঢ়া প্ৰতি মোন কাঁহৰ বিপৰীতে এটকা কাটি লৈছিল। ইয়াক 'গাদী চট্‌কা' বুলি কয়।

কাঁহ-শিল্পীসকলে মহাজনসকলৰ পৰোক্ষ শোষণৰ প্ৰতিবাদত সংঘৱদ্ধ হৈ কাম কৰিবলৈ মন মেলিলে। সৰ্থেবাৰীৰ সুসন্তান, মুক্তিযোদ্ধা কুঁহিৰাম দাসৰ নেতৃত্ব আৰু সভাপতিত্বত ১৯৩৩ চনৰ ৫ নৱেম্বৰত কলবাৰীৰ 'নামৰ খলা'ত এখন সভা অনুষ্ঠিত হয়। এই সভাত বিভিন্ন ঠাইত গৈ বাহৰ পাতি কাঁহ কোবাই থকা শিল্পীসকলেও যোগদান কৰে। ৰজনীকান্ত গোস্বামী, নন্দেশ্বৰ দাস, গজেন্দ্ৰ মেম্বৰ আদিয়ে কাঁহ-শিল্পীসকলৰ বিভিন্ন সমস্যাৰ কথা আলোচনা কৰে। এই জাতীয় শিল্পটোৰ পুনৰ উদ্ধাৰ, ভঙা-কাঁহ শিল্পীসকলক ন্যূনতম মূল্যত যোগান, শিল্পীসকলক উপযুক্ত বানচ প্ৰদান আদি বিভিন্ন সমস্যাসমূহ সমাধান কৰাৰ অৰ্থে সৰ্থেবাৰীৰ কাঁহশিল্পীসকলৰ স্বাৰ্থত 'অসম কঁহাৰ সংঘ' স্থাপন কৰা হয়। আগ্ৰহী প্ৰতিজন কাঁহ-শিল্পীৰ পৰা ১০ টকাকৈ অংশ বিক্ৰী কৰি সভ্য ভৰ্তি কৰে। টকা দিব নোৱাৰাসকলে ভঙা-কাঁহ সংঘলৈ আগবঢ়ায়। ১৯৩৯ চনত অসম চৰকাৰৰ সমবায় আইনৰ অধীনত অসম সমবায় কঁহাৰ সংঘৰ পঞ্জীয়ন হয়। The Assam Co-operative Bell Metal Utinsel Manufacturing Society Limited নামেৰে বৰ্তমান সংঘটোৱে কাঁহ-শিল্পীসকলৰ উন্নয়নৰ অৰ্থে বিভিন্ন কাম কৰি আছে। কাঁহ-শিল্পীসকলক প্ৰয়োজনীয় ভঙা কাঁহ, এঙাৰ সুলভ মূল্যত যোগান ধৰা, উৎপাদিত সামগ্ৰী উপযুক্ত মজুৰিৰ বিনিময়ত শিল্পীসকলৰ পৰা ক্ৰয় কৰা, ক্ৰয় কৰা সামগ্ৰী অসমৰ বিভিন্ন ঠাইত থকা বিক্ৰী কেন্দ্ৰসমূহত বিক্ৰী কৰা আদি বিভিন্ন কাম এই সংঘই সম্পাদন কৰে। অংশীদাৰসকলৰ মাজত সংঘৰ লাভাংশ বিতৰণ কৰে। ইয়াৰ উপৰিও ৰোগাক্ৰান্ত, শাৰীৰিকভাৱে কাঁহ কোবাবলৈ অক্ষম শিল্পীসকলক আৰ্থিক অনুদান দিয়ে। কাঁহ-শিল্পীসকলৰ মেধাৱী সন্তানক উচ্চ শিক্ষাৰ বাবে অনুদান আগবঢ়োৱা আদি জনকল্যাণমূলক কামো সংঘই কৰে। এই সংঘত এটা সমূহীয়া ভাটি আৰু ১ লাখ ৮৩ হাজাৰ মূল্যৰ কাঁহ চেপা ৰোলিং মেচিন এটা আছে। ৫০ অশ্বশক্তিসম্পন্ন এই মিলটোৱে দৈনিক প্ৰায় ৫০০ মোন কাঁহৰ পিঠাবোৰক চেপি পাতৰ আকৃতি দিয়ে। বৰ্তমান এই সমবায়ৰ অংশীদাৰৰ সংখ্যা ১৯৯৫ জন। ইয়াৰ অংশ ৪,২৩০ খন।[২৫] ইয়াত অসম চৰকাৰৰো অংশ আছে। ইয়াৰ প্ৰধান কাৰ্যালয় সভাৰ খলাৰ পূৱ দিশত অৱস্থিত। বৰ্তমান এই সংঘৰ কাৰ্যালয়ৰ শাখা গুৱাহাটীৰ ফাঁচীবজাৰ, উলুবাৰী, গণেশগুৰি চাৰিআলি, দিশপুৰ (দুৰ্গামন্দিৰ), উত্তৰ লখিমপুৰ, সৰ্থেবাৰী নতুন বজাৰ, সৰ্থেবাৰী বাছ আস্থান, শিৱসাগৰ, তেজপুৰ, গোলাঘাট, পাঠশালা, উজান বজাৰ, উপৰহালী (বিজয় নগৰ) আৰু

বিশ্বনাথ চাৰিআলিত আছে। এই শাখাসমূহত কমেও ৭০ জন লোকে কৰ্ম-সংস্থাপন লাভ কৰি আছে। এই সংঘৰ কাৰ্য-নিৰ্বাহক সমিতিৰ ১২ জন সদস্য আছে। ইয়াৰ আঠগৰাকী প্ৰত্যক্ষভাৱে কাঁহ-শিল্পৰ লগত জড়িত 'ক' শ্ৰেণীৰ সভ্য আৰু চাৰিগৰাকী কাঁহ-শিল্পৰ লগত জড়িত পৰিয়ালৰ অনা-কঁহাৰ সভ্য। সমিতিখনৰ কাৰ্যকাল পাঁচবছৰ। সংঘৰ এখন নিজা সংবিধান আছে।

সৰ্থেবাৰীৰ কাঁহ-শিল্পৰ ক্ষেত্ৰখন সংগঠিত কৰাৰ ক্ষেত্ৰত অসম সমবায় কঁহাৰ সংঘৰ বিশেষ ভূমিকা আছে। বৰ্তমান সময়ত এই ব্যৱসায়টোৰ ৫০ শতাংশ এই সমবায়ৰ অধীনত আছে। প্ৰায় ১২০ খন গঢ়শাল কঁহাৰ সংঘৰ অধীনত আছে। 'অসম কঁহাৰ সংঘ'ত প্ৰায় ১০০০ জন শিল্পী অংশীদাৰ হৈ আছে। বাকী শিল্পীসকলৰো মজুৰি সংঘই নিৰ্ধাৰণ কৰে।

**৪.২.৭ অৰ্থনৈতিক আৰু স্বনিয়োজনৰ ক্ষেত্ৰত কাঁহ-শিল্পৰ ভূমিকা ঃ**

স্ব-নিয়োজনৰ ক্ষেত্ৰত কাঁহ-শিল্পই এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে। এই কাঁহ-শিল্পটো সৰ্থেবাৰীৰ বাহিৰেও চুবুৰীয়া গাঁওসমূহলৈও প্ৰসাৰিত হৈছে। এই গাঁওসমূহক সামৰি ৩০০ৰ পৰা ৩৫০ খন মান কঁহাৰশাল আছে।[২৬] এই কঁহাৰশালবোৰত পাঁচৰ পৰা সাতজনলৈ পালি কঁহাৰ নিয়োজিত হৈ আছে। বৰ্তমান প্ৰায় ২০০০ৰ পৰা ৩,১০০ জন শিল্পীয়ে কঁহাৰ শালত কাম কৰি আছে।[২৭] বিভিন্ন জিলাত থকা ১৬ খন বিক্ৰী-কেন্দ্ৰত ৭০ জন ব্যক্তি নিয়োজিত হৈ আছে। তদুপৰি কাঁহ বেপাৰী কিছুমানে কাঁহৰ দোকানৰ পৰা বা গঢ়শালৰ পৰা প্ৰত্যক্ষভাবে সামগ্ৰী নি অসমৰ গাঁৱে-ভূঁএে বিক্ৰী কৰি ব্যৱসায় কৰি আহিছে। সৰ্থেবাৰীৰ বিভিন্ন স্থানৰ উপৰিও আন আন অঞ্চলতো কাঁহৰ শিল্পজাত সামগ্ৰীৰ দোকান-পোহাৰ দি অৰ্থনৈতিকভাৱে কিছু লোক স্বাৱলম্বী হৈছে। কাঁহ-শিল্পৰ বাবে প্ৰয়োজনীয় লোৰ সঁজুলি যোগান ধৰিও জিলাখনৰ কমাৰ-শিল্পৰ লগত জড়িত লোকসকল অৰ্থনৈতিকভাৱে স্বাৱলম্বী হৈছে। কাঁহ-শিল্পৰ বাবে অতি প্ৰয়োজনীয় কেঁচা-সামগ্ৰী, এঙাৰৰ চাহিদা অতি বেছি। গঢ়শালসমূহত বৃহৎ পৰিমাণৰ এঙাৰৰ প্ৰয়োজন হয়। এঙাৰৰ ব্যৱসায়ৰ লগত বহুতো লোক জড়িত হৈ আছে। স্থানীয় লোক কিছুমানে পুৰণি ভঙা কাঁহ কিনি আনি কেঁচামালৰূপে কঁহাৰসকলক বিক্ৰী কৰে। কিছুমান লোকে কাঁহৰ পুৰণি সামগ্ৰী, যেনে— ডাঙৰ কাঁহী-বাটি আদি দিল্লী, হাৰিয়ানা আদি ঠাইত বেছি দামত বিক্ৰী কৰি স্বাৱলম্বী হৈছে। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ক্ষেত্ৰতো কাঁহ-শিল্পৰ চাহিদা আছে। ভূটান, নেপাল আদি ৰাষ্ট্ৰৰ পৰাও কাঁহৰ সামগ্ৰীৰ অৰ্ডাৰ আহে। বিশেষকৈ বৌদ্ধ ধৰ্মত ব্যৱহৃত চিমেন তাল, পচাং তাল, ভেৰি তাল— এই তিনিবিধ তাল সৰ্থেবাৰীৰ কঁহাৰসকলৰ পৰা তেওঁলোকে ক্ৰয় কৰে। বৌদ্ধ বিহাৰত ব্যৱহৃত ঘণ্টাৰ অৰ্ডাৰ কঁহাৰসকলে লাভ কৰে। উক্ত সামগ্ৰীসমূহে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ সমাদৰ লাভ কৰিছে। ভূটান আদিৰ ব্যৱসায়ীসকলে শিল্পবস্তুবোৰ চীন দেশলৈও ৰপ্তানি কৰা দেখা যায়। বাহিৰত কাঁহৰ সামগ্ৰী ৰপ্তানি কৰা ব্যৱসায়ীসকলক

স্থানীয় ভাষাত 'আৰবদাৰী' বুলি কয়। অসম সমবায় কঁহাৰ সংঘত ৰোলিং মেচিন অহাৰ পিছত ৫/৬ জন কৰ্মচাৰী বিশেষভাৱে প্ৰশিক্ষণপ্ৰাপ্ত হৈ এই মেচিন চলোৱাৰ লগত জড়িত হৈ আছে। তেওঁলোকে প্ৰতিদিনে প্ৰায় ২,০০০ কিলো কঁহাৰ লদা চেপি গোলাকাৰ চিটৰ ৰূপ দিয়ে। তদুপৰি ৰোলিং মেচিনত দিয়াৰ আগতে কঁহাৰ লদাবোৰ কঁহাৰ সংঘত থকা বৃহৎ ভাটিত জুইৰ সহায়ত গৰম কৰা হয়। ইয়াত বৃহৎ পৰিমাণৰ কাঠৰ প্ৰয়োজন হয়। সেই কাঠৰ লগত স্থানীয় ব্যৱসায়ীসমূহ জড়িত হৈ আছে।

দেখা যায় যে কাঁহ-শিল্পৰ লগত জড়িত কঁহাৰসকলৰ লগতে লোৰ সঁজুলি, কেঁচামাল, এঙাৰ, কাঠ আদি যোগান ধৰা ব্যৱসায়ীসকলৰ জীৱন-জীৱিকা এই শিল্পটোৰ লগত জড়িত হৈ আছে।

**৪.২.৮ লোক-সংস্কৃতিত কাঁহ-শিল্পৰ গুৰুত্ব ঃ**

লোক-সংস্কৃতিত কাঁহ-শিল্পৰ গুৰুত্ব অপৰিসীম। লোক-সংস্কৃতিৰ প্ৰতিটো ক্ষেত্ৰত কাঁহ-শিল্পৰ বিশেষ তাৎপৰ্য আছে। বৰপেটা জিলাৰ সমাজ, সংস্কৃতি, মৌখিক লোকবিদ্যা, লোকাচাৰ আদিত কাঁহেৰে প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰীৰ ব্যৱহাৰ তথা উল্লেখ মন কৰিবলগীয়া। আধ্যাত্মিক ক্ষেত্ৰখনতো কাঁহৰ শিল্পবস্তুৰ গুৰুত্ব আছে।

মৌখিক সাহিত্যত কাঁহৰ বাচন-বৰ্তন, সা-সঁজুলিৰ ব্যৱহাৰৰ উল্লেখ পোৱা যায়। ফকৰা-যোজনাত এনেদৰে উল্লেখ আছে --

"যোল্ল সেৰীয়া কাঁহী
সোণপুৰীয়া মাহী,
খুদ চাউলৰ ভাত,
আধা কৰচ তৰকাৰী,
তাৰো আধা ভাত, দুনাই নাই মাত।"[২৮]

আকৌ বিয়া গীতত কাঁহৰ সামগ্ৰীৰ ব্যৱহাৰ; কলহ, লোটা, কাঁহী-বাটি, চৰিয়া, টৌ আদিৰ উল্লেখ বৰপেটা জিলাৰ উপভাষাত ৰচিত বিয়াগীতত এনেদৰে পোৱা যায়—

"মাইৰে পিতাকে দান কৰিলা।
আৰো দান কৰিলা সণাৰে সঁফুৰা
উছৰ্গাৰ সময়ত পিতেকে সুধে।
মাই তোক কি বাচন লাগে এ।।
চুচ্কাঁহী লাগিব, জেলকাঁহী মোক লাগিব
অ' পিতা লাগিব দগ্দগী লতা হে।" [২৯]

আয়তীসকলে পানী তোলোঁতে গোৱা গীততো কাঁহৰ কলহ, ঘটী-লোটা আদি; দৰাক আদৰি

অনা গীতত কাঁহী, কলহ, বটা, দগ্‌দগী, বানবাটি আদিৰ উল্লেখ পোৱা যায়। বিবাহৰ দিনা দুপৰীয়া চোতালত নীতি-নিয়ম কৰোঁতে এনেদৰে গায়—

"ঘূৰিবি মাই ঘূৰিবি,
তালকে ঘূৰিবি
আপা যদি কেৰা হয়
আমাক নোদোষবি।।"[৩০]

কইনাৰ বিবাহৰ পিছৰ অৱস্থাক লৈ ৰচিত লোকগীতত এনেদৰে কাঁহৰ লোটাৰ আৱশ্যকতাৰ উমান পোৱা যায়—

"অ' সৰু দাদা অ' ডাঙৰ দাদা
নেদ্‌লি মোক ভোৰ্‌ধুৰা লটা।
শাহুৰে লটাইদি মই ভৰি ধুৱতে
শাহুই দেই জনমৰ খটা।।" [৩১]

বিবাহ-পৰ্বৰ উল্লেখযোগ্য অনুষ্ঠান পানীতোলা পৰ্বত কাঁহৰ লোটা, ঘটী, কলহৰ ব্যৱহাৰ কৰে। ঘৰৰ মুৰব্বী মহিলাগৰাকীৰ হাতত আনাকটা কাপোৰ দিয়া ডাঙৰ কাঁহৰ কলহ দিয়া হয়। এই সামগ্ৰীবোৰৰ ব্যৱহাৰ বৰপেটাৰ পানীতোলা গীতৰ প্ৰসংগত এনেদৰে পোৱা যায়—

"ৰাতিতে তুলিবা পানী এ অতি বৰ পোৱা
পূৰলী পৰিব পখী জল যাব চুৱা
উলে দিয়া কাঁহ-পিতল এ ভঙা ফুটা চাওঁ
ও আইদেউৰ বিবাহৰ পানী তুলিবাকে যাওঁ।।"

সামাজিক লোকাচাৰ, আচাৰ-অনুষ্ঠানৰ লগত কাঁহেৰে নিৰ্মিত সামগ্ৰী ব্যৱহাৰ কৰা হয়। সম্ভ্ৰান্ত ঘৰৰ লোকে খোৱা-বোৱাৰ ক্ষেত্ৰত কাঁহৰ বাচন-বৰ্তনহে ব্যৱহাৰ কৰা দেখা যায়। বিয়া, পূজা-পাৰ্বণ, ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ অভিন্ন অংগ হ'ল কাঁহৰ সামগ্ৰীসমূহ। সত্ৰকেন্দ্ৰিক বৰপেটা নৱ-বৈষ্ণৱ ধৰ্মৰ পবিত্ৰ স্থান। বৰপেটাৰ সমাজ-সংস্কৃতিত কাঁহৰ তালৰ বিশেষ চাহিদা আছে। মঞ্জিৰা তাল, খুটিতাল, বৰতাল, পাতিতাল আদি সত্ৰসমূহত চৈধ্য প্ৰসংগ, বীৰনাম, থিয়নাম, নাগাৰা নাম, মহিলাৰ নাম, যুগল প্ৰসংগ আদিত ব্যৱহৃত হয়। তদুপৰি এই তালসমূহৰ বৌদ্ধ ধৰ্মৰ লগতো গভীৰ সম্পৰ্ক আছে। ভেৰি, চিমেন, পচাং— এই বিশেষ আকৃতিৰ তাল বৌদ্ধ মঠত ব্যৱহৃত হয়। মঠ-মন্দিৰসমূহতো চাকি, ঘণ্টা, কাঁহৰ থাল আদি ব্যৱহাৰ কৰা হয়। মন্দিৰৰ মূৰ্তি, আসন, আদিও কাঁহেৰে তৈয়াৰ কৰা হয়।

সমাজৰ এক অন্যতম সামাজিক অনুষ্ঠান হ'ল বিবাহ অনুষ্ঠান। এই অনুষ্ঠানৰ বিভিন্ন উপলক্ষ্যত কাঁহৰ কাঁহী, কাঁহৰ ঘণ্টা, বাটি, কলহ, বটা আদি ব্যৱহাৰ হয়। দৰাক ৰাতি বিবাহৰ পিছত কইনাৰ ঘৰৰ ভিতৰলৈ নিমন্ত্রণ কৰি আনি মায়ং কাঁহীত নানা সুস্বাদু ব্যঞ্জন খাবলৈ দিয়াটো বৰপেটাৰ লোক-সমাজৰ এক বিশেষ লোকাচাৰ। বিয়া ঘৰত দৰা-কইনাক গা ধুৱাবৰ বাবে পানী তুলিবলৈ যাওঁতে কাঁহৰ কলহ, লোটা, ঘটী আদি লৈ যায়। কইনাক উপহাৰস্বৰূপে কাঁহৰ লোটা, চৰিয়া, বাটি, মায়ং বটা আদি অৰ্পণ কৰে। পিতৃ-গৃহত বিয়াৰ দিনা দৰা-কইনাই কাঁহৰ দাপনী হাতত লৈ থকাটো নিয়ম।

বৰপেটাৰ আন এক লোকাচাৰ হ'ল জেউঠা দিয়া লোকাচাৰ। এই লোকাচাৰত জেঠ মাহত ওপজা সন্তানটোক জেঠ মাহতে কাঁহৰ কাঁহী-বাটিত এসাজ ভালদৰে খুওৱা হয়। বিহু অনুষ্ঠানতো কাঁহৰ তালৰ ছন্দত নাচনীয়ে নৃত্য পৰিৱেশন কৰে। বিবাহ, নোৱাই তোলনী বিয়া আদিত দৰা বা কইনাই হাতত তামোল-পাণৰ বটাটো লৈ অতিথি আলহীক আপ্যায়ন কৰে। অন্নপ্রসন্ন অনুষ্ঠানত কাঁহৰ কাঁহী-বাটিত ভাতসাজ আগবঢ়ায়। চূড়াকৰণ আৰু উপনয়ণ অনুষ্ঠানতো কাঁহৰ বিভিন্ন সামগ্ৰীৰ প্ৰয়োজন হয়।

লোক পৰিৱেশ্য কলাসমূহতো কাঁহ-শিল্পৰ বিশেষ গুৰুত্ব আছে। ওজাপালি অনুষ্ঠানত কাঁহৰ তাল বজোৱা হয়। তদুপৰি সত্ৰৰ ভিতৰত গায়ন-বায়নসকলে তাল বজায়। ভাওনাত নানা প্ৰকাৰৰ তালৰ ঝংকাৰ সৃষ্টি হয়। ঢুলীয়া, খুলীয়া, তালীয়া আদিয়ে বিভিন্ন প্ৰকাৰৰ তাল ব্যৱহাৰ কৰে। বিভিন্ন সাহিত্যতো বৰপেটাৰ কাঁহৰ এই লোকবাদ্যসমূহৰ ব্যৱহাৰ সম্পৰ্কে উল্লেখ আছে। মনোমতী উপন্যাসত বৰপেটাৰ কাঁহৰ তালৰ বিষয়ে এনেদৰে আছে— "একান্তমনে গুৰু শংকৰ-মাধৱৰ নাম স্মৰণ কৰি ভকতসকলে কলীয়া ঠাকুৰৰ নাম ল'লে। তালিয়াই তাল বজালে, খুলীয়াই খোল বজালে, ৰাইজে হাতচাপৰি বজালে।"[৩২] লক্ষ্মীনাথ বেজবৰুৱাইও তেওঁৰ আত্মজীৱনীত বৰপেটা সত্ৰৰ হাতীখুজীয়া বাতিত জলপান গ্ৰহণ কৰাৰ কথা উল্লেখ কৰিছিল।

কাঁহৰ সামগ্ৰীক লৈ নানা লোকবিশ্বাস প্ৰচলিত হৈ আছে। সৰ্থেবাৰীৰ সভাৰ সময়ত কাঁহৰ গঢ়শালসমূহৰ কাম বন্ধ ৰাখে। কাঁহৰ বাচন-বৰ্তন খোৱা-বোৱাত ব্যৱহাৰ কৰিলে ৰোগমুক্ত হৈ থাকিব পাৰি বুলি বিশ্বাস কৰা হয়। ৰাতি কাঁহৰ কাঁহী-বাটিত কম্পন হ'লে ভূত, পিশাচে শুনিব বুলি বিশ্বাস কৰা হয়। কাঁহৰ সামগ্ৰীক মান-সন্মানৰ চিনস্বৰূপে গণ্য কৰা হয়। বৰপেটাৰ লোক-সংস্কৃতিত এনে বিভিন্ন দিশত কাঁহ-শিল্পৰ বিশেষ ভূমিকা আছে।

**৪.৩.৯ বৰপেটাৰ কাঁহ-শিল্পৰ বৰ্তমান আৰু ভৱিষ্যতৰ সম্ভাৱনীয় স্থিতি ঃ**

সাম্প্ৰতিক সময়ত সৰ্থেবাৰীৰ কাঁহ-শিল্পই অসমৰ লগতে ভাৰতৰো কাঁহ-শিল্পবস্তুৰ চাহিদা কিছু পৰিমাণে হ'লেও পূৰণ কৰিবলৈ সমৰ্থ হৈছে। বিশ্বায়নৰ প্ৰভাৱ বিভিন্ন ব্যৱসায়, কুটীৰ শিল্পত পৰাৰ দৰে কাঁহ-শিল্পৰ ক্ষেত্ৰখনতো পৰিছে। সাম্প্ৰতিক সময়ত অসমৰ বাহিৰত মেছিনত

উৎপাদিত কাঁহৰ সামগ্ৰীৰ আমদানি হোৱা দেখা গৈছে। এই সামগ্ৰীবোৰৰ দাম তুলনামূলকভাৱে কিছু কম হোৱা দেখা যায়। বিশ্বায়নৰ প্ৰভাৱত বজাৰত সস্তীয়া সামগ্ৰীৰ পয়োভৰ বঢ়াত কাঁহৰ ব্যৱহাৰ তুলনামূলকভাৱে কমি আহিছে। বৰ্তমান সময়ত কাঁহ-শিল্পৰ ক্ষেত্ৰখনত কিছুমান অসুবিধা দেখা গৈছে। এটা হ'ল, কেঁচামাল তথা ভঙা কাঁহ যোগানৰ নাটনি আৰু এঙাৰৰ নাটনি। শিল্প-সামগ্ৰীৰূপে বিদেশলৈ ৰপ্তানি হোৱা কাঁহবোৰ ব্যৱহাৰৰ অনুপযোগী হ'লে পুনৰ ঘূৰি অহা দেখা নাযায়। কেঁচামালৰ বাবে ফাঁচী বজাৰৰ ব্যৱসায়ৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। অসম সমবায় কঁহাৰ সংঘই প্ৰয়োজনৰ প্ৰায় পঞ্চাশ শতাংশহে পূৰণ কৰিব পাৰে। ভঙা কাঁহৰ মূল্য বৃদ্ধিয়েও শিল্পীসকলক বিপদত পেলায়। এঙাৰৰ বাবে পূৰ্বতে হাবিলৈ গৈ মৰা গছবোৰ গাত খান্দি জ্বলাই এঙাৰ তৈয়াৰ কৰিছিল। বৰ্তমান চৰকাৰে গছ কটাত নিষেধাজ্ঞা আৰোপ কৰিছে। এঙাৰ নহ'লে আফৰ জ্বলাব নোৱাৰি। তদুপৰি অসাধু ব্যৱসায়ী কিছুমানে সৰ্থেবাৰীৰ কাঁহৰ শিল্পবস্তু বুলি প্ৰলেপযুক্ত সস্তীয়া বস্তু বিক্ৰী কৰিবলৈ ধৰিছে। এইবোৰৰ বাহিৰেও উপযুক্ত প্ৰশিক্ষণৰ অভাৱ, উন্নত সা-সঁজুলিৰ অভাৱ, মূলধনৰ নাটনি, গড়শালৰ দুৰ্বল আন্তঃগাঁথনি, সাংগঠনিক দুৰ্বলতা আদি বিভিন্ন সমস্যা কাঁহ-শিল্পৰ ক্ষেত্ৰখনত পৰিলক্ষিত হৈছে।

চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিলে কাঁহ-শিল্প তথা ইয়াৰ লগত জড়িত শিল্পীসকলে যথেষ্ট সকাহ লাভ কৰিব। কাঁহ-শিল্পৰ কেঁচামাল সুলভ কৰিবলৈ সংকৰ ধাতু প্ৰস্তুত কৰিব পৰা উপযুক্ত কাৰিকৰী প্ৰশিক্ষকৰ দৰকাৰ হ'ব। ভেজাল সামগ্ৰী বিক্ৰী বন্ধ কৰিবলৈ সৰ্থেবাৰীত তৈয়াৰ হোৱা হস্তনিৰ্মিত শিল্পবস্তুৰ 'ট্ৰেড মাৰ্ক'ৰ ব্যৱস্থা কৰিব পাৰি। উৎপাদিত বস্তুবোৰ বিক্ৰীৰ বাবে উপযুক্ত যথেষ্ট সংখ্যক বিক্ৰী-কেন্দ্ৰ স্থাপন কৰাৰ প্ৰয়োজনীয়তা আছে। পৰ্যটক আৰু গ্ৰাহকক আকৰ্ষিত কৰিবলৈ উপযুক্ত বিজ্ঞাপনৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। এই কুটীৰ শিল্প-উদ্যোগটো অধিক শক্তিশালী ৰূপত গঢ় দিবলৈ উন্নত সা-সঁজুলি, কাৰিকৰী প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত।

**৪.৩ পিতল-শিল্প ঃ**

পিতল এবিধ মিশ্ৰ বা সংকৰ ধাতু। এই ধাতুৰ উপাদান সম্পৰ্কে বিভিন্ন মত পোৱা যায়। হেমকোষত ইয়াৰ অৰ্থ এনেদৰে আছে—

'হালধীয়া বৰণৰ এবিধ ধাতু (তাম আৰু দস্তাৰ মিশ্ৰণেৰে তৈয়াৰী এইবিধ সংকৰ ধাতু বাচন, ঘৰ সজোৱা বস্তু, মূৰ্তি আদি বনোৱাত ব্যৱহাৰ হয়)।'[৩৩]

*The Chambers Dictionary*ৰ মতে-- An allow of copper and zinc.

দস্তা আৰু তামৰ পৰিমাণ সম্পৰ্কে এনেদৰে পোৱা যায়—

> iqsdirectory.com ৰ মতে "The percentage of copper ranges between 60% to above 80% while the percentage of zinc ranges from less than 10% upto more than 40%".[৩৪]
>
> britannica.com ৰ মতে -- "brass, alloy of copper and zinc of historical and enduring importance because of its hardness and workability."[৩৫]

পিতল সম্পৰ্কে যি তথ্যই নাথাকক, এই ধাতুবিধৰ প্ৰয়োগেৰে পুৰণি কালৰ পৰাই অসমত ভিন্ন ধৰণৰ শিল্পবস্তু তৈয়াৰ কৰাৰ পৰম্পৰা এতিয়াও প্ৰচলিত আছে। বৰপেটাৰ সৰ্থেবাৰী অঞ্চলৰে সৰুক্ষেত্ৰী মৌজাত এই শিল্পৰ ব্যাপক চৰ্চা এতিয়াও হৈ আছে। এই সম্পৰ্কীয় ভিন্ন দিশবোৰৰ বিষয়ে পৰৱৰ্তী শিতানসমূহত বিশদভাৱে আলোচনা কৰা হৈছে —

**৪.৩.১ পিতল-শিল্পৰ ইতিহাস ঃ**

পিতল ধাতুৰ প্ৰথম আৱিষ্কাৰ সম্পৰ্কে পণ্ডিতসকলে ভিন্ন মত পোষণ কৰিছে। খ্ৰীঃপূৰ্ব চতুৰ্থ শতিকাত গ্ৰীক দাৰ্শনিক এৰিষ্টট'লে এবিধ ধাতুৰ উল্লেখ কৰিছিল যাক মছ্‌ছিনিছিৰ তাম বুলি কৈছিল। পণ্ডিতসকলে ইয়াকে পিতল বুলি কৈছিল।[৩৬] মধ্য-প্ৰাচ্যৰ এলকেমিষ্টসকলে কৃত্ৰিম সোণ কেনেকৈ তৈয়াৰ কৰিব পাৰি তাৰ বাবে যত্ন কৰিছিল। কৃত্ৰিম সোণ প্ৰস্তুত কৰিবলৈ যোৱা প্ৰচেষ্টাতে তাম আৰু দস্তাৰ মিশ্ৰণৰ ফলৰ এবিধ উজ্জ্বল ধাতুৰ সৃষ্টি হৈছিল। এলকেমিষ্টসকলে তাক কৃত্ৰিম সোণ বুলি কৈছিল যদিও পৰৱৰ্তী সময়ৰ ৰসায়নবিদ ৰ'জক আৰু শ্বৰলেমাৰৰ Roscoe and Schorlemar Chemistry গ্ৰন্থত এইবিধ ধাতুক Gold like ally of watch maker বুলি কৈছে।[৩৭]

ভাৰতৰ সংস্কৃত গ্ৰন্থত 'কাঞ্চন' শব্দই সোণ বুজাইছিল যদিও খ্ৰীষ্টীয় ৭ম শতিকামানৰ পৰা কাঞ্চন শব্দই সোণবৰণীয়া মিশ্ৰ ধাতুক বুজাবলৈ ধৰে। ৭ম শতিকাৰ ৰসায়নবিদ নাগাৰ্জুনৰ 'ৰসৰত্নাকৰ' গ্ৰন্থত ৰসকৰ সংযোগত কিদৰে তামক কাঞ্চনলৈ পৰিণত কৰা হয়, তাৰ বিষয়ে এনেদৰে পোৱা যায়— "কিমিএ বিচিত্ৰং, ৰসক কৰোতি শুশ্বং, ত্ৰিপুটেন কাঞ্চনম্। ৰসক - দস্তা, শুশ্বং - তাম, কাঞ্চন - পিতল।"[৩৮] সংস্কৃত ভাষাত পিতলক বিভিন্ন নামেৰে জনা যায়, যেনে— পিত্তল, ৰয়ি, ৰীতি, নাৰী, আৰকূট, কাকতুণ্ডী, ৰীতিকা আদি। প্ৰাচীন ভাৰতৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নালন্দা আদি বিশ্ববিদ্যালয়তো পিতল মিশ্ৰধাতু প্ৰস্তুতিৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছিল। অসমত পিতল-শিল্পৰ আৰম্ভণিৰ প্ৰামাণিক তথ্য পোৱা নাযায়। শালস্তম্ভ বংশৰ ৰজাসকলৰ দিনতো পিতলৰ ব্যৱহাৰ থকাটো সম্ভৱ বুলি প্ৰদীপ চলিহাদেৱে পুৰণি অসমৰ কাৰিকৰী শিল্প নামৰ গ্ৰন্থত উল্লেখ কৰিছে।[৩৯] বৌদ্ধ ধৰ্মৰ লগত পিতল

ধাতুৰ সম্পৰ্ক থকা দেখা যায়। বজ্রযান, সহজযান আদি বৌদ্ধ ধৰ্মৰ শাখাসমূহৰ লুইপা, মীননাথ আদি সিদ্ধাচাৰ্যসকলৰ সময়ত অৰ্থাৎ খ্ৰীঃ নৱম-দশম শতিকামানত বৌদ্ধ দেৱ-দেৱীৰ মূৰ্তি আৱিষ্কৃত হৈছিল। বৌদ্ধ ধৰ্মৰ বুদ্ধ, তাৰা, হাৰিতী, লোকেশ্বৰ, অৱলোকিতেশ্বৰ আদি বৌদ্ধ দেৱতাৰ পিতলৰ মূৰ্তিৰ প্ৰচলন থকাটোৱেই বেছি সম্ভৱ।[৪০] চৰ্যাপদতো কাঁহ-পিতলৰ ঘণ্টা, ঘটী, কলহ, নেপূৰ, কাহাল, ঝাঁঝৰ আদি শব্দৰ উল্লেখ পোৱা যায়।[৪১]

আহোম যুগত পিতল-শিল্পই প্ৰসাৰ লাভ কৰিছিল। আহোম স্বৰ্গদেউ, ডা-ডাঙৰীয়াসকলে সজাতি দল পঠিয়াই ভোট, চীন, তিব্বতৰ পৰা কাঁহ-পিতল আন বস্তুৰে সলাই আনিছিল বুলি হিতেশ্বৰ বৰবৰুৱাই **‘আহোমৰ দিনত’ নামৰ বুৰঞ্জী গ্ৰন্থখনত** উল্লেখ কৰিছে।[৪২] বৰবৰুৱাই উল্লেখ কৰা অনুসৰি “চৌনাৰ পৰা প্ৰায় চাৰিমাইল মানৰ দূৰতে জীগচুৰ নামে ঠাইত আমাৰ দেশৰ বেপাৰী আৰু ৰজাৰ সজাতিবিলাক গৈ গোট খায়গৈ। তালৈকে চৌনাত গোট খাই বেপাৰ কৰি থকা তিব্বতী আৰু চীনা বেপাৰীবিলাকো বেপাৰৰ বস্তু লৈ বেচা-কিনা কৰেহি। কাঁহ-পিতল, তাম এইদৰেই আমাৰ দেশলৈ অনা হৈছিল।”[৪৩] নৱ-বৈষ্ণৱ ধৰ্মত অতি আৱশ্যকীয় ধৰ্মীয় সামগ্ৰীৰূপে নানা পিতলৰ সামগ্ৰী ব্যৱহাৰ কৰা হৈছিল। সত্ৰীয়া সংস্কৃতিৰ অভিন্ন অংগ ঠগী, শৰাই, বিভিন্ন প্ৰকাৰৰ তাল, যেনে -- মঞ্জিৰা, খুঞ্জৰী, পাতিতাল, বৰতাল, ভোৰতাল, টৌ, চৰিয়া, কলহ, ঘটী, সঁফুৰা, গছা, ডবা আদি পিতলেৰে নিৰ্মিত। ঘৰুৱা সা-সঁজুলিৰ গাগৰি, কলহ, হেতা আদি পিতলৰ আছিল। তুৰ্বকে অসম আক্ৰমণ কৰাৰ সময়ত বহুতো সৈন্য বন্দীৰূপে ৰখা হৈছিল। এই মুছলমান সৈন্যখিনি পিতলৰ কামত পাৰদৰ্শী আছিল। তেওঁলোকক ‘মৰিয়া’ নামে জনা যায়। প্ৰবাদ মতে, “এই বন্দী হৈ অসমত থাকি যোৱা সৈন্যখিনি উত্তৰ-পশ্চিম ভাৰতৰ ঠাঠাৰ বা পিতল শিল্পী মানুহ আছিল”।[৪৪] হাজো অঞ্চল এই মৰিয়া লোকসকলৰ বাসস্থান। বৰ্তমান সময়ত হাজো, সৰ্থেবাৰী, বনিয়াকুছি, মুগছিতহে পিতলৰ শিল্পবস্তু নিৰ্মাণৰ কাম চলি আছে।

**৪.৩.২ পিতলৰ শিল্প-সামগ্ৰীৰ নিৰ্মাণ-পদ্ধতি ঃ**

প্ৰাচীন অসমত পিতল প্ৰস্তুত কৰা দুটা পদ্ধতিৰ বিষয়ে জনা যায়। এটা হ’ল তাম (copper) আৰু দস্তা মিহলাই জুইত গলাই পিতল প্ৰস্তুত প্ৰণালী। দ্বিতীয়টো হ’ল পিতল জুইত গৰম কৰি নিয়াৰিত হাতুৰীৰে পিটি পিটি সামগ্ৰী তৈয়াৰ কৰা পদ্ধতি। প্ৰথম পদ্ধতিটোৰে মাটিৰ সাঁচত ঢালি মূৰ্তি আৰু ঘৰত ব্যৱহাৰ কৰা সৰু বা মজলীয়া আকাৰৰ সামগ্ৰী তৈয়াৰ কৰা হৈছিল। দ্বিতীয় পদ্ধতিটোৰে টৌ, চৰিয়া, শৰাই, গাগৰি, কলহ আদি ডাঙৰ সামগ্ৰীবোৰ তৈয়াৰ কৰা হৈছিল। মৰিয়াসকলে এই পদ্ধতিৰ ব্যৱহাৰ কৰে। বৰ্তমান সময়ত এই দ্বিতীয় পদ্ধতিটোৰ প্ৰচলন বেছি।[৪৫] দেখা যায় যে নিয়াৰিত খুন্দি গঢ়া সঁজুলি আৰু সাঁচত ঢালি প্ৰস্তুত কৰা সঁজুলিৰ মাজত তাম, দস্তা মিশ্ৰণৰ পৰিমাণৰ অনুপাতৰ পাৰ্থক্য আছে। অসমত আহোম যুগৰ শেষৰ সময়ৰ ফালে পিতলৰ পাত

উত্তৰ ভাৰতৰ পৰা আনি সদাগৰসকলে অসমত যোগান ধৰিছিল। ইয়াক ঢাৰি পিতল বুলি কোৱা হয়। কমাৰসকল বা কঁহাৰসকলৰ দৰে পিতল-শিল্পীসকলৰো ঘৰৰ সন্মুখতে বাঁহৰ ঢাৰি, টিনপাতেৰে সজা পিতলশাল থাকে। পিতলৰ সামগ্ৰী তৈয়াৰ কৰা স্তৰসমূহ এনেধৰণৰ —

**প্ৰথম স্তৰ** ঃ পিতলৰ চাক্‌বোৰ কিনি আনি বাচনৰ নিৰ্দিষ্ট জোখত কাটি লোৱা হয়। এই পদ্ধতিত কাপোৰ কটাৰ নিচিনা জোখ মিলাই কাটি লোৱা হয়।

**দ্বিতীয় স্তৰ** ঃ এই স্তৰত টুকুৰাবোৰৰ ভাঁজ-ভুঁজবোৰ দিয়া হয়। কাঠৰ টুকুৰাৰ ওপৰত পিতলৰ কাটি লোৱা চাকটুকুৰা থৈ পিটি নিৰ্দিষ্ট আকৃতিলৈ নিয়া হয়।

**তৃতীয় স্তৰ** ঃ এই স্তৰত নিৰ্দিষ্ট আকাৰ দিয়া টুকুৰাবোৰক পায়েনৰ সহায়ত জোৰা দি সামগ্ৰীবিধ তৈয়াৰ কৰা হয়।

**চতুৰ্থ স্তৰ** ঃ জোৰা লগা অংশবিলাক ভাটিৰ জুইত দি জোৰাবোৰ নিয়াৰিত থৈ হাতুৰীৰে কোবাই বাচনৰ গঢ় দিয়া হয়। বৰ্তমান ভাটিৰ কাম জ্বালাই মেছিনৰ সহায়ত কৰা হয়।

**পঞ্চম স্তৰ** ঃ এই স্তৰত তৈয়াৰ হোৱা আহিলাবিধ হাতুৰীৰে কোবাই নিমজ কৰা হয় আৰু এচিড পানীৰে ধুই পৰিষ্কাৰ কৰা হয়।

**ষষ্ঠ স্তৰ** ঃ তৈয়াৰ হোৱা সামগ্ৰীবিধ কুন্দত দি মিহি কৰি প্ৰয়োজন অনুসাৰে ফুল, পাত, লতা আদি বাগী বা ছেনাৰ সহায়ত কটা হয়। এই পদ্ধতিত শৰাই তৈয়াৰৰ লগত জড়িত কোবোৱাজনক 'কঁহাৰ' বোলে। মথাজনক 'মাইথ্‌নাৰ', খন্তা মাৰি চাফা কৰাজনক 'কাইট্‌নাৰ' বোলে; মাজৰ অংশ তৈয়াৰ কৰাজনক 'মাজৰ মানুহ' আৰু শৰাইৰ তলৰ অংশ তৈয়াৰ কৰাজনক 'তলৰ মানুহ' বোলে।

**৪.৩.৩ পিতল-শিল্পৰ শিল্পবস্তু নিৰ্মাণৰ বাবে ব্যৱহাৰ হোৱা সঁজুলি ঃ**

পিতল-শিল্পীসকলে শিল্পজাত সামগ্ৰীবোৰ তৈয়াৰ কৰাৰ ক্ষেত্ৰত বিভিন্ন সা-সঁজুলি ব্যৱহাৰ কৰে। এই সঁজুলিবোৰৰ কিছুমান অৱশ্যে কাঁহ-শিল্পজাত সামগ্ৰী নিৰ্মাণত প্ৰয়োজন হোৱা সামগ্ৰীৰ সৈতে একে। পিতল-শিল্পীসকলে শিল্প নিৰ্মাণত ব্যৱহাৰ কৰা সঁজুলিবোৰ হ'ল—

**নিয়াৰি** ঃ লোৰ ঘূৰণীয়া টুকুৰা। ইয়াৰ ওপৰত পিতলৰ টুকুৰাটো থৈ পিটি পিটি বাচনৰ গঢ় দিয়া হয়। ইয়াৰ বিভিন্ন প্ৰকাৰ আছে— যেনে ঃ বৰনিয়াৰি, মজলীয়া আকাৰৰ বেলমুৰি, দুয়োফালে জোঙা মুখৰ মজলীয়া নিয়াৰি, সৰু আকৃতিৰ নিয়াৰি ইত্যাদি।

**হাতুৰী** ঃ পিতলৰ সামগ্ৰী কোবাই নিৰ্দিষ্ট আকৃতি দিবলৈ ব্যৱহৃত হয়। বিভিন্ন আকাৰ, আকৃতিৰ হাতুৰী আছে। যেনে— বৰ হাতুৰী, গলকোবোৱা হাতুৰী, দ হাতুৰী, মজলীয়া হাতুৰী, বটালি হাতুৰী, কাণহেঁচা হাতুৰী, চৰুৱা হাতুৰী, চৰ কেওচ দিয়া হাতুৰী ইত্যাদি।

**সৰাহ** ঃ সৰাহ গৰম সামগ্ৰীবোৰ ধৰিবলৈ ব্যৱহাৰ কৰে। লোৰে নিৰ্মিত ই এবিধ চেপেনাৰ দৰে আহিলা। আকাৰ, আকৃতি অনুযায়ী সৰাহৰ বিভিন্ন প্ৰকাৰ আছে— চেপেনাৰ দৰে পোন সৰাহ, চেপেটা মুখ থকা পাত সৰাহ, আগবেঁকা আকোঁৰা সৰাহ, জোঙা মুখ থকা বেজীমুখীয়া সৰাহ, ডাঙৰ শকত কমাৰী সৰাহ ইত্যাদি।

**গাজ বা কাটি** ঃ পিতলৰ চাকবোৰ নিৰ্দিষ্ট জোখত কাটিবলৈ ব্যৱহাৰ কৰা লোৰে নিৰ্মিত ধাৰ থকা কেঁচী সদৃশ সঁজুলি।

**ৰেতি** ঃ ৰেতি লোৰে তৈয়াৰী। সামগ্ৰীবোৰ ৰেতিৰ সহায়ত ঘঁহি ঘঁহি মিহি আৰু নিমজ কৰা হয়।

**বাগী** ঃ বাগী লোৰে নিৰ্মিত সঁজুলি; ফুলকটা, ৰেখা টনা, মুখ বেঁকা বটালিৰ দৰে এবিধ আহিলা।

**লোৱাল** ঃ লোৰে নিৰ্মিত পিতলৰ সামগ্ৰীবোৰ চাফা কৰিবলৈ লোৱাল ব্যৱহাৰ কৰা হয়। ফুল কটা লোৱাল, কুন্দলোৱাল আদি লোৱালৰ ভাগ।

**পাওৰা** ঃ পানী থ'বলৈ ব্যৱহৃত কাঠ বা মাটিৰ পাত্ৰ।

**গগৰা** ঃ গৰম বস্তু ধৰিবলৈ খেৰেৰে সজা আধাৰ।

**কুন্দশাল** ঃ তৈয়াৰ হোৱা পাত্ৰ মিহি কৰিবলৈ বা ৰেখা টানিবলৈ কুন্দত দিয়া হয়।

**আফৰ** ঃ পিতল গৰম কৰিবলৈ ব্যৱহৃত জুইশাল।

**ভাটি** ঃ ছাগলীৰ ছালেৰে তৈয়াৰী জুই জ্বলোৱা যতন। বৰ্তমান ব্লোৱাৰ মেছিন ব্যৱহাৰ কৰা হয়।

উক্ত সঁজুলিবোৰৰ বাহিৰেও পায়েন মটি, ঢেকা, চাত্‌লি বা চাতুলি (বৰ চাত্‌লি, ফেঁটী চাত্‌লি, খৰ্‌কা চাত্‌লি ইত্যাদি) মাটিৰ মুহী, কাঠৰ দ টুকুৰা, আঠা দিবলৈ ব্যৱহাৰ কৰা সুৱাগা (পিতল আৰু দস্তাৰ গুৰি মিশ্ৰিত আঠা), আকে, খন্তা, কম্পাছ, বুলি, আকোঁৰা, ছেনা (থুল ছেনা, ফুলকটা ছেনা ইত্যাদি) কুন্দৰ চুঙা আদি সঁজুলি পিতল-শালত ব্যৱহৃত হয়।

### ৪.৩.৪ পিতল-শিল্পৰ বিবিধ শিল্প-সামগ্ৰী ঃ

পূৰ্বৰে পৰা অসমত পিতলৰ শিল্প-সামগ্ৰীৰ যথেষ্ট সমাদৰ আছে। আহোম স্বৰ্গদেউসকল আৰু ডা-ডাঙৰীয়াসকলেও পিতলেৰে তৈয়াৰী নানা ধৰণৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ কথা বুৰঞ্জীৰ পাতত পোৱা যায়। চৰ্যাপদতো পিতলৰ শিল্পজাত কলহ, ঘণ্টা আদিৰ উল্লেখ পোৱা যায়। শংকৰী যুগৰ সাহিত্যতো পিতলেৰে নিৰ্মিত নানা সামগ্ৰীৰ উল্লেখ পোৱা গৈছে। নৱ-বৈষ্ণৱ যুগৰ আধ্যাত্মিক ক্ষেত্ৰখনৰ লগত তাল, টৌ, চৰিয়া, কলহ, শৰাই আদি বিশেষ সম্পৰ্কযুক্ত সামগ্ৰী। শংকৰী যুগত টৌ, বটা, শৰাই, জঁকা, বৰচৰিয়া, চৰিয়া, গাগৰী, কলহ, লোটা, অমৃতি, গাখীৰৰ পিতলৰ কৰীয়া, তামোলৰ টেমা, সঁফুৰা, বতুৱা, হেতা, পিতলৰ ধান জোখা দোন, গছা, তাৰু বা পিতলৰ পাগমাৰি, কৰ্চলি বা

চেপেটা নালৰ হেতা, কাঢ়নী ধান সিজোৱা হেতা, চেকা কাঁহী, ভোগজৰা, চূণৰ টেমা, কটাৰীৰ ডাব, দুনৰী, হেংদান, তৰোৱালৰ খাপ, কলচী, হাতখুন্দনা, তামুলী পীৰা, পিতলেৰে ঢকা কাঠৰ দুৱাৰ, আকাশ বন্তি, তুৰী, কালি আদি সঁজুলিৰ প্ৰচলন আছিল।[৪৬] বৰ্তমান সময়ত ধৰ্মীয় কাৰ্য, ঘৰুৱা ব্যৱহাৰৰ উপৰিও শোভাৱৰ্ধনকাৰী সামগ্ৰীৰূপে নানা পিতলৰ সামগ্ৰীৰ প্ৰচলন আছে। বৰপেটা জিলাত তৈয়াৰ হোৱা পিতলৰ কেতবোৰ সামগ্ৰী হ'ল—

ধৰ্মীয় কাৰ্যত ব্যৱহৃত, বিশেষকৈ সত্ৰ-মন্দিৰৰ চাকিৰ গছা, ভোৰতাল, মন্দিৰৰ কলচী, মন্দিৰৰ চক্ৰ, পিতলৰ গছা, সত্ৰৰ বৃহৎ আকাৰৰ থালি, পিতলৰ ধৰ্মীয় মূৰ্তি, পিতলৰ গুৰু-আসন, পিতলৰ ডবা, খোল-তাল, শৰাই, বৌদ্ধ বিহাৰৰ মন্দিৰৰ চক্ৰ, দোনা ইত্যাদি।

দৈনন্দিন জীৱন তথা অন্যান্য বিভিন্ন কামত ব্যৱহৃত পিতলৰ সামগ্ৰীবোৰ হ'ল— টৌ, চৰিয়া, কলহ, বটা, থাল, খৰাহী, গিলাচ, ট্ৰে, কাঢ়নী, জাপি, থালি, হেতা, গাগৰী, ডুণৰি, সজাবলৈ ব্যৱহৃত কলগছ, স্মাৰক ইত্যাদি।

**৪.৩.৫ পিতল-শিল্পৰ লগত জড়িত শিল্পীসকল ঃ**

বৰপেটা জিলাৰ সৰ্থেবাৰী, বনিয়াকুছি, হালধিবাৰী, লচিমা, আমৃখোৱা, বৰশলা, ব্যাসকুছি, বাঘমাৰা, কামাৰপাৰা, নসত্ৰ, গহিয়া, শিংৰা, হিলেপাৰা, কামাৰপাৰা, বেঙাপাৰা, চিনাদি, বৰঘোপা, বেলবাৰী, বৰপেটাৰ বদুৰুৰটুপ আদি ঠাইত পিতলৰ শাল আছে। এই ঠাইসমূহৰ শিল্পীসকলে ঘৰুৱাভাৱে শাল পাতি পিতল শিল্পজাত সামগ্ৰীসমূহ নিৰ্মাণ কৰি আহিছে। একোখন পিতল-শালত প্ৰায় চাৰিৰ পৰা পাঁচজনকৈ শিল্পী নিয়োজিত হৈ আছে। উল্লেখযোগ্য যে শালসমূহত বিভিন্ন প্ৰকাৰৰ শিল্পজাত সামগ্ৰী তৈয়াৰ হয় যদিও কিছুমান ঠাইৰ শালসমূহৰ বিশেষ কেতবোৰ শিল্পবস্তু তৈয়াৰ কৰাৰ বাবে সুনাম আছে। বনিয়াকুছি, আমৃখোৱা, লচিমা, হালধিবাৰী, নসত্ৰ আদি ঠাইৰ শিল্পীসকলৰ শৰাই তৈয়াৰ কৰাৰ ক্ষেত্ৰত বিশেষ সুনাম আছে। হালধিবাৰী, আমৃখোৱা নামৰ ঠাইখনত পিতলৰ 'ট্ৰে' কোবোৱা শাল বেছিকৈ আছে। হিলেপাৰা নামৰ ঠাইত শৰাইৰ ঢাকোন বিশেষভাৱে তৈয়াৰ কৰা হয়।[৪৭]

উল্লেখ্য যে শৰাই বনোৱা পিতল শাল একোখনৰ ক্ষেত্ৰত শৰাইখনৰ ভিন ভিন অংশবোৰৰ বেলেগ বেলেগ কাৰিকৰৰ হতুৱাই নিৰ্মাণ কৰা হয়। সেই অনুসৰি বিশেষ একোটা অংশ নিৰ্মাণৰ ক্ষেত্ৰত শিল্পীসকলৰ বিশেষ দক্ষতা থাকে। শৰাইৰ পয়ৰা, কাচি, কাচিচুঙা, ঠগীধৰা, নখি, হাইৰা, কাঁহী, চুলা, ঢাকোন আদি অংশৰ গঠন, আকৃতি সুকীয়া আৰু গোটেইখিনি শিকিবলৈ শিল্পী এজনক যথেষ্ট সময়ৰ প্ৰয়োজন হয়।[৪৮] এই শিল্পবস্তু উৎপাদনৰ সৈতে জড়িত শিল্পীসকল হ'ল -- বনিয়াকুছিৰ হৰিদাস দাস, হৰেকৃষ্ণ ডেকা, হিতেশ দাস, ধীৰাজ দাস, হৰেণ দাস, সোণামল সাউদ, খৰ্গেশ্বৰ ডেকা, মথুৰা চন্দ্ৰ ডেকা, বাপুৰাম দাস, ৰমাকান্ত ডেকা, জিতু ভৰালী, তৰু ডেকা, দেৱী ডেকা। হালধিবাৰীৰ

কৰুণা ডেকা, হৰিহৰ ডেকা আদি। যতীন ডেকা, শৰৎ ডেকা আদি আমৃখোৰা অঞ্চলৰ। প্ৰফুল্ল ৰায়, গৌতম ডেকা আদি লচিমাৰ। হৰেণ ডেকা, সুভাষ ডেকা গহিয়াৰ। অজিত ৰয়, ধৰণী বৰ্মন, গিৰিশ ডেকা আদি বৰপেটা টাউনৰ। বুদৰুৰটুপ নিবাসী কালিচৰণ দাস, যাদৱ দাস, প্ৰতাপ দাস, জীতেন্দ্ৰ নাথ দাস, বনমালী দাস, কাৰ্তিক দাস আদি। উল্লেখযোগ্য যে বনিয়াকুছি নিবাসী হৰিদাস দাসে নিৰ্মাণ কৰা সামগ্ৰীসমূহ ভাৰতৰ বিভিন্ন ঠাইৰ লগতে দেশ-বিদেশলৈও ৰপ্তানি হৈছে। বৰপেটা সত্ৰ, পাটবাউসী সত্ৰৰ ২০০ কেজি মান মগুৰ একেলগে তিয়াব পৰা ৬০ কেজি ওজনৰ পিতলৰ থালি তেওঁৰ পিতল-শালত তৈয়াৰ কৰা। ইয়াৰ বহল প্ৰায় ১০ ফুটমান। তদুপৰি দিল্লীৰ প্ৰগতি ময়দানত অনুষ্ঠিত হোৱা কুটীৰ শিল্প মেলাত ২০০৫ চনত তেওঁ পিতলৰ জাপিৰ বাবে পুৰস্কৃত হয়। কলিকতাৰ চায়েন্স চিটি, মণিৰাম দেৱান ট্ৰেড চেণ্টাৰৰ মেলাতো তেওঁ অংশ লৈছে। 'ধীৰাজ শৰাই শিল্প' নামৰ প্ৰতিষ্ঠানটোৰ তেওঁ স্বত্বাধিকাৰী। পিতলৰ কলগছ বনোৱা কাম তেওঁ প্ৰথমে আৰম্ভ কৰে। তদুপৰি পিতলেৰে মহাত্মা গান্ধী, আম্বেদকাৰ, বিভিন্ন লোকৰ ছবি নিৰ্মাণ কৰিছে। তেওঁ বনোৱা পিতলৰ গুৰু-আসন আমেৰিকা, ভূটান আদিলৈও ৰপ্তানি হৈছে। সৰুক্ষেত্ৰী মৌজাৰ হালধিবাৰীত স্থাপন কৰা সত্ৰৰ শৰাই, চাকি, গছা আদি অজ্ঞাত এজন ব্যক্তিয়ে তৈয়াৰ কৰিছিল। সেই সময়ৰ পৰাই উক্ত অঞ্চলসমূহত পিতলৰ কাম আৰম্ভ হয়। বিংশ শতিকাত সৰুক্ষেত্ৰী অঞ্চলৰ জননেতা বাপুৰাম দাসে এই শিল্পৰ প্ৰসাৰত আগভাগ লয়।[৪৯] বৰপেটাৰ বুদৰুৰটুপৰ প্ৰতাপ দাস, কৃষ্ণকান্ত দাস, ওমপ্ৰকাশ দাস, ৰমানন্দ দাস আদিসকল 'প্ৰতাপ কাঁহ-পিতল শিল্পালয়ৰ স্বতাধিকাৰী, বুদৰুৰটুপৰে জীতেন্দ্ৰ নাথ দাস 'বৰোদা কাঁহ-পিতল শিল্পালয়'ৰ স্বতাধিকাৰী; বুদৰুৰটুপৰে কাৰ্তিক দাস 'বনমালী কাঁহ-পিতল শিল্প-কেন্দ্ৰ'ৰ স্বত্বাধিকাৰী। এওঁলোকে প্ৰধানকৈ ভোৰতালৰ অৰ্ডাৰ লাভ কৰে। ভূটান, অৰুণাচলৰ পৰাও তালৰ অৰ্ডাৰ আহে। আগতে সৰুক্ষেত্ৰী মৌজাত পাঁচশতকৈও অধিক পিতল-শাল আছিল। বৰ্তমান সৰুক্ষেত্ৰীত ৪০ খন মান পিতলশাল আছে।[৫০] বৰপেটা সদৰত বৰ্তমান পাঁচখন পিতল-শাল আছে।

**৪.৩.৬ লোক-সংস্কৃতিত পিতল-শিল্পৰ গুৰুত্ব ঃ**

লোক-সংস্কৃতিত পিতল-শিল্পৰ বিশেষ গুৰুত্ব আছে। অসমৰ সমাজ-জীৱনত অতীজৰে পৰা পিতলেৰে নিৰ্মিত সা-সঁজুলিৰ ব্যৱহাৰ দেখা যায়। আধ্যাত্মিক ক্ষেত্ৰৰ লগতে দৈনন্দিন লোক-জীৱনৰ লগতো পিতল-শিল্প সংপৃক্ত হৈ আছে। লোকসংস্কৃতিৰ আটাইকেইটা ভাগতে পিতল শিল্প-সামগ্ৰীৰ গুৰুত্ব দেখা যায়। লোক-সাহিত্যত পিতল-শিল্পজাত সামগ্ৰীৰ উল্লেখ পোৱা যায়। ফকৰা-যোজনাত পিতলৰ ঘটী, সঁফুৰা, শৰাই, লোটা আদিৰ উল্লেখ পোৱা যায়। উদাহৰণস্বৰূপে ---

ক) "ক'ত পাম ঘটীটো, ক'ত পাম লোটাটো
ক'ত পাম পিতলৰ বটা

কাইলৈ আহিব ফটুৰৈ ফটাটো

ক'ত পাম কঁঠালৰ এঠা।"

খ) "আলসুৰা তিৰী, গাত নাই চিৰি

জোটা-জোটে পিন্ধি যায় পিতলৰ বিৰি।"[৫১]

বিবাহ-কাৰ্যতো পিতলৰ কলহ, লোটা, শৰাই, চৰিয়া আদিৰ আৱশ্যক হয়। বৰপেটা অঞ্চলৰ বিয়াগীতত এনেদৰে পিতলৰ শিল্পজাত সামগ্ৰীৰ উল্লেখ আছে ---

"আইদেউৰ পদূলিতে হালি আছে নল

কলহে কলহে ঢালে যমুনাৰে জল।"

দৰাক কলগছৰ গুৰিত ধুৱাবলৈ নিয়াৰ সময়ত গোৰা গীতৰ মাজত পিতলৰ উল্লেখ আছে। উদাহৰণস্বৰূপে ---

"কাঁহীত কৰি আনিছে মাৰে পিতলৰে কাকে।

কলৰ গুৰিত বহা বাপু ধুৰবাকে লাগে।"

বিবাহৰ এক গুৰুত্বপূৰ্ণ পৰ্ব হ'ল পানীতোলা পৰ্ব। পানীত তুলিবলৈ যাওঁতে পিতলৰ কলহ, ঘটী আয়তীসকলে হাতে হাতে লৈ যায়। বৰপেটাৰ পানীতোলা গীতত উল্লেখ থকা অনুসৰি --

জল এৰি দিয়া হৰি হে নিও কলসী ভৰি হে

জল এৰি দিয়া আই জলকুঁৱৰী মুঠিতে আনিছোঁ কৰি এ

জল এৰি দিয়া আই জলকুঁৱৰী আনিয়া পাতালৰ পানী এ

বৰপেটা জিলাৰ সৰ্থেবাৰী অঞ্চলত দুৰ্গা পূজাৰ ৰাতি চুবুৰীয়ে চুবুৰীয়ে অবিবাহিতা ছোৱালীসকলে দেৱী পূজা পাতে। সেই পূজাৰ গীতত পিতলৰ ডবাৰ উল্লেখ পোৱা যায় ---

"দ্বীপৰ মাৰিয়া মাৰে চাৰি দাৰ

মাৰে দেৱীৰ ঘৰত ডবা

তোমাৰ নিজ দাসে পূজা দিছে আই

মাতৃ হাত পাতি ল'বাহে ৰাম।"

বৰপেটাৰ দৌলৰ গীতসমূহত পিতলৰ এনেদৰে উল্লেখ পোৱা যায় ---

"বৰপেইটা কীত্তান এনে তপেশ্বৰা

পিতালে বন্ধুআ বেৰা হে ৰাম।"[৫২]

বৰপেটা জিলাৰ লোকাচাৰতো পিতল-শিল্পৰ গুৰুত্ব আছে। অসমীয়া সমাজ জীৱনত শৰাইখনে এক বিশেষ স্থান অধিকাৰ কৰি আছে। গণ্য-মান্যজনক পিতলৰ শৰাই সন্মানৰ প্ৰতীকৰূপে আগবঢ়োৱা

হয়। শৰাইত তামোল-পাণ আগবঢ়াই সমাজৰ দায়-দোষ ভঙা হয়। আকৌ ধৰ্মীয় ক্ষেত্ৰতো শৰাইখনে এক বিশেষ স্থান লাভ কৰে। মাননি, গামোচা মান্যজনলৈ শৰাইখনতে দিয়া হয়। মঠ-মন্দিৰেই হওক বা সত্ৰ নামঘৰেই হওক, সকলোতে শৰাইৰ ওপৰতে বুট-মগুৰেৰে প্ৰসাদ আগবঢ়োৱা হয়। সত্ৰ, নামঘৰসমূহত পিতলৰ গছা, কলহ আদিৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। বিবাহ-কাৰ্যত পানী তুলিবলৈ যাওঁতে আয়তীসকলে পিতলৰ কলহ হাতে হাতে লৈ পানী তুলিবলৈ যায়। মন্দিৰ, সত্ৰ, নামঘৰ আদিৰ মুধচত পিতলৰ কলচী লগোৱা দেখা যায়।

সত্ৰকেন্দ্ৰিক জিলাখনত সত্ৰ, নামঘৰৰ সংখ্যা যথেষ্ট। বৰপেটাৰ আধ্যাত্মিক ক্ষেত্ৰখনত নৱ-বৈষ্ণৱ ধৰ্মৰ যথেষ্ট প্ৰভাৱ আছে। সত্ৰীয়া সংস্কৃতিৰ অপৰিহাৰ্য অংগ হ'ল তাল আৰু ডবা। বিভিন্ন নাম প্ৰসংগ অনুযায়ী ভোৰতাল, পাতিতাল, খুঞ্জুৰী, বৰতালৰ ব্যৱহাৰ দেখা যায়। বৰপেটাতে ভোৰতাল নৃত্যৰ সৃষ্টি হৈছিল। এই তাল সম্প্ৰতি বৰপেটাৰ পিতল-শিল্পীসকলেই নিৰ্মাণ কৰে। নাগাৰা নাম, থিয়নাম, পালনাম, যুগল-প্ৰসংগ, ওজাপালি, ভাওনা বৰপেটাৰ সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ অংশ।

**৪.৩.৭ বৰপেটাৰ পিতল-শিল্পৰ বৰ্তমান আৰু ভৱিষ্যতৰ সম্ভাৱনীয় স্থিতি ঃ**

পিতল-শিল্পজাত সামগ্ৰীৰ গুৰুত্ব বৰ্তমানেও অক্ষুণ্ণ আছে। লোক-সংস্কৃতিত পিতলৰ শিল্পবস্তুৰ গুৰুত্ব অপৰিসীম। অৱশ্যে সাম্প্ৰতিক সময়ত আন শিল্পসমূহত বিশ্বায়নৰ প্ৰভাৱ পৰাৰ দৰে পিতল শিল্পৰ ক্ষেত্ৰতো বিশ্বায়নৰ প্ৰভাৱ পৰিছে। অসমৰ বাহিৰত মেছিনৰ সহায়ত উৎপাদিত পিতলৰ শিল্পজাত বস্তুৱে বজাৰ দখল কৰা দেখা গৈছে। মেছিনত তৈয়াৰ হোৱা বস্তুবোৰৰ দাম কম হোৱা পৰিলক্ষিত হয়। কিন্তু থলুৱা শিল্পীয়ে নিৰ্মাণ কৰা সামগ্ৰীৰ দাম কিছু বেছি হোৱাৰ বাবে গ্ৰাহকৰ সঁহাৰি কমি আহিছে। শিল্পবস্তুৰ দাম বেছি হোৱাৰ কাৰণ হ'ল শিল্পীৰ শ্ৰম আৰু হস্তনিৰ্মিত স্বকীয় কাৰুকাৰ্য। বৰ্তমান সময়ত পিতল-শিল্পীসকলে সন্মুখীন হোৱা এটা সমস্যা হ'ল কেঁচামালৰ নাটনি। পিতলৰ পাতবোৰৰ দামৰ ক্ষেত্ৰত শিল্পীৰ হাত নাথাকে। পাতবোৰ বেপাৰীয়ে নিৰ্ধাৰণ কৰা দামতে ক্ৰয় কৰিব লগা হয়। কিন্তু শিল্পজাত বস্তুসমূহ নিৰ্ধাৰিত দাম এটাতহে বিক্ৰী কৰে। কিছু বছৰৰ আগলৈকে পিতলৰ লোটা, কাঁহী, চৰিয়া, হেতা, থাল আদিৰ বহুল ব্যৱহাৰ দেখা গৈছিল। কিন্তু সম্প্ৰতি মানুহৰ জীৱন-শৈলীলৈ অহা পৰিৱৰ্তনৰ ফলত পিতল-শিল্পজাত সামগ্ৰীৰ ব্যৱহাৰ ক্ৰমান্বয়ে হ্ৰাস হৈ অহা পৰিলক্ষিত হৈছে। ইয়াৰ ফলত শিল্পবস্তুবোৰৰ চাহিদাও হ্ৰাস পাই আহিছে। বৰ্তমান এলুমিনিয়াম, ষ্টিল, প্লাষ্টিক আদিৰে নিৰ্মিত সঁজুলিয়ে পিতলৰ শিল্পবস্তুৰ স্থান বহু ক্ষেত্ৰত দখল কৰিছে।

সৰুক্ষেত্ৰীত তৈয়াৰ হোৱা পিতলৰ জাপি, শৰাই আদি বিশেষ বৈশিষ্ট্যযুক্ত। বনিয়াকুছিৰ শৰাই অসম বিখ্যাত। বৰপেটা সদৰত তৈয়াৰ হোৱা ভোৰতাল, নাগাৰাৰ খোলৰ চাহিদাও খুব বেছি। এই

শিল্পবস্তুবোৰ ক্ৰয় কৰিবলৈ বিভিন্ন ঠাইৰ পৰা গ্ৰাহক আহে। ভৱিষ্যতে এই শিল্পবিধে আৰু অধিক প্ৰসাৰ লাভ কৰিবলৈ হ'লে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আছে। সেই ব্যৱস্থাবোৰ হ'ল—

(ক) শিল্পীসকলক পৰ্যাপ্ত কেঁচামালৰ যোগান ধৰিব লাগিব। এই ক্ষেত্ৰত চৰকাৰৰ সহযোগিতাৰ প্ৰয়োজন আছে।

(খ) উৎপাদনকাৰী শিল্পী, বজাৰ-ব্যৱস্থা আৰু কেঁচামাল যোগানকাৰীৰ মাজত অধিক সু-সমন্বয় ব্যৱস্থাৰ প্ৰয়োজনীয়তা আছে।

(গ) চৰকাৰে থলুৱা সামগ্ৰী আৰু বাহিৰৰ সামগ্ৰী চিনাক্তকৰণৰ বাবে বিশেষ ট্ৰেডমাৰ্কৰ ব্যৱস্থা কৰিব পাৰে।

(ঘ) দৰিদ্ৰতাৰ গ্ৰাসত পৰা বৃদ্ধ, ৰুগীয়া শিল্পীসকলক সাহাৰ্য্য প্ৰদানৰ ব্যৱস্থা কৰিব পাৰে।

(ঙ) নতুন প্ৰজন্মৰ মাজত প্ৰশিক্ষণ শিবিৰ পাতি উপযুক্ত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব পাৰে।

## ৪.৪ লো-শিল্প

### ৪.৪.১ লো-শিল্পৰ ইতিহাস ঃ

মানুহে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা লো ধাতুৰ আৱিষ্কাৰ সোণ-ৰূপ আদি ধাতুতকৈ অৰ্বাচীন। অনাটলীয়া ৰাজ্যৰ হিটাইটসকলক পৃথিৱীৰ প্ৰথম লো আৱিষ্কাৰক বুলি পুৰাতত্ত্ববিদসকলে স্বীকাৰ কৰিছে।[৫৩] হিটাইটসকলে খ্ৰীষ্টজন্মৰ তিনি হেজাৰ বছৰ পূৰ্বে লো ধাতু ব্যৱহাৰ কৰি নানা অস্ত্ৰ-শস্ত্ৰ গঢ়িছিল। তেওঁলোকৰ ৰাজ্য পতনৰ পিছত চীনাসকলে কমাৰ বিদ্যা শিকিছিল আৰু আন আন ঠাইলৈও এই লো শিল্প বিয়পি পৰিছিল।[৫৪]

খ্ৰীষ্টপূৰ্ব নৱম শতিকামানৰ পৰা কেইবাখনো দেশত লোৰ ব্যৱহাৰ হ'বলৈ ধৰে। ভাৰতবৰ্ষত লোৰ ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰামাণিক তথ্য পোৱা যায় ঋক্ বেদত। ঋক্ বেদত 'অয়স্' শব্দই ধাতু, সোণ, লো আদি সকলোকে বুজাইছিল। [৫৫] কৃশনৰ অৰ্থ লো। হৰিৎ+অয়স্ মানে সোণ। হৰিতৰ অৰ্থ হ'ল হালধীয়া। গতিকে কৃষ্ণ+অয়স মানে হ'ল কৃষ্ণায়স বা লো। বৈদিকোত্তৰ যুগৰ বিভিন্ন সাহিত্যত লো ধাতুৰ উল্লেখ পোৱা যায়। কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ', চৰক সুশ্ৰুতৰ 'বৈদ্যশাস্ত্ৰ', নাগাৰ্জুন আচাৰ্য্যৰ 'ৰসায়ন শাস্ত্ৰ'ত লো ধাতু সম্পৰ্কে বিৱৰণ আছে। প্ৰাচীন অভিধান 'অমৰকোষ'তো লোৰ বিভিন্ন প্ৰতিশব্দৰ উল্লেখ পোৱা যায়।

অসমত ৫ম শতিকাৰ মহাৰাজ মহাভূতি বৰ্মাৰ ৰাজত্বৰ পৰা ১২শ শতিকাৰ ৰজা পৃথুৰজাৰ সময়লৈকে বহুতো ৰজা-মহাৰজাৰ শাসন কালত লোৰ অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ হৈছিল। উত্তৰ গুৱাহাটীৰ কানাই বৰশীবোৱা শিলালিপিত অস্ত্ৰৰে তুৰস্ক বাহিনীক অসমীয়াই পৰাস্ত কৰিছিল বুলি উল্লেখ পোৱা

যায়।[৫৬] প্ৰাচীন কামৰূপৰ মঠ-মন্দিৰ, অট্টালিকা আদি নিৰ্মাণ কৰোঁতে শিলৰ বৃহৎ খণ্ডবোৰ লোৰ শলাৰে লগোৱা হৈছিল। বামুণীপৰ্বত, নুমলীগড়ৰ দেও পৰ্বত অথবা ধুবুৰীৰ ব্ৰহ্মপুত্ৰৰ পাৰত থকা নেতাই ধুবুনী ঘাটৰ খট্খটিত লো শলাৰে জোৰা লগোৱা শিলাখণ্ড দেখা যায়।

উদ্ভৱকালীন অসমীয়া সাহিত্য চৰ্যাপদতো কুঠাৰ, টাঙ্গী (বটালি) আদি লোৰে নিৰ্মিত সামগ্ৰীৰ উল্লেখ পোৱা যায়।[৫৭]

"বৰগুৰু ৰঅণে কুঠাৰে চিদিঅ।
কাহ্ন ফণই তৰু পুনু ন উইজঅ।।"

প্ৰাক্-শংকৰী যুগৰ সাহিত্যতো লোৰ সামগ্ৰীৰ উল্লেখ পোৱা যায়। আহোম শাসন কালত লোৰ সামগ্ৰীৰ যথেষ্ট ব্যৱহাৰ হৈছিল। সেই কালত বৰহিলৈ, তৰকী, তংকী, পহলঙি, চুটিয়া হিলৈ, জুমুৰী, গঠীয়া, পেটকটা হিলৈ, চেঙা হিলৈ, খৰা হিলৈ আদি বিভিন্ন প্ৰকাৰৰ বৰটোপ লোৰে নিৰ্মাণ কৰা হৈছিল। বন্দুকৰ ভিতৰত খৰা হিলৈ, ৰামচণ্ডী, মুঠীয়া হিলৈ আদি; তৰোৱালৰ ভিতৰত হেংদান, তৰোৱাল, সোণীয়া হেংদান (সোণ খটোৱা হেংদান), ৰূপীয়া হেংদান (ৰূপ খটোৱা হেংদান), চন্দ্ৰহাঁস, দুমুখীয়া তৰোৱাল, দাখৰ (ডাঙৰ তৰোৱাল); ৰণৰ সঁজুলিৰ ভিতৰত জাখৰ (যুদ্ধত পিন্ধা বৰ্ম বা লোৰ শিকলিৰে গোঠা চোলা), টকয়া বা ৰণ টুপী (ৰণত পিন্ধা কাণ থকা লোৰ টুপী) আদি লোৰে নিৰ্মাণ কৰা হৈছিল।[৫৮] স্বৰ্গদেউ চুহুংমুং দিহিঙীয়া ৰজাই পোনপ্ৰথমে কমাৰ খেল পাতিছিল। পৰৱৰ্তী সময়ত স্বৰ্গদেউ প্ৰতাপ সিংহ আৰু স্বৰ্গদেউ জয়ধ্বজ সিংহৰ ৰাজত্ব কালত ভাটীৰ পৰা অহা কমাৰসকলো এই কমাৰ খেলতে সোমাইছিল। মধ্যযুগত শিৱসাগৰ জিলাৰ তিৰুপথাৰ, নগাপৰ্বতৰ নামনি অঞ্চল, কামৰূপ জিলাৰ চান্দডুবি, লোহাৰঘাট, জয়ন্তীয়া ৰাজ্যৰ জোৰাই আদি ঠাইত উৎকৃষ্ট লো মাটি পোৱা গৈছিল। আহোম স্বৰ্গদেৱে আহোম-চুটিয়া-বৰাহী লগ লগাই লো প্ৰস্তুতকাৰী 'তিৰুৱাল' বৃত্তিয়াল মানুহৰ খেল গঠন কৰিছিল। এই 'তিৰুৱাল'সকলে তীখা প্ৰস্তুত কৰাৰ নিয়মো জানিছিল। এই লোকসকলৰ মাজত সাংকেতিক ভাষাত লো পগোৱা কিছুমান গোপন আৰ্য্যা আছিল। সেই সময়ত জুলীয়া লো ঢালি গঢ়া বা ঢলা লোৰে বৰহিলৈ নিৰ্মাণৰ প্ৰচলন আছিল।

**৪.৪.২ লোৰ শিল্প-সামগ্ৰীৰ নিৰ্মাণ-পদ্ধতি ঃ**

লোৰ সামগ্ৰী নিৰ্মাণ কৰিবলৈ লো বা তীখাৰ প্ৰয়োজন হয়। অসমৰ কমাৰসকলে লোৰে নিৰ্মিত সামগ্ৰী তৈয়াৰ কৰিছিল যদিও সেই লো নিজে প্ৰস্তুত কৰি লোৱা নাছিল। অসমত লো প্ৰস্তুত কৰিবলৈ 'তিৰুৱাল' নামৰ বৃত্তিয়াল মানুহ আছিল। তেওঁলোকক 'লোশলীয়াও' বোলা হৈছিল। এওঁলোকে লো মাটি পগাই কেঁচা লো উলিয়াই লৈছিল। সেই লো আকৌ লোশালত পগাই কৰৈ, নাহৰ আদি টান কাঠৰ গুড়ি মিহলি কৰি নিয়াৰিত পিটি তীখা প্ৰস্তুত কৰিছিল।[৫৯] প্ৰাচীন অসমত লো

গলাই মাটিৰ সাঁচত ঢালি বৰটোপ, বৰহিলৈ আদি ডাঙৰ আকাৰৰ সামগ্ৰী তৈয়াৰ কৰা হৈছিল।

কমাৰসকলে বৰ্তমান ঘৰৰ সন্মুখতে কমাৰশাল একোখন তৈয়াৰ কৰি লয়। লোৰ শিল্পজাত সামগ্ৰী তৈয়াৰ কৰা প্ৰক্ৰিয়াটো এনেধৰণৰ ---

**প্ৰথম স্তৰ** ঃ কমাৰ শিল্পীসকলে স্থানীয় দোকানৰ পৰা লো বা তীখাৰ টুকুৰা বা পাতি ক্ৰয় কৰি আনি তৈয়াৰ কৰিব লগা সামগ্ৰীৰ আকাৰ, আকৃতি অনুযায়ী নিৰ্দিষ্ট পৰিমাণৰ লো গাজ, চেনী বা কাটনীৰ সহায়ত কাটি লয়।

**দ্বিতীয় স্তৰ** ঃ লোৰ টুকুৰাটো ভাটিতে গৰম হ'বলৈ দিয়া হয়। নিৰ্দিষ্ট উষ্ণতা লাভ কৰাৰ পাছত গৰম হোৱা লোৰ টুকুৰাটো সৰাহৰ সহায়ত উলিয়াই আনি নিয়াৰিত থৈ পিটা হয় আৰু সামগ্ৰীবিধে তেতিয়াই নিৰ্দিষ্ট আকৃতি লাভ কৰে। সেই সামগ্ৰীবিধক পুনৰ ৰেতি বা ফাইলৰ সহায়ত ধাৰ দিয়া হয়।

**চতুৰ্থ স্তৰ** ঃ নিৰ্দিষ্ট আকৃতি লাভ কৰা ধাৰ থকা সামগ্ৰীবিধ পুনৰ ভাটিৰ জুইত দি গৰম কৰা হয়। তেওঁলোকে এই প্ৰক্ৰিয়াটোক 'টেম্পাৰ দিয়া' বুলি কয়। এই প্ৰক্ৰিয়াত সামগ্ৰীবিধৰ ধাৰ আৰু জোৰ বৃদ্ধি কৰা হয়। "পাগ ধৰোঁতে তপত ৰঙা দা-কটাৰীৰ পানীত ধাৰটো জুবুৰিয়াই তৎক্ষণাত উলিয়াই আনি, তাত ৰামধেনুৰ দৰে ওলোৱা ৰং চাই, প্ৰয়োজনীয় ৰং নুলালে তৎক্ষণাত পুনৰ পানীত জুবুৰিয়াই থৈছিল।"[৬০]

**পঞ্চম স্তৰ** ঃ টেম্পাৰ দিয়াৰ পাছত সানৰ সহায়ত ধাৰ বৃদ্ধি কৰা হয়। লগতে নালটোও লগাই দিয়া হয়। বৰ্তমান প্লাষ্টিকেৰে নিৰ্মিত নালৰ ব্যৱহাৰ বৃদ্ধি পাইছে যদিও মধুৰী আম, বাঁহ আদি গছৰ নালৰ চাহিদাও যথেষ্ট আছে।

**৪.৪.৩ লো-শিল্পৰ শিল্পবস্তু নিৰ্মাণৰ বাবে ব্যৱহাৰ হোৱা সঁজুলি ঃ**

**ভাটি বা হাতিনা** ঃ ছাগলীৰ ছালেৰে বনোৱা জুইত বতাহ দিবলৈ ব্যৱহাৰ কৰা সঁজুলি। বৰ্তমান আফৰত বতাহ দিবলৈ ব্লোৱাৰ মেছিন ব্যৱহাৰ কৰা হয়।

**নিয়াৰি** ঃ লো থৈ পিটিবলৈ ব্যৱহাৰ কৰা লোৰ আহিলা। ভাটিৰ জুইত গৰম হোৱা লোখিনি নিয়াৰিৰ ওপৰত থৈ নিৰ্দিষ্ট গঢ় দিয়া হয়। কমাৰে ডাঙৰ নিয়াৰি ব্যৱহাৰ কৰা দেখা যায়। কিছুমান সঁজুলিৰ নিৰ্মাণত ঢেকা বা সৰু নিয়াৰিও ব্যৱহাৰ কৰে।

**হাতুৰী** ঃ লোৰে নিৰ্মিত কোবাবলৈ ব্যৱহৃত এবিধ আহিলা। হাতুৰীৰ বিভিন্ন প্ৰকাৰ আছে। যেনে ঃ বৰ হাতুৰী, মাজু হাতুৰী বা টোপোলা গোচ ইত্যাদি।

**সৰাহ** ঃ গৰম লো জুইৰ পৰা উলিয়াবলৈ ব্যৱহৃত চেপেনা সদৃশ সঁজুলি। সৰাহ কেইবা প্ৰকাৰৰ আছে। যেন ঃ পাত সৰাহ, আঁকোৱা সৰাহ, চেনী ধৰা সৰাহ, গাল সৰাহ,

বেজী সৰাহ, কমাৰী সৰাহ, পোন সৰাহ ইত্যাদি।

**চেনী** ঃ লো কাটিবলৈ ব্যৱহৃত সঁজুলি। বেনা বা বিহা, বাগী আদি চেনীৰ প্ৰকাৰ।

**শান শিল** ঃ সঁজুলিসমূহত ধাৰ দিবলৈ ব্যৱহাৰ কৰা শিল।

**নাওৰা** ঃ কমাৰশালত পানী থ'বলৈ ব্যৱহৃত কাঠ বা মাটিৰ পাত্ৰ।

**ৰোটি বা ও** ঃ এই সঁজুলিবিধৰ সহায়ত লোৰ সামগ্ৰী ঘঁহি ধাৰ উঠোৱা হয়।

**এঙাৰ** ঃ কমাৰশালত ভাটিত লো তপত কৰিবলৈ এঙাৰৰ ব্যৱহাৰ হয়।

**পঞ্চু** ঃ লোৰ আহিলাসমূহত ফুটা কৰিবলৈ ব্যৱহৃত সঁজুলি।

**আখল শলা** ঃ ভাটিৰ নলীত থকা ফুটা চাফা কৰিবলৈ ব্যৱহৃত লোৰ শলা।

দেখা যায় যে লো-শিল্প নিৰ্মাণৰ লগত জড়িত প্ৰায়খিনি সামগ্ৰী লোৰে নিৰ্মিত।

**৪.৪.৪ লো-শিল্পৰ বিবিধ শিল্প-সামগ্ৰী ঃ**

**কটাৰী** ঃ লোৰে নিৰ্মিত বিভিন্ন বস্তু কাটিবলৈ ব্যৱহৃত সঁজুলি। ইয়াৰ আকাৰ অনুযায়ী বিভিন্ন প্ৰকাৰৰ আছে। ডাব কটাৰী, নলীয়া কটাৰী, মাজুৰা কটাৰী, হাতনি কটাৰী ইত্যাদি।

**দা** ঃ বস্তু কাটিবলৈ ব্যৱহৃত লোৰে নিৰ্মিত সঁজুলি। মাছ-মাংসৰ পৰা আৰম্ভ কৰি বিভিন্ন টান গোটা বস্তু দাৰ সহায়ত কটা হয়। ইয়াৰ বিভিন্ন প্ৰকাৰ আছে। যেনে ঃ কপিদা, মিতদা, খামতিদা, মেচীদা, নগাদা, বলিকটা দা, নাকৈদা আদি।

**কোৰ** ঃ মাটি চহ কৰিবলৈ ব্যৱহৃত লোৰ সঁজুলি। ইয়াৰ নালটো বাঁহৰ।

**কুঠাৰ** ঃ খৰি ফালিবলৈ বা গছ কাটিবলৈ ব্যৱহৃত আহিলা। যেনে ঃ গছ কটা কুঠাৰ, পৰশু কুঠাৰ আদি।

**যাঠি** ঃ আগ জোঙা, খুচি জীৱ-জন্তু, মাছ আদি ধৰিবলৈ ব্যৱহৃত আহিলা। আকাৰ, আকৃতি অনুযায়ী ইয়াৰ বিভিন্ন প্ৰকাৰৰ আছে। যেনে ঃ যাঠি, শেল, শঁকালি, কচ, বৰ্ছি আদি।

**চিপৰাং** ঃ মাটি খান্দিবলৈ ব্যৱহৃত আহিলা।

**নাঙলৰ ফাল** ঃ নাঙলৰ আগ অংশত থকা চেপেটা হাল বোৱা সঁজুলি। ফাল সাধাৰণতে দুই প্ৰকাৰৰ। ফলীয়া আৰু গোটা নাঙলৰ ফাল।

**কাঁচি** ঃ ধান, বন কাটিবলৈ ব্যৱহৃত পাতল ধাৰ থকা লোৰ সঁজুলি।

**খন্তি** ঃ বন নিৰাবলৈ বা মাটি খুচৰিবলৈ ব্যৱহৃত আহিলা।

**কেঁচী** ঃ বিভিন্ন বস্তু কাটিবলৈ ব্যৱহাৰ কৰা সঁজুলি।

**জালৰ গুলি** ঃ লাঙিজাল, খেৱালী জাল আদিত ব্যৱহৃত লোৰ বিশেষ টুকুৰা।

**ধুম** ঃ মাটি চেপেটা কৰি বহাবলৈ ব্যৱহৃত আহিলা।

এই সামগ্ৰীবোৰৰ বাহিৰেও ঘৰুৱা সঁজুলিৰ ভিতৰত শিকলি, জাঁতি বা বেইৰা, গুল, বৰশী, কালি, ক্ষুৰ ডেগ (পানী তপতোৱা লোৰ সামগ্ৰী); কাৰিকৰী ক্ষেত্ৰত ব্যৱহৃত বটালি, কৰত, হাঁতোৰা, লুৰৰি, গজাল আদি; ধৰ্মীয় ক্ষেত্ৰত ব্যৱহৃত সঁজুলিৰ ভিতৰত লোৰ গছা, ত্ৰিশূল, মন্দিৰৰ চক্ৰ আদি; কমাৰ, কঁহাৰ আৰু সোণাৰী-শালৰ সঁজুলিৰ ভিতৰত চাতুলি বা চাত্‌লি, নিয়াৰি, মাঠনী, লোৱাল, খন্তা, ৰেতি, বৰগৰা, সৰুগৰা, সৰাহ, চেপেনা আদি কমাৰসকলে প্ৰস্তুত কৰে।

**৪.৪.৫ লো-শিল্পৰ লগত জড়িত শিল্পীসকল ঃ**

বৰপেটা সত্ৰ স্থাপনৰ সময়ত প্ৰথম সত্ৰাধিকাৰ মথুৰাদাস বুঢ়া আতাই সত্ৰৰ হাটীসমূহত হীৰা, কমাৰ, মুখী আদি বিভিন্ন বৃত্তিয়াল মানুহক সত্ৰৰ কাম-কাজত সহায় কৰিবলৈ স্থাপন কৰিছিল। সেই সময়ত আন আন বৃত্তিয়ালৰ লগতে বৰপেটাত কমাৰ শিল্পীও যথেষ্ট আছিল।

মধ্যযুগত বৰপেটাৰ বৃন্দাবনহাটী, বুদৰুৰটুপ, মন্দিয়া, বৰনগৰ আদি ঠাইত তিনিশতকৈও বেছি কমাৰ শিল্পীৰ পৰিয়ালে বসতি স্থাপন কৰিছিল। বৃটিছ শাসন কালতো বৰপেটাৰ কমাৰ-শিল্প যথেষ্ট আগবঢ়া আছিল। ব্ৰিটিছ শাসন কালত বৰপেটাৰ বৃন্দাবনহাটীৰ শ্ৰীকমাৰে পানীত চলিলে শব্দ নোহোৱা লোৰ নাও নিৰ্মাণ কৰিছিল। পৰৱৰ্তী সময়ত এই নাওখন ব্ৰিটিছ চৰকাৰে জব্দ কৰিছিল। বৰপেটাৰ এজন বিখ্যাত কমাৰ শিল্পী আছিল শংকৰচৰণ দাস। তেওঁ বৃহৎ আকৃতিৰ গছা নিৰ্মাণ কৰিছিল। মন্দিয়াৰ কালিচৰণ দাসে বৃহৎ আকৃতিৰ মন্দিৰৰ কলচী, গছা, চাকি আদি নিৰ্মাণ কৰিছিল। পৰশুৰাম দাস, ধৰ্মকান্ত দাসে নিৰ্মাণ কৰা বৃহৎ বৰগছা সত্ৰত এতিয়াও আছে। বৰ্তমান নতুন প্ৰজন্মৰ দুজন কমাৰ শিল্পী হ'ল— ৰাতুল চন্দ্ৰ দাস আৰু হিমুজিৎ দাস। তেওঁলোক দুয়োজন ভাই-ককাই 'পৰশুৰাম কমাৰ শিল্প' প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী। হৰেকৃষ্ণ দাস আৰু কন্দৰ্প কুমাৰ দাস 'পি.কে.ডি. কমাৰ শিল্প' প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী। এই শিল্প প্ৰতিষ্ঠানবোৰত নিৰ্মাণ হোৱা গছা অসমৰ লগতে দেশ-বিদেশলৈও ৰপ্তানি হৈছে। উল্লেখযোগ্য যে এওঁলোকে নিৰ্মাণ কৰা কটাৰীবোৰত বিশেষ আখৰ একোটা খোদিত কৰি দিয়ে। পৰশুৰাম কমাৰ শিল্পই 'এইচ' আখৰ আৰু 'পিকেডি' কমাৰ শিল্পই 'পি' আখৰটো খোদিত কৰি দিয়ে। বৰপেটা সত্ৰ আৰু সুন্দৰীদিয়া সত্ৰৰ পৃষ্ঠপোষকতাত আজিও লোৰ শিল্প-সামগ্ৰী নিৰ্মাণৰ কাম চলি আছে। বৰ্তমান বৃন্দাবনহাটীত মাত্ৰ তিনিখনমান লোৰ শিল্প-প্ৰতিষ্ঠান বৰ্তি আছে। বৰপেটাৰোড, বৰনগৰ, হাউলী, বজালীৰ বামুণকুছিৰ ডেকাপাৰা চুবা, সৰ্থেবাৰী, মন্দিয়া, পাটাছাৰকুছি অঞ্চলতো কিছু সংখ্যক কমাৰশাল আছে।

**৪.৪.৬ অৰ্থনৈতিক আৰু স্বনিয়োজনৰ ক্ষেত্ৰত লো-শিল্পৰ ভূমিকা ঃ**

বৰপেটাৰ দৈনন্দিন লোক-জীৱনত লো-শিল্পজাত সামগ্ৰীৰ বিশেষ প্ৰয়োজনীয়তা আছে। ঘৰুৱা বিভিন্ন কৰ্ম, যেনে ঃ কৃষি, ৰন্ধন-কাৰ্য, গৃহ-নিৰ্মাণ আদিৰ লগত এই শিল্পবস্তুবোৰ বিশেষভাৱে জড়িত।

যদিও বিশেষ কেতবোৰ শিল্প-সামগ্ৰীৰ বাহিৰে পৰম্পৰাগত বহু সংখ্যক শিল্পবস্তুৰ চাহিদা বজাৰত লাহে লাহে কমি আহিছে। বিশেষকৈ নাঙলৰ ফাল, কুঠাৰ, কৰত, ৰাণ্ডাৰ ব্লেড, মৈদা, কাঁচি, খন্তি আদিসমূহৰ কথা এই প্ৰসংগত উল্লেখ কৰিব পাৰি। শিল্পীসকলৰ জীৱনলৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁলোকে এই শিল্পৰ জৰিয়তে স্বাৱলম্বী জীৱন অতিবাহিত কৰিছে যদিও শ্ৰমৰ বিনিময়ত উপযুক্ত মজুৰি বা শিল্পমূল্য লাভ নকৰে। ফলত এই শিল্পীসকলে আন একো উপাৰ্জনৰ পথ মোকলাব নোৱাৰি এই শিল্পটোৰ লগত জড়িত হৈ কোনো মতে পেটে-ভাতে খাই জীয়াই আছে। ধৰ্মীয় ক্ষেত্ৰৰ লগত জড়িত কেতবোৰ শিল্পবস্তু, যেনে ঃ গছা, ত্ৰিশূল, মন্দিৰৰ চক্ৰ আদিবোৰৰ চাহিদা আছে যদিও অৰ্থনৈতিক আৰু স্বনিয়োজনৰ ক্ষেত্ৰত সেয়া পৰ্যাপ্ত বুলিব নোৱাৰি। এনে কাৰণতে পূৰ্বসূৰী বা উত্তৰসূৰী কোনোৱেই এই শিল্প-জ্ঞান প্ৰদান তথা আয়ত্তৰ প্ৰতি অকণো আগ্ৰহী নহয়।

**৪.৪.৭ লোক-সংস্কৃতিত লো-শিল্পৰ গুৰুত্ব ঃ**

লো মানৱ সভ্যতা-সংস্কৃতিৰ এৰাব নোৱাৰা অংশ। লোৰে নিৰ্মিত বিভিন্ন সা-সঁজুলিবোৰ লোক সমাজ-জীৱনৰ লগত ওতপ্ৰোতভাৱে সম্পৰ্কিত হৈ আছে। লোক-সংস্কৃতিৰ আটাইকেইটা ভাগতে লো শিল্পজাত বস্তুৰ ব্যৱহাৰ দেখা যায়। বৰপেটা জিলাৰ সমাজ-জীৱনত লোৰে নিৰ্মিত কমাৰসকলে প্ৰস্তুত কৰা নানা ধৰণৰ বস্তুৰ ব্যৱহাৰ কৰা হয়। দৈনন্দিন কাৰ্যত, ধৰ্মীয় জীৱনত, কৃষিৰ সঁজুলিৰূপে তথা বৃত্তিয়াল লোকসকলৰ দৰকাৰী নানা সামগ্ৰীৰ প্ৰচলন আছে। বৰপেটাৰ মৌখিক সাহিত্যত, যেনে ঃ ডাকৰ বচন, প্ৰবাদ-প্ৰবচন, ফকৰা যোজনাত লোৰে নিৰ্মিত নানা সঁজুলিৰ উল্লেখ পোৱা যায়। বৰপেটা লেহীডঙৰাত ওপজা বুলি কথিত থকা ডাকপুৰুষৰ বচনসমূহত কমাৰে সজা লোৰে নিৰ্মিত দা, কটাৰীৰ উল্লেখ এনেধৰণে পোৱা যায় ---

ক) অকাৰ্যত তৃণ কাটে।
অনালোৰে কমাৰ শাল পাতে।।[৬১]

লোক-সাহিত্যৰ প্ৰবাদ-প্ৰবচনত উল্লেখ থকা অনুসৰি ---

ক) "কোদাল শালোতেই, মাহৰ বতৰ যোৱা"[৬২]

খ) বাটত পালোঁ কমাৰ, দা গঢ়ে দিয়া আমাৰ।

গ) তাৰ চিনি শানত, সনা চিনি কাণত

ঘ) মোৰ দাৰ মোৰ কটাৰী,
তই নিনিল কৰণ কৈটা কৰি।

ঙ) অকাটন কটৈৰীৰ বিহ বিহ কাৰে নাহি
বুবা নৰা তিৰীৰ মিল্‌মিলা হাঁহি।

চ) তয়ো জনন্তা ময়ো জানন্তা,

বাটত পৰি আছে,

কাঁচি আৰো খন্তা।[৬৩]

বিবাহ-কাৰ্যতো লোৰে নিৰ্মিত নানা সামগ্ৰীৰ প্ৰয়োজন হয়। বৰপেটাৰ বিয়াগীতত এনেদৰে উল্লেখ আছে ---

ক) "কটাৰী ভালকৈ ধৰিবা দৈৰকী

মুঠি টান কৰি কাটিবা পানী

পানী তুলি ৰাধে উলটি নাচাবা

সাগৰ পৰিব ঢলিহে।"

খ) "ৰাধেও জুজৰি ধৰবা টানি

মুঠি টান কৰি কটাৰী ধৰিবা তানিবা পাতালৰ পানী।।"

গ) "সুৰাগ জাৰিলা আগে

কোদালে খুন্দিলা দৈ কল দিয়া, বাঢ়নী তুলিলা আগে।"

সামাজিক লোকাচাৰতো লোৰে নিৰ্মিত সামগ্ৰীৰ ব্যৱহাৰ দেখা হয়। বিবাহৰ দিনা পানী তুলিবলৈ যোৱা পৰ্বত আয়তীয়ে লগত এখন কটাৰী লৈ যোৱাৰ নিয়ম। পানীতোলাৰ আগতে নৈ বা বিলৰ পানীখিনিত কটাৰীৰে তিনিবাৰ কাটি লয়। যাতে ভূত-প্ৰেত আদি অপশক্তি দূৰতে থাকে। বিবাহ-কাৰ্যত দৰা-কইনাক নখ কাটোঁতেও লোৰ ক্ষুৰ ব্যৱহাৰ কৰা হয়। বিবাহৰ সমগ্ৰ সময়ছোৱাত অপশক্তিয়ে চুব নোৱাৰাকৈ কইনাই ডবুৰা কটাৰী এখন নিজৰ গাৰ বস্ত্ৰত বান্ধি ৰখাৰ নিয়ম। জোৰোণত আন আন বয়-বস্তুৰ লগতে লোৰ আঙুঠি এটা দৰা পক্ষৰ পৰা দিয়া হয়। সুৰাগ জাৰা বা সুৰাগুৰি তোলা প্ৰথা বিবাহ কাৰ্যৰ অপৰিহাৰ্য অংগ। সুৰাগ জাৰিবলৈ যাওঁতে আয়তীসকলে চাকি, গাখীৰ, কল আদিৰ লগতে কোদাল (কোৰ) এখন লৈ যায়। সুৰাগুৰি তোলা নিয়ম সমাপন কৰি উলটি আহোঁতে কোদাল ধৰাজনে কোদালেৰে আগে আগে গাঁত খান্দি আহে আৰু পিছে পিছে আহি থকা আয়তীসকলে গাঁতত অলপ অলপ গাখীৰ-কল পেলাই আহে।

লোৰে নিৰ্মিত বস্তু লগত থাকিলে অপশক্তিয়ে গ্ৰাস কৰিব নোৱাৰে বুলি বৰপেটাৰ লোকসমাজত বিশ্বাস আছে। ৰাতি বিচনাৰ তলত দা বা কটাৰী থৈ শুলে বেয়া সপোন নেদেখি বুলি লোকবিশ্বাস আছে। ঘৰত কোৰ, খন্তি আদি অতি সযতনে থৈ দিয়ে। পানী জৰা-ফুকা আদিত লোৰ কটাৰীৰ প্ৰয়োজন হয়।

অৰ্বাচীন লৌকিক গীত-মাত কিছুমানতো লোৰ সামগ্ৰীৰ উল্লেখ পোৱা যায়। মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ সময়ত মৌখিকভাৱে নানা গীত-পদ ৰচিত হৈছিল। সেইবোৰত এনেদৰে

লোকশিল্পজাত সামগ্ৰীৰ উল্লেখ আছে ---

"কোচতে কটাৰী দিয়া গান্ধী ৰাজা
শিলোত ধৰিলে উঁই,
মুখ ভৰি ভৰি বোলা হৰি হৰি
সংসাৰৰ নুমাই দিও জুই।"[৬৪] ইত্যাদি।

**৪.৪.৮ বৰপেটাৰ লো-শিল্পৰ বৰ্তমান আৰু ভৱিষ্যতৰ সম্ভাৱনীয় স্থিতি ঃ**

কমাৰশালত নিৰ্মিত ঘৰুৱা সামগ্ৰীৰ চাহিদা আছে যদিও কাৰিকৰী শিল্পজাত সামগ্ৰীবোৰৰ চাহিদা যথেষ্ট কম। তাৰ সলনি বৈদ্যুতিক, আধুনিক সা-সঁজুলিৰ ব্যৱহাৰ বৃদ্ধি পাইছে। ঘৰুৱা ব্যৱহাৰ্য সামগ্ৰীৰ ভিতৰত কটাৰী, দা, কোৰ, কচ, চিপৰাং আদিৰ চাহিদা এতিয়াও আছে। কটাৰী, দা আদিৰ অৰ্ডাৰ প্ৰায়ে থাকে। প্ৰতি বছৰে দৌলৰ সময়ত অসমৰ বিভিন্ন জিলাৰ লগতে ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা পৰ্যটকেও এই বিশেষ ধাৰযুক্ত কটাৰী ক্ৰয় কৰি লৈ যায়। অসমৰ লখিমপুৰ, ধেমাজি, মাজুলী, গুৱাহাটী আদি ঠাইৰ পৰাও প্ৰতি বছৰে যথেষ্ট সংখ্যক অৰ্ডাৰ লাভ কৰে। সত্ৰ-নগৰী বৰপেটাৰ সত্ৰসমূহত লোৰ শাখা-প্ৰশাখাযুক্ত বিশেষ লোৰ গছা ব্যৱহাৰ কৰা হয়। বৰপেটাত নিৰ্মিত গছা অসমৰ লগতে আন আন ৰাজ্যত থকা সত্ৰসমূহলৈও ৰপ্তানি কৰা হয়। উল্লেখযোগ্য যে নতুনকৈ প্ৰশিক্ষণ লৈ বহুতো শিল্পীয়ে ব্যৱসায়িক ভিত্তিত চাহিদা অনুসৰি এই শিল্প নিৰ্মাণৰ কাম আৰম্ভ কৰা দেখা গৈছে। মানৱ সভ্যতা-সংস্কৃতিত লোৰ শিল্পজাত সামগ্ৰীৰ ব্যৱহাৰ আজিও অক্ষুণ্ণ আছে। যেতিয়ালৈকে মানুহৰ দৈনন্দিন প্ৰয়োজনীয়তা থাকিব লোৰ চাহিদাও থাকিব। বিশ্বায়নে গ্ৰাস কৰিলেও দা-কটাৰী আদিৰ বিকল্প খুব কমেইহে আছে। তদুপৰি এইবোৰত নিহিত হৈ থকা লোক-বিশ্বাসবোৰৰ এক বিশেষ গুৰুত্ব আছে। নতুন প্ৰজন্মৰ শিল্পীসকলে এই শিল্পবিধ নিৰ্মাণৰ ক্ষেত্ৰত আগ্ৰহ কমকৈ দেখুওৱা পৰিলক্ষিত হৈছে। হাতুৰী, কৰত, বটালি আদিৰ আগতে স্থানীয় লোকশিল্পীসকলে লোৰ যথেষ্ট সংখ্যক শিল্পবস্তু নিৰ্মাণ কৰিছিল যদিও আজিকালি দিল্লী, কলিকতা আদি ঠাইৰ পৰা কম মূল্যতে ক্ৰয় কৰিব পৰা মেছিনত তৈয়াৰী সামগ্ৰীয়ে বজাৰ গ্ৰাস কৰা দেখা গৈছে। এই শিল্পবিধৰ চাহিদা লোক-সমাজত অক্ষুণ্ণ আছে যদিও কষ্টৰ অনুপাতে শিল্পীৰ লাভৰ অংশ তেনেই সামান্য। দিনটোৰ পাৰিশ্ৰমিকহে কোনোমতে তেওঁলোকে উলিয়ায়। ফলত আন আন বৃত্তিৰ প্ৰতিহে লোকশিল্পীসকলে আগ্ৰহ প্ৰকাশ কৰা দেখা গৈছে।

**৪.৫ অয়-অলংকাৰ শিল্প ঃ**

ধাতুকেন্দ্ৰিক লোকশিল্পৰ অন্যতম ভাগ হিচাপে আ-অলংকাৰ শিল্পৰ বিশেষ গুৰুত্ব আছে। এই শিল্পৰ সৈতে সংশ্লিষ্ট লোক-সমাজৰ নান্দনিকতাবোধৰ চূড়ান্ত প্ৰতিফলন ঘটে। অসমৰ বৰপেটা,

যোৰহাট, নগাঁও আদি জিলাত এই শিল্পবিধৰ নিৰ্মাণ পৰম্পৰাগতভাৱে চলি আছে। বৰপেটাৰ আ-অলংকাৰ শিল্পই অসমীয়া লোকশিল্পক অনন্য মাত্ৰা প্ৰদান কৰিছে। বৰপেটাত সোণ, ৰূপ, পিতল, তাম, হাতীদাঁত আদি কেঁচা-সামগ্ৰীসমূহ অলংকাৰ নিৰ্মাণত ব্যৱহৃত হয় যদিও সোণ আৰু ৰূপৰ জনপ্ৰিয়তা বেছি। সম্ভৱতঃ বৰপেটাৰ থলুৱা সোণাৰীসকলে গঢ়া সত্ৰৰ গোসাঁই পৰিহিত বৃহৎ আকৃতিৰ ২২ টা পাতযুক্ত সোণৰ চন্দ্ৰহাৰ, ১৯ টা পাতযুক্ত সোণৰ শিকহাৰ আদি আকৰ্ষণীয় বস্তু। এফ. চি. হেন্নিকাৰে তেওঁৰ 'Gold and Silver Works of Assam' নামৰ পুথিখনত উল্লিখিত অলংকাৰবোৰৰ কথা লিখি থৈ গৈছে। এসময়ত যোৰহাট আৰু বৰপেটাই আছিল অসমীয়া অলংকাৰ শিল্পৰ প্ৰধান কেন্দ্ৰ আৰু আজিও এই দুয়োখন ঠাইতে পৰম্পৰাগত ৰীতিত কাম কৰি থকা অসমীয়া সোণাৰী আছে। মীনা কৰা, বাখৰ খটোৱা কামত যোৰহটীয়া আৰু ৰেৱাৰ (Filigree) বা সোণৰ গুণাৰে জালিৰ কাম আৰু টোপোলা থকা কামত বৰপেটীয়া সোণাৰীৰ বিশেষ কৃতিত্ব আজিও অক্ষুণ্ণ আছে।"[৬৫] বৰপেটা সত্ৰৰ প্ৰথম সত্ৰাধিকাৰ মথুৰাদাস বুঢ়া আতাই বিভিন্ন স্থানৰ পৰা তাঁতী, সোণাৰী, কুমাৰ আদি বৃত্তিয়াল মানুহক হাটীসমূহত সংস্থাপিত কৰিছিল। বৰপেটাৰ থলুৱা সোণাৰী তথা বণিয়াসকল নহাটী, ঘোঁৰামাৰাহাটী, বৃন্দাবনহাটী আদিত বাস কৰে।

বৰপেটা অঞ্চলত নিৰ্মিত অলংকাৰসমূহক পুৰুষ আৰু নাৰীয়ে পৰিধান কৰা অনুসৰি দুভাগত ভগাব পাৰি। পুৰুষে আঙুঠি আদি নামমাত্ৰ অলংকাৰহে পৰিধান কৰে। 'কেঁচেলুৰীয়া হাৰ', 'থোকা সোণ', 'গলপতা', 'প্ৰজাপতি হাৰ', 'বালা', 'কেৰু' আদি সোণ আৰু ৰূপেৰে নিৰ্মিত অলংকাৰ মহিলাই পৰিধান কৰে। হাতী দাঁতৰ অলংকাৰৰ ভিতৰত পিন্ধিব পৰা বালা, ডিঙিত পিন্ধা হাৰ, আঙুঠি আদি উল্লেখযোগ্য। এই উপ-অধ্যায়টোত বৰপেটা জিলাত পৰম্পৰাগতভাৱে নিৰ্মাণ হৈ অহা অয়-অলংকাৰ শিল্পৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে।

**৪.৫.১ অয়-অলংকাৰ শিল্পৰ ইতিহাস ঃ**

সভ্যতাৰ বিকাশৰ সময়ৰ পৰাই মানুহে বিভিন্ন দ্ৰব্যৰে নিজকে সজোৱাৰ প্ৰৱণতা গঢ়ি উঠিছিল। চিৰন্তন সৌন্দৰ্য-চেতনাৰ বশৱৰ্তী হৈ গহনা-গাঁঠৰিৰে দেহক ভূষিত কৰি তোলা অতি প্ৰাচীন পৰম্পৰা। আদিতে মানুহে প্ৰকৃতিৰ পৰা প্ৰত্যক্ষভাৱে আহৰণ কৰা জন্তুৰ হাড়, দাঁত, খোলা, চৰাইৰ পাখি আদি পৰিধান কৰিছিল। তাৰ পৰৱৰ্তী সময়ত লো ধাতুৰে অলংকাৰ তৈয়াৰ কৰি পিন্ধিবলৈ লয়। সহজতে পোৱা ধাতুৰে নিৰ্মিত অলংকাৰতকৈ সোণ-ৰূপ আদি ধাতুৰ অলংকাৰৰ প্ৰতি মানুহ অধিক আকৰ্ষিত হ'বলৈ ধৰিলে। মিচৰবাসীসকলে পোন প্ৰথমে কৃত্ৰিম বাখৰ তৈয়াৰ কৰি গহনা-গাঁঠৰি তৈয়াৰ কৰিবলৈ ধৰে। আৰু তেতিয়াৰ পৰাই সোণ খটোৱা বাখৰকামী অলংকাৰ তৈয়াৰ হয়।[৬৬]

ভাৰতবৰ্ষৰ অয়-অলংকাৰ শিল্পৰ ইতিহাস অতি প্ৰাচীন। ভাৰতৰ অলংকাৰবোৰ উজ্জ্বল আৰু

নানা বৰণৰ। পশ্চিমীয়া দেশবোৰৰ সৈতে হোৱা সাংস্কৃতিক বিনিময়ৰ প্ৰভাৱ অলংকাৰ-শিল্পৰ ক্ষেত্ৰতো দেখা গ'ল। বৈদিক যুগৰ পৰাই ভাৰতীয় সভ্যতাত অলংকাৰৰ ব্যৱহাৰ আছে। বৈদিক যুগত ব্যৱহৃত অলংকাৰবোৰক চাৰিটা ভাগত ভাগ কৰিব পাৰি — (ক) অভেদ্য, (খ) বন্ধনীয়, (গ) প্ৰক্ষেপ্য আৰু (ঘ) আৰোপ্য।

প্ৰাচীন ভাৰতীয় গ্ৰন্থবোৰতো সোণ-ৰূপৰ অলংকাৰৰ বৰ্ণনা পোৱা যায়। ৰামায়ণ, মহাভাৰত, ভৰতৰ 'নাট্যশাস্ত্ৰ', বাৎসায়নৰ 'কামশাস্ত্ৰ'তো অলংকাৰৰ উল্লেখ আছে। কালক্ৰমত অলংকাৰে অঞ্চল অনুযায়ী সুকীয়া গঢ় লাভ কৰিবলৈ ধৰিলে। অসম ৰাজ্যৰ বাহিৰে আন অঞ্চলত জনজাতীয় আৰু অজনজাতীয় অলংকাৰৰ মাজত গঢ়ৰ পাৰ্থক্য স্পষ্টভাৱে দেখা যায়।[৬৭]

অসমৰ অয়-অলংকাৰ শিল্পৰ মূল উপাদান হ'ল সোণ আৰু ৰূপ। চৰ্যাপদ, প্ৰাক্-শংকৰী যুগৰ সাহিত্যত অলংকাৰৰ উল্লেখ পোৱা যায়। "পুৰণি তাম্ৰশাসনসমূহতো সোণ আৰু সোণেৰে নিৰ্মিত সামগ্ৰীৰ উল্লেখ আছে। বনমালদেৱৰ তেজপুৰ শাসনত লৌহিত্য-সিন্ধুৰে কৈলাস পৰ্বতৰ ডাঙৰ সোণালী ধাতৰ টুকুৰাৰ পৰা ওলোৱা সোণৰ গুড়ি কঢ়িয়াই অনাৰ প্ৰসংগ উল্লেখ কৰিছে।"[৬৮] হৰ্ষচৰিতত কুমাৰ ভাস্কৰ বৰ্মাই কনৌজ অধিপতিলৈ দিয়া উপহাৰৰ সামগ্ৰীৰ লগত সোণৰ পাত, মণি-মুকুটা, গজমতি আদি থকাৰ কথা উল্লেখ আছে। 'কালিকা পুৰাণ'তো ৰূপৰ অলংকাৰৰ উল্লেখ আছে। প্ৰাচীন অসমৰ দৌল-দেৱাললয়, মঠ-মন্দিৰ, থান-সত্ৰৰ ভাস্কৰ্যসমূহত অলংকাৰ খোদিত কৰা দেখা গৈছে। আন আন শিল্পই প্ৰসাৰ লাভ কৰাৰ দৰে অয়-অলংকাৰ শিল্পয়ো আহোম যুগত প্ৰসাৰ লাভ কৰিছিল। মধ্যযুগত অসমৰ নৈৰ বুকুৰ পৰা বালিৰ লগত মিহলি হৈ থকা সোণৰ চেঁকুৰা আহৰণ কৰা হৈছিল। সোণ কমোৱাসকলক 'সোণোৱাল' নামে জনা যায় আৰু তেওঁলোকে সোণ আহৰণ কৰা পদ্ধতিক 'সোণ কমোৱা' অথবা 'সোণ খপা' বোলা হৈছিল। ৰূপ কমোৱাসকলক 'ৰূপোৱাল' নামেৰে জনা গৈছিল। অসমীয়া অলংকাৰে মধ্যযুগৰ পৰা সুকীয়া গঢ়-গতি গ্ৰহণ কৰিলে। সোণ কমোৱা সোণোৱালসকলৰ এজন ওজা থাকে আৰু বাকীকেইজন পালি। কিছুমান বৃহৎ দলত একাধিক ওজা থাকিলে কৰ্ম-বিভাজন হয়। ওজাজনে বালি পৰীক্ষা কৰি সোণৰ কণিকাৰ পৰিমাণ চাই লয়। মধ্যযুগত নদীৰ পৰা আহৰণ কৰা সোণ পৰ্যাপ্ত নোহোৱাত চিংফৌ, তীব্বতীয়, খামটি, মিচিমি, নৰা, টাংচা, নিৰেপ, ভূটীয়া মুদৈসকলে সোণৰ লদা, পাত সোণ, গুড়িসোণ বিক্ৰী কৰিবলৈ আহিছিল।[৬৯] আহোম ৰজা প্ৰতাপসিংহই আহোম ৰাজ্যৰ কলা-শিল্পৰ উন্নতি সাধনা কৰিবলৈ ভাৰতৰ আন ৰাজ্যৰ শিল্পীসকলক অসমলৈ আমন্ত্ৰণ কৰি আনিছিল। এই স্বৰ্ণশিল্পীসকলৰ ভিতৰত ৰাজস্থানৰ স্বৰ্ণ শিল্পীও আছিল। এই সোণাৰীসকলে অসমৰ সোণাৰী শালত 'বাক্‌নলী' আদিৰ দৰে উন্নত সা-সঁজুলিৰ ব্যৱহাৰ আৰম্ভ কৰিবলৈ ধৰে। এইসকল শিল্পীয়ে অসমত মিনা কৰা, জালি কটা ৰেৱাৰ কাম,

'গোজফুল' বা 'গেজেংফুল', মিহি সোণৰ শিকলিৰ কাম, বাখৰৰ কাম আাদি জনপ্ৰিয় কৰি তুলিছিল।

**৪.৫.২ অয়-অলংকাৰ শিল্পৰ শিল্পজাত সামগ্ৰীৰ নিৰ্মাণ-পদ্ধতি ঃ**

সোণ আৰু ৰূপেৰে অলংকাৰ তৈয়াৰ কৰা পদ্ধতিত তলৰ স্তৰসমূহ থাকে —

**প্ৰথম স্তৰ ঃ** প্ৰথমতে ৰূপ বা সোণখিনি কৰতি শিলত ঘঁহি তাৰ বিশুদ্ধতা নিৰূপণ কৰি লয়। নতুন সোণৰ টুকুৰা বা পুৰণি অলংকাৰ মুহীত সুৰাগাৰ সৈতে গলাই লয়।

**দ্বিতীয় স্তৰ ঃ** গলাই লোৱা টুকুৰাটো পায়েন চেপা বা পাত মেচিন বা তাঁৰ মেচিনৰ সহায়ত পাতল পাত বা তাৰ তল পৰিৱৰ্তন কৰে।

**তৃতীয় স্তৰ ঃ** পাতৰ টুকুৰাটো বিভিন্ন সঁজুলিৰ সহায়ত বাকনলেৰে গৰম দি নিৰ্দিষ্ট অলংকাৰ বিধৰ আকৃতিলৈ লৈ যোৱা হয়। কিছুমান অলংকাৰ ঘোলনী বা নক্সাৰ সহায়ত গঢ় দিয়া হয়।

**চতুৰ্থ স্তৰ ঃ** এই স্তৰত নিৰ্মাণ হোৱা অলংকাৰ বিধৰ ক্ষুদ্ৰ ক্ষুদ্ৰ অংশবোৰ জোৰা লগোৱা হয় আৰু বাখৰ খটোৱা হয়।

**পঞ্চম স্তৰ ঃ** এই স্তৰত অলংকাৰবিধ এচিড পানী বা হাইঠাৰ গুটিৰ পানীৰে পৰিষ্কাৰ কৰি ৰেতিৰ সহায়ত ঘঁহি পৰিষ্কাৰ কৰা হয়।

**৪.৫.৩ অয়-অলংকাৰ শিল্পৰ শিল্পবস্তু নিৰ্মাণৰ বাবে ব্যৱহাৰ হোৱা সঁজুলি ঃ**

বৰপেটা অঞ্চলৰ ঘোঁৰামাৰাহাটী, নহাটী, গলিয়াহাটী আদি ঠাইৰ বণিয়া সম্প্ৰদায়ৰ লোকশিল্পীসকলে অলংকাৰ নিৰ্মাণত বেছিভাগ হস্তনিৰ্মিত সঁজুলি ব্যৱহাৰ কৰে। তেওঁলোকে কাঠ, মাটি, পিতল, লো আদিৰে নিৰ্মিত সঁজুলি ব্যৱহাৰ কৰা দেখা যায়। অৱশ্যে বৰ্তমান আধুনিক হস্তচালিত লোৰে নিৰ্মিত সঁজুলিও ব্যৱহাৰ কৰে। বণিয়াসকলে ব্যৱহাৰ কৰা সঁজুলিবোৰক দুই ধৰণে ভাগ কৰিব পাৰি —

**(ক) পৰম্পৰাগত সঁজুলি ঃ**

১। **মুহী** ঃ সোণ গলাবৰ বাবে ব্যৱহৃত হীৰা মাটিৰে প্ৰস্তুত কৰা পাত্ৰ। এই পাত্ৰবোৰৰ আকৃতি ভিন ভিন ধৰণৰ। ঘোঁৰামাৰাহাটীৰ বণিয়াসকলে ওচৰতে থকা হীৰা সম্প্ৰদায়ৰ মহিলাসকলৰ পৰা হীৰা মাটি ক্ৰয় কৰে। তেওঁলোকে বেছিভাগ ঘৰতে সুবিধা অনুযায়ী হীৰা মাটিৰে পত্ৰবোৰ গঢ়ি লয়।

২। **নিয়াৰিঃ** লোৰে নিৰ্মিত গোটা সঁজুলি। ইয়াৰ ওপৰত ধাতুসমূহ থৈ হাতুৰীৰে আৱশ্যক অনুযায়ী চেপেটা কৰা হয়।

৩। **ফলি** ঃ সৰু সৰু ফুটা থকা পিতল বা লোৰ চেপেটা টুকুৰা। ইয়াৰ ফুটাবোৰৰ মাজেৰে সোমাই সোণ, ৰূপ আদিৰ তাঁৰবোৰ টানি দীঘল কৰা হয়।

৪। **শান শিল ঃ** সোণ, ৰূপ আদি ধাতু আৱশ্যক অনুযায়ী মিহি কৰিবলৈ ব্যৱহাৰ কৰা খহটা পাথৰ।

৫। **ডাইচ ঃ** দুচটা কাঠেৰে নিৰ্মিত স্ক্ৰুযুক্ত সঁজুলি। ডাইচৰ কাঠ দুচটাৰ মাজত আঙুঠি জাতীয় অলংকাৰ ৰাখি বাখৰ খটুওৱা হয়।

৬। **কাটনী ঃ** সোণ, ৰূপৰ তাঁৰ বা পাত আদি কাটিবলৈ ব্যৱহাৰ কৰা লোৰ সঁজুলি।

৭। **বাকনল (ফুচুঙা) ঃ** চাকিৰ জুই ফুৰাই তাপ নিৰ্দিষ্ট ঠাইত পেলাব পৰা মিহি ভাঁজ লগা চুঙা।

৮। **চেপেনা (শাৰা) ঃ** গৰম মুহী ধৰিবলৈ ব্যৱহাৰ কৰা লোৰ চেপেটা মাৰি।

৯। **পায়েন চেপা ঃ** হীৰা মাটিৰে নিৰ্মিত দুচটা মাটিৰ থাল। ইয়াৰ মাজত গৰম ধাতু ৰাখি চাপ প্ৰয়োগ কৰি পাতল পাত বনোৱা হয়।

ইয়াৰ উপৰিও পাজাল, কিৰকিৰি, হাতুৰী আদি সমূহো পৰম্পৰাগত অলংকাৰ গঢ়া সঁজুলি।

**(খ) আধুনিক হস্তচালিত সঁজুলি ঃ**

বেংগলী সম্প্ৰদায় বণিয়াসকলে বেছিকৈ আধুনিক হস্তচালিত মেচিন ব্যৱহাৰ কৰে।

১। **পাত মেচিন ঃ** সোণৰ তাঁৰ প্ৰস্তুত কৰিবলৈ ব্যৱহৃত লোৰ মেচিন। ইয়াৰ সহায়ত কাগজ সদৃশ পাতল সোণৰ পাত প্ৰস্তুত কৰিব পাৰি। ইয়াক বাহিৰৰ পৰা আমদানি কৰা হয়।

২। **তাঁৰ মেচিন** ঃ এই মেচিনৰ সহায়ত সোণ, ৰূপ আদিৰ তাঁৰ প্ৰস্তুত কৰা হয়।

৩। **হাৰা মেচিন** ঃ ভাটীৰ জুই ফুৰাবলৈ ব্যৱহৃত মেচিন।

**৪.৫.৪ অয়-অলংকাৰ শিল্পৰ বিবিধ শিল্প-সামগ্ৰী ঃ**

অসমৰ অন্য ঠাইৰ দৰে বৰপেটা জিলাত বিভিন্ন অয়-অলংকাৰ নিৰ্মাণ কৰা হয় যদিও থলুৱা বিশেষত্বসমৃদ্ধ কেতবোৰ বিশেষ অলংকাৰ এই প্ৰসংগত উল্লেখযোগ্য । বৰপেটাৰ থলুৱা বৈশিষ্ট্যযুক্ত আ-অলংকাৰসমূহ বেছিভাগেই সোণ, ৰূপেৰে নিৰ্মিত। এসময়ৰ বেহা-বেপাৰৰ বাবে সমৃদ্ধিশালী বৰপেটাৰ প্ৰতিটো পৰিয়ালৰ নাৰীয়ে থলুৱা আ-অলংকাৰেৰে নিজকে সজাইছিল। বৰপেটাৰ এনে কেতবোৰ স্থানীয় বৈশিষ্ট্যযুক্ত অলংকাৰ আছে, যিবোৰ কেৱল স্থানীয় লোকশিল্পীসকলেহে গঢ়িব পাৰে। কিছুমান অলংকাৰত বাদ্যযন্ত্ৰৰ চানেকি দেখা যায়। 'বৰখাৰু' (পুৰুষে ভৰিত পিন্ধা), 'প্ৰজাপতি হাৰ', 'থোকা সোণ', 'চেপ্‌টি মাদ্‌লী', 'জালি সনা' (বৰ্তমান এই শিল্পবস্তুসমূহ নিৰ্মাণ কৰা লোকশিল্পী পাবলৈ নাই), 'কেচেলুৰীয়া হাৰ', 'বৰপেইটা মুঠি খাৰু', 'কেৰু' আদি এনে বৈশিষ্ট্যযুক্ত অলংকাৰ।

**(ক) থোকা সোণ ঃ**

বৰপেটা অঞ্চলৰ স্বকীয় বৈশিষ্ট্যযুক্ত অলংকাৰসমূহৰ ভিতৰত থোকা সোণ বা থুৰীয়া সোণ অন্যতম। বৰপেটীয়া ভাষাত ইয়াক 'থকা সনা' বা 'কাট্‌ৰা' বুলি কোৱা হয়। এই অলংকাৰবিধ মহিলাসকলে কাণত পৰিধান কৰে। অইন সোণৰ অলংকাৰ নিৰ্মাণত তাম বা দস্তা মিহলি কৰা হয়, কিন্তু থোকা সোণ

গঢ়াত প্ৰকৃত সোণ বা ২৪ কেৰেট সোণ ব্যৱহাৰ কৰা হয়। ইয়াক গঢ়াৰ কলা-কৌশল কেৱল থলুৱা অসমীয়া সোণাৰীৰহে জ্ঞাত। এই অলংকাৰবিধ গঢ়িবৰ বাবে একোজন শিল্পীক প্ৰায় এমাহৰ সময় প্ৰয়োজন হয়। অসমৰ বেলেগ ঠাইত এইবিধ অলংকাৰ গঢ়িব পৰা সোণাৰী নাই।[৩০] ই সম্পূৰ্ণভাৱে হস্ত-নিপুণতাৰে গঢ় দিয়া শিল্প। বিভিন্ন আকৃতিৰ হাতুৰী, সোণ মঠা লডু আদি সামান্য সঁজুলিৰে অলংকাৰবিধ গঢ় দিয়া হয়। ১ তোলা ৪ অনাৰ পৰা ৪ তোলা পৰ্যন্ত সোণেৰে এই অলংকাৰবিধ বনোৱা হয়।

**(খ) কেঁচেলুৰীয়া হাৰ ঃ**

বৰপেটাৰ পৰম্পৰাগত বণিয়া লোকশিল্পীসকলে গঢ়া এবিধ থলুৱা স্বৰ্ণ-অলংকাৰ হ'ল 'কেঁচেলুইৰা' হাৰ। এই হাৰ প্ৰস্তুতকৰণত সোণখিনি মুহিত গলাই লৈ তাৰ পৰা সোণৰ তাঁৰ প্ৰস্তুত কৰা হয়। সোণৰ কেইবাডালো তাঁৰ যোৰা লগাই এক পৰম্পৰাগত শৈলীত লোৰ বিশেষধৰণৰ শলাৰ সহায়ত হাতেৰে গুঠা হয়। বৰপেটাৰ ঘোঁৰামাৰাহাটীৰ মহিলাসকলেও তাঁৰ গুঠা কামত ভাগ লয়। হাৰডাল বন্ধাৰ পিছত নাৰিকলৰ কোৰোকাৰ সহায়ত বান্ধবোৰ টানি আটিল কৰা হয়। ই এক অতি কৌশলী কাম। ইয়ে লোক-শিল্পীসকলৰ কলা-নৈপুণ্যৰ পৰিচয় বহন কৰে। "বৰপেটাৰ সোণাৰীয়ে কৰা কোনো ডাল কেঁচেলুৰীয়া হাৰ কুৰি তোলা পৰ্যন্ত আছিল" বুলি নীলমণি ফুকনদেৱে কৈছে।

**(গ) প্ৰজাপতি হাৰ ঃ**

প্ৰজাপতি হাৰ হ'ল বৰপেটাৰ সোণাৰীৰ দ্বাৰা নিৰ্মিত এবিধ বৈশিষ্ট্যযুক্ত অলংকাৰ। পুৰুষ-মহিলা উভয়ে এই হাৰ পৰিধান কৰে। পখিলা আকৃতিৰ কাৰুকাৰ্যৰে শোভিত হাৰবিধে বৰপেটাৰ সমাজত সম্ভ্ৰান্তৰ পৰিচয় বহন কৰে। এই অলংকাৰসমূহ বৰপেটাৰ অন্যতম থলুৱা বৈশিষ্ট্যযুক্ত অলংকাৰ।

**৪.৫.৫ পৰম্পৰাগত অয়-অলংকাৰ শিল্পৰ লগত জড়িত বৰপেটাৰ শিল্পীসকলৰ সামাজিক জীৱন ঃ**

বৃহত্তৰ বৰপেটাৰ সমাজখনৰ অভিন্ন অংগ হ'ল বণিয়া সম্প্ৰদায়। বৰপেটা অঞ্চলত আ-অলংকাৰ নিৰ্মাণৰ লগত দুই ধৰণৰ লোক জড়িত হৈ থকা দেখা পোৱা যায়। এবিধ বেংগলী সম্প্ৰদায়ৰ আৰু আনবিধ সোণাৰী বা বণিয়া সম্প্ৰদায়ৰ লোক। পৰম্পৰাগত অলংকাৰ নিৰ্মাণৰ লগত জড়িত বণিয়া লোকশিল্পীসকল ঘোঁৰামাৰাহাটী, নহাটী আদি অঞ্চলত বসবাস কৰে। বেংগলী সম্প্ৰদায়ৰ লোকসকলে বৰপেটা চহৰৰ পাৰ্শ্বৱৰ্তী কলনি, দঙৰকুছি আদি অঞ্চলত বাস কৰে। এওঁলোকে ব্যৱসায়-ভিত্তিক আধুনিক গহনা নিৰ্মাণৰ লগত জড়িত। পৰম্পৰাগত বণিয়াসকলে ঘৰতে সোণাৰী শাল স্থাপন কৰি লয়।

বৈষ্ণৱ ভকত হৰিদাস বণিয়া আতৈক অসমীয়া বণিয়াসকলে পূৰ্বপুৰুষৰূপে মানি আহিছে। "শ্ৰীহৰিদাস বণিয়া আতৈয়ে মহাপুৰুষৰ আজ্ঞানুসৰি অন্যান্য ভকতৰ নিচিনা চূণপোৱাৰ কাষতে

এডোখৰ মুকলি ঠাই কাটি উলিয়াই তাতে গৃহবাৰী কৰি থাকিবলৈ লৈছিল। তেওঁ নিজ সম্প্ৰদায়ভুক্ত লোকসকলৰ পৰম্পৰা অনুসৰি সোণ-ৰূপৰ অলংকাৰ গঢ়া কাম কৰি জীৱন নিৰ্বাহ কৰাৰ পন্থাৰে চলি থাকিবলৈ লৈছিল।"[৭১] শংকৰদেৱে বাৰাদিত প্ৰথমবাৰৰ বাবে 'পত্নী প্ৰসাদ' ভাওনা কৰোঁতে ভাওনাৰ আ-অলংকাৰসমূহ সজাই-পৰাই দিয়াৰ দায়িত্ব হৰিদাস বণিয়া আতৈয়ে লৈছিল। বৰপেটা অঞ্চলৰ অসমীয়াভাষী বণিয়াসকল নৱবৈষ্ণৱ ধৰ্মত দীক্ষিত। তেওঁলোকে বৰপেটা সত্ৰৰ সোণ-ৰূপৰ আ-অলংকাৰৰ মেৰামতিৰ কাম প্ৰতিবছৰে সেৱাৰ কাম হিচাপে কৰি আহিছে। বণিয়াসকলৰ পুৰুষসকল প্ৰধানকৈ অলংকাৰ গঢ়া কাৰ্যৰ লগত জড়িত। অৱশ্যে 'কেঁচেলুইৰা হাৰ' আদি বন্ধাৰ কামত মহিলাইও সহায় কৰে।

এই বৃত্তিত আয়ৰ পৰিমাণ কম হোৱা হেতুকে তথা মূলধনৰ অধিক আৱশ্যক হোৱাৰ বাবে অসমীয়া বণিয়া শিল্পীসকলৰ আৰ্থিক অৱস্থা টনকিয়াল নহয়। বহুতে পৰম্পৰাগত বৃত্তি এৰি আন বৃত্তিতো নিয়োজিত হৈছে। বিয়া-বাৰুৰ ক্ষেত্ৰত সাধাৰণতে একেটা সম্প্ৰদায়ৰ মাজতে সম্পন্ন হোৱা দেখা যায়। বৰপেটা অঞ্চলৰ লোক উৎসৱ-পাৰ্বণ, লোকাচাৰ আদি লোকশিল্পীসকলে পালন কৰে। দেবেন্দ্ৰ নাথ দাস, নিৰঞ্জন দাস, যতীন দাস, অলকেশ দাস আদি বৰপেটাৰ থলুৱা প্ৰসিদ্ধ বইনা। এওঁলোকে প্ৰশিক্ষণৰ ব্যৱস্থাও কৰি আহিছে।

**৪.৫.৬ অৰ্থনৈতিক আৰু স্বনিয়োজনৰ ক্ষেত্ৰত অয়-অলংকাৰ শিল্পৰ ভূমিকা ঃ**

অৰ্থনৈতিক আৰু স্বনিয়োজনৰ ক্ষেত্ৰত অয়-অলংকাৰ শিল্পই তাহানি কালৰ পৰাই বিশেষ ভূমিকা গ্ৰহণ কৰি আহিবলৈ সক্ষম হৈছে। এনে কাৰণতে বৰপেটাৰ বিশেষ শ্ৰেণীৰ বহু সংখ্যক পৰিয়ালৰ মাজত এই শিল্পটো পুৰুষানুক্ৰমে এতিয়াও প্ৰচলিত হৈ আছে। বৰপেটাত সোণ-ৰূপ-তাম আদি ধাতুৰে নিৰ্মাণ কৰা অয়-অলংকাৰসমূহৰ বিশেষ চাহিদা থকাৰ লগতে বৰপেটাৰ বাহিৰতো সেই অলংকাৰসমূহৰ যথেষ্ট সমাদৰ আছে। বিশেষকৈ কেঁচেলুৰীয়া হাৰ, বালা, থোকা সোণ, প্ৰজাপতি হাৰ আদি বৰপেটাৰ স্বকীয় শৈলীৰ অলংকাৰসমূহৰ বজাৰত চাহিদা বহুত। তদুপৰি বিয়া-বাৰুত কইনাক জোৰোণ দিয়া তথা বিভিন্ন উপলক্ষ্যত পুৰুষ-মহিলা উভয়ে পৰিধান কৰা বিবিধ অলংকাৰ শিল্পীসকলে পৰম্পৰাগতভাৱে নিৰ্মাণ কৰি আহিছে। এনে দৃষ্টিৰে চালে এই শিল্পই অৰ্থনৈতিক আৰু স্বনিয়োজনৰ দিশত এখন বিশেষ ক্ষেত্ৰৰ সূচনা কৰিছে বুলি ক'ব পাৰি। অৱশ্যে সাম্প্ৰতিক প্ৰযুক্তিবিদ্যাৰ অভিনৱ উদ্ভাৱনৰ ফলত এই শিল্পলৈ যথেষ্ট প্ৰত্যাহ্বান আহি পৰিছে। প্ৰযুক্তিৰ সহায়ত অতি কম সময়তে নিখুঁত আৰু মসৃণ অলংকাৰ তৈয়াৰ কৰিব পৰাৰ ফলত থলুৱা সঁজুলিৰে নিৰ্মাণ কৰা শিল্পবস্তুসমূহৰ চাহিদা কমি অহা পৰিলক্ষিত হৈছে। এনে প্ৰত্যাহ্বানৰ কাৰণে বৰপেটাৰ শিল্পীসকলে এই শিল্পৰ ভৱিষ্যতৰ প্ৰতি যথেষ্ট আশংকা ব্যক্ত কৰিছে।

**৪.৫.৭ লোকসংস্কৃতিত অয়-অলংকাৰ শিল্পৰ গুৰুত্ব ঃ**

মৌখিক লোকবিদ্যা (Oral Folklore)ত আ-অলংকাৰ শিল্পই বিশেষ ভূমিকা গ্ৰহণ কৰিছে। জনসাধাৰণৰ মুখে মুখে প্ৰচলিত লোক-সংগীতসমূহত আ-অলংকাৰে স্থান পাইছে। বৰপেটা অঞ্চলত প্ৰচলিত থলুৱা বিয়ানামত আ-অলংকাৰৰ বিষয়ে এনেদৰে উল্লেখ পোৱা যায়।

"হাল বাই আহিলি মায়েৰ আদৰুৱা
ছাল পাই খুহিলি লৰু
শহুৰৰ জীয়ৰী কৈ কৈ পঠাইছে
মোৰ কাণৰ সনাযোৰ সৰু।"

লোকশিল্পীসকলে অলংকাৰ তৈয়াৰ কৰোঁতে সোণ বা ৰূপৰ ওপৰত মৰা হাতুৰীৰ কোবত যি ছন্দ উঠে, তাৰ লহৰত অন্তৰৰ পৰা লোকগীতৰ কলিৰ সৃষ্টি হয়।

সামাজিক লোক-প্ৰথা বা লোকাচাৰত আ-অলংকাৰৰ বিশেষ স্থান আছে। অলংকাৰে সামাজিক অৱস্থাৰ উমান দিয়ে। জন্ম-মৃত্যু-বিবাহ উৎসৱ, অনুষ্ঠান আদিৰ লগত জড়িত নানা সামাজিক লোকাচাৰ (Social Folk Custom) আছে। সোণ, ৰূপ, পিতল, লো আদি ধাতুৰ লগত জড়িত নানা বিশ্বাস আছে। লোক-বিশ্বাসত লো, তাম আদিৰে নিৰ্মিত আঙুঠি অপশক্তি নাশক বুলি বিশ্বাস কৰা হয়। বৰপেটাৰ বিভিন্ন সামাজিক উৎসৱ-অনুষ্ঠান, যেনে ঃ বিয়া (বিবাহ), ধুৱেনী (নোৱানি বিয়া), কান বিন্ধনি (কৰ্ণবেধ) আদিত অলংকাৰ অপৰিহাৰ্য। ছোৱালীৰ কৰ্ণবেধ অনুষ্ঠানত কাণত বিন্ধা কৰি অলংকাৰ পিন্ধাই দিয়া হয়। বিবাহ অনুষ্ঠানৰ এটা অন্যতম পৰ্ব হ'ল আঙুঠি পিন্ধোৱা। বৰপেটা অঞ্চলত দৰাৰ মাক বা ভাগিনীয়েক বা দৰাজনে কইনাক আঙুঠি পিন্ধায়। জোৰোণ দিয়া বা তেলৰ ভাৰ দিয়া পৰ্বতো দৰা পক্ষই কইনালৈ আন সামগ্ৰীৰ লগতে গহনা-গাঁঠৰিও লৈ যায়। বৰপেটাৰ জোৰোণ অনুষ্ঠানত কইনালৈ পঠোৱা গহনাৰ ভিতৰত 'থোকা সোণ', 'বালা', 'কেঁচেলুৰীয়া হাৰ' আদি উল্লেখযোগ্য। বিয়াৰ দিনা বৰপেটাৰ কইনাই থোকা সোণ পৰিধান কৰা দেখা যায়। বৰপেটাৰ দৰাই বিয়াৰ দিনা প্ৰজাপতি হাৰ পৰিধান কৰে। ই মংগলজনক বুলি গণ্য কৰা হয়। কাৰোবাৰ ঘৰত নাথাকিলে সম্ভ্ৰান্ত ওচৰ-চুবুৰীয়াৰ পৰা তামোল-পাণ এযোৰ মাননী হিচাপে আগবঢ়াই ধাৰলৈ লৈ যায়। বিবাহৰ দিনা ৰূপৰ 'দাপনী' দৰাই হাতত ৰখাটো লোক-সমাজৰ নিয়ম। বিবাহ-অনুষ্ঠানত ভাগ লোৱা বৰপেটাৰ মহিলাই নিজকে অলংকাৰেৰে সজাই তোলে। হালধীয়া স্বৰ্ণ অলংকাৰৰ এই ক্ষেত্ৰত জনপ্ৰিয়তা বেছি। লোক-সমাজত হালধীয়া ৰংটোক আনন্দ, পূৰ্ণতা, প্ৰজনন, প্ৰাণ চঞ্চলতা; আঙুঠিক প্ৰজনন, দুগদুগীক মাতৃত্ব তথা কলিজা, যোনী আদিৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা হয়।

স্বামীৰ মৃত্যুত পত্নীৰ অলংকাৰ সোলোকাই দিয়া হয়। বিবাহিতা মহিলাই উকা ডিঙি বা হাতে থাকিব নাপায় বুলি লোক-সমাজত বিশ্বাস আছে। মৃতকৰ ঘৰ-বাৰী শুদ্ধ কৰা শান্তি পানীতো পবিত্ৰ হিচাপে গণ্য কৰা সোণ আৰু ৰূপৰ অলংকাৰ ডুবাই দিয়া হয়।

লোক-পৰিৱেশ্য কলা প্ৰদৰ্শনতো আ-অলংকাৰৰ ব্যৱহাৰ আছে। ঢুলীয়া নাচ আদিত প্ৰয়োজনীয় মণি, হাৰ আদি স্থানীয় লোকশিল্পীসকলে গঢ়ি দিয়ে।

**৪.৫.৮ বৰপেটাৰ অয়-অলংকাৰ শিল্পৰ বৰ্তমান আৰু ভৱিষ্যতৰ সম্ভাৱনীয় স্থিতি**

বৰপেটাৰ থলুৱা আ-অলংকাৰ গঢ়া লোকশিল্পই সামাজিক, সাংস্কৃতিক জীৱনক যথেষ্ট প্ৰভাৱিত কৰিছে। বৰ্তমান ই প্ৰত্যাহ্বানৰো সন্মুখীন হৈছে। স্বাধীনতাৰ পিছত ১৯৬৩ চনৰ ৯ জানুৱাৰীত ভাৰত চৰকাৰৰ স্বৰ্ণ নিয়ন্ত্ৰণ আইন (The Gold Control Act, 9th January 1963)খনে স্বৰ্ণ নিৰ্মাতা শিল্পীসকলৰ ওপৰত প্ৰভাৱ পেলায়। সোণৰ বেচা-কিনা, ৰক্ষণাৱেক্ষণ আদিৰ ক্ষেত্ৰত বাধা-নিষেধ অহাৰ ফলত বহু বৰপেটীয়া স্বৰ্ণ শিল্পীয়ে বৃত্তি এৰিবলগীয়া হ'ল। ১৯৮৯ চনত আইনখন বাতিল হ'লেও বহিৰাগত স্বৰ্ণ শিল্পীৰ আগমন, কেঁচামালৰ মূল্যবৃদ্ধি আদিৰ প্ৰভাৱত বেছিভাগ লোকশিল্পীয়ে অইন বৃত্তি গ্ৰহণ কৰিলে। মুক্ত বাণিজ্য আৰু অৰ্থনীতিৰ প্ৰভাৱত কম সময়তে মেচিনত তৈয়াৰী অলংকাৰেৰে বজাৰ ভৰি পৰিল। নানা 'ব্ৰেণ্ড' আদিৰ সৃষ্টি হ'ল। এই পৰিৱৰ্তিত জীৱনশৈলীক অনুকৰণ কৰি মানুহ বাহিৰৰ অলংকাৰসমূহৰ প্ৰতি আগ্ৰহী হৈ পৰিল। কেঁচা মালৰ অভাৱৰ বাবে হাতীদাঁতৰ অলংকাৰ নিৰ্মাণো বন্ধ হৈ পৰিল। কিছু বছৰ আগতে হোৱা বৈশ্বিক মহামাৰী 'ক'ভিড-১৯'এ থলুৱা লোকশিল্পবিধৰ ওপৰত মাধমাৰ সোধালে। সোণাৰী-শালত কৰ্মৰত বহু লোকশিল্পী নিবনুৱা হ'ল। সম্প্ৰতি বৰপেটাৰ বৃন্দাবনহাটী, নহাটী, ঘোঁৰামাৰাহাটী আদি ঠাইৰ প্ৰায় ৩০ টা পৰিয়ালে শিল্পবিধ জীয়াই ৰাখিবলৈ চেষ্টা চলাই আছে।

বৰ্তমান সময়ত থলুৱা বাণিজ্য, ক্ষুদ্ৰ উদ্যোগ, হস্তশিল্প আদিৰ প্ৰচাৰ-প্ৰসাৰত চৰকাৰে গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। এতিয়া অৱশ্যে পুনৰ থলুৱা আ-অলংকাৰৰ প্ৰতি মানুহৰ আকৰ্ষণ বাঢ়িছে। বৰপেটাৰ থলুৱা অসমীয়া লোকশিল্পীয়ে তৈয়াৰ কৰা থোকাসোণ, কেঁচেলুৰীয়া হাৰ আদিৰ সমাদৰ অসমৰ আন আন ঠাইতো আছে।

অসম তথা বৰপেটাৰ পৰ্যটন ক্ষেত্ৰখনতো লোকশিল্পবিধে আকৰ্ষণৰ সৃষ্টি কৰিছে। বৰপেটীয়া থলুৱা বৈশিষ্ট্যযুক্ত অলংকাৰৰ সুকীয়া মৰ্যাদা আছে। অসমৰ বিভিন্ন স্থানৰ লোকসকলে থলুৱা অলংকাৰ বিচাৰি ইয়ালৈ অহা পৰিলক্ষিত হৈছে। পৰিৱৰ্তিত সময়ত থলুৱা লোকশিল্পবিধক সংৰক্ষণৰ ব্যৱস্থা আৰু এই ক্ষেত্ৰত লোকশিল্পীসকলক চৰকাৰে আৰ্থিক সকাহ প্ৰদান কৰিলেহে ই ভৱিষ্যতৰ বাবে তিষ্ঠি থাকিব বুলি আশা কৰিব পাৰি।

## ৪.৬ ধাতুকেন্দ্রিক লোকশিল্পত প্ৰতিফলিত ৰূপাঙ্গ ঃ

লোকশিল্পসমূহত প্ৰকৃতি আৰু পৰিৱেশৰ লগতে ইয়াত অন্তৰ্নিহিত নমনীয়তা, বিবিধতা, সৌন্দৰ্য-সৰলতা আদিৰ প্ৰকাশ ঘটে। প্ৰকৃতিৰ ফল, ফুল, গছ-গছনি, বীজ আদিৰ লগতে জৈৱ-বৈচিত্ৰ্যৰ বিবিধ চানেকিৰ প্ৰকাশ ঘটে। উদাহৰণস্বৰূপে, কাঁহ-পিতলৰ শিল্পবস্তুত ফুল, লতা, চৰাই-চিৰিকটি আদি ৰূপাঙ্গৰ ব্যৱহাৰ সততে চকুত পৰে। ফুলৰ ভিতৰত 'পদুম ফুলৰ পাহি', 'জবা', 'ধতুৰা ফুলৰ পাহি'ৰ নক্সা জনপ্ৰিয়। বিভিন্ন 'গুটি', 'গুটিলতা', 'পাকখোৱা লতাৰ নক্সা' শৰাই, কলহ আদিত খোদিত কৰা হয়। বটা, কাঁহী আদিত খোদিত গছৰ পাতৰ নক্সাৰ ভিতৰত 'কৰ্দৈৰ সিৰ', 'তেতেলী গছৰ পাতৰ দৰে নক্সা', 'ধানৰ থোক', 'ঔটেঙাৰ খলপ' আদিৰ চাহিদা অতি বেছি। শৰাই, সজোৱা বিভিন্ন সামগ্ৰী আদিত জীৱ-জন্তুৰ নক্সাৰ বহুল ব্যৱহাৰ দেখা যায়। ইয়াৰ ভিতৰত 'যুৰীয়া ময়ূৰ চৰাইৰ নক্সা', 'পখিলাৰ নক্সা', 'চৰাইৰ নক্সা', 'ভাটৌ চৰাইৰ ঠোঁটৰ নক্সা' অন্যতম। তামোল দিবলৈ ব্যৱহৃত বটাবোৰত অসমীয়া শিপিনীয়ে কাপোৰত তোলা 'পাণ বছা' অৰ্থাৎ চাৰিকোণীয়া অথবা তিনিকোণীয়া নক্সাৰ অনুৰূপ ৰূপাঙ্গ কটা হয়। "কলহ, লোটা আৰু চৰিয়াৰ গাত কটা ফুল-জালিতো অসমীয়া বস্ত্ৰ শিল্পৰ চানেকি দেখা যায়।"[৭২] ইয়াৰ বাহিৰেও লোকশিল্পৰ সামগ্ৰীবোৰৰ ভিতৰত অন্যতম হ'ল গছা। এই গছাৰ ওপৰভাগত ময়ূৰ চৰাইৰ নক্সা সংলগ্ন হৈ থাকে। গছাৰ তলৰ শাখাত সংলগ্ন হৈ থকা কঠনা ফুল আকৃতিৰ লোৰ চাৰি ঠাৰিযুক্ত প্ৰশাখা থাকে।

আ-অলংকাৰ শিল্পৰ ভিতৰত বৰপেটাৰ কেঁচেলুৰীয়া হাৰৰ 'লকেট'টো তললৈ ওলোমাই থোৱা পাণ বা আঁহতৰ পাতৰ দৰে। গলপতাত বা গলকণ্ঠিত শেৱালি ফুল বা গুটিমালি ফুলৰ নক্সা ব্যৱহাৰ দেখা যায়। বেনা বা গেজেৰা, জোনবিৰি কাঁচি জোনৰ আকৃতিৰ। চন্দ্ৰহাৰত সৰু সৰু কাঁচি জোনৰ আকৃতি থাকে। আঙুঠিত 'জেঠী', 'ভোমোৰা', 'পখিলা', 'শেন চৰাই', 'ময়ূৰৰ পাখি', 'হৰিণৰ চকু', 'শিলিখাৰ নক্সা' দেখা যায়। কাণফুলত 'বকুলফুল', 'পদুমফুল' বা 'লংফুলৰ নক্সা' দেখা যায়। বৰপেটাৰ মহিলাৰ প্ৰিয় কাণত পিন্ধা থোকাসোণত 'যুৰীয়া শিলিখা গুটিৰ আকৃতিৰ নক্সা' দেখা যায়। কাণৰ কেৰুৰ মুখখন 'ডালিমফুলৰ পাহ'ৰ দৰে। হাতত পিন্ধা গামখাৰু, মুঠি খাৰুত বিভিন্ন বনৰীয়া লতা ফুলৰ চানেকি দি বাখৰ খুৱাই দিয়া হয়। বৰপেটীয়া বালাত হাতী-দাঁতৰ মূৰ লগ লাগি থকা নক্সা বিশেষ জনপ্ৰিয়। বৰপেটীয়া মুঠিখাৰুত আচ্-আচ্ নক্সা থকাৰ বাহিৰেও মূৰটোত ফুলৰ চানেকি থাকে। আ-অলংকাৰত 'পদুমফুল', 'বকুলফুল', 'হাতী', 'আঁহতৰ পাত', 'পাণ', 'চৰাই' আদি ৰূপাঙ্গৰ জনপ্ৰিয়তা অতি বেছি। "অসমীয়া গহনাসমূহ সাধাৰণতে প্ৰকৃতিৰ বিভিন্ন বস্তু তথা অসমীয়া লোক-সংস্কৃতিৰ লগত জড়িত কিছুমান বস্তুক আৰ্হি হিচাপে লৈ তৈয়াৰ হৈছিল। যেনে— জোনবিৰি কাঁচিজোনৰ লেখিয়া, লোকাপাৰ পাৰ চৰাইৰ পৰা, জাপি পানী-জাপিৰ পৰা, ঢোলবিৰি ঢোলৰ পৰা,

মগৰদানা মগৰৰ পৰা, লংথুৰীয়া লঙৰ পৰা, শেনপতা শেনচৰাইৰ পৰা ইত্যাদি।"[৭৩] প্ৰকৃতিৰ পৰা আহৰণ কৰা নক্সাসমূহে আ-অলংকাৰ শিল্পত মুখ্য ৰূপাঙ্গৰূপে ব্যৱহৃত হোৱা দেখা যায়।

### ৪.৭ সামগ্ৰিক আলোচনা ঃ

বৰপেটা জিলাত ঐতিহাসিক কালৰ পৰাই ধাতুকেন্দ্ৰিক বিবিধ লোকশিল্পৰ নিৰ্মাণ-পৰম্পৰা প্ৰচলিত হৈ আহিছে। সেই লোকশিল্পসমূহ হ'ল — কাঁহ-শিল্প, পিতল-শিল্প, লো-শিল্প আৰু অয়-অলংকাৰ শিল্প। কাঁহ-শিল্পৰ বাবে বৰপেটাৰ সৰ্থেবাৰী অসম প্ৰসিদ্ধ। সেইদৰে বৰপেটাৰ সৰু ক্ষেত্ৰী মৌজা পিতল-শিল্পৰ বাবে বিখ্যাত। এই দুয়োটা অঞ্চলত কাঁহ-পিতলৰ বিভিন্ন শিল্পবস্তু নিৰ্মাণ হৈ আহিছে। শিল্পীসকলেও এই দুয়োটা শিল্পৰ জৰিয়তে স্বনিয়োজনৰ এক ক্ষেত্ৰ গঢ় দিবলৈ সক্ষম হৈছে। সেইদৰে ঘৰুৱা তথা ধৰ্মীয় কামত প্ৰয়োগ হোৱা বিভিন্ন লো-শিল্পজাত সামগ্ৰী বৰপেটাৰ লোকশিল্পীসকলে নিৰ্মাণ কৰি আহিছে যদিও ইয়াৰ দ্বাৰা শিল্পীসকলে কোনো মতেহে জীৱন পৰিচালিত কৰিবলৈ সক্ষম হৈছে। সেইদৰে অয়-অলংকাৰ শিল্পৰ ক্ষেত্ৰত বৰপেটাৰ শিল্পীসকলে বিশেষ স্বকীয়তা দাবী কৰিব পাৰে। আধুনিক প্ৰযুক্তিৰে নিৰ্মাণ কৰা অয়-অলংকাৰৰ প্ৰতিযোগিতাৰ মাজতো বৰপেটাৰ স্বকীয় অলংকাৰসমূহৰ জনপ্ৰিয়তা একেবাৰে লোপ পোৱা নাই। এই সকলোবোৰ ধাতুজাত শিল্পই বৰপেটাৰ লোকশিল্পৰ ক্ষেত্ৰখন সমৃদ্ধ কৰি ৰাখিছে।■■

### প্ৰসংগ টীকা ঃ


১. নবীনচন্দ্ৰ শৰ্মা, *অসমৰ সাংস্কৃতিক ইতিহাস*, দ্বিতীয় খণ্ড, পৃ. ৩৬৪

২. যুগল দাস, *অসমৰ লোককলা*, পৃ. ৬১

৩. যুগল দাস, উল্লিখিত, পৃ. ৬২

৪. হেমচন্দ্ৰ গোস্বামী, *হেমকোষ*, পৃ. ২৯৬

৫. collinsdictionary.com, retrieved : 12-11-2023

৬. মৃগেন শৰ্মা, *পুৰণি অসমৰ কাৰিকৰী শিল্পৰ ইতিহাস*, পৃ. ১৪০

৭. প্ৰতুল ডেকা, *অবিভক্ত কামৰূপ জিলাৰ লোকশিল্প ঃ এক বিশ্লেষণাত্মক অধ্যয়ন*, পৃ. ১৮৩

৮. প্ৰদীপ চলিহা, *পুৰণি অসমৰ কাৰিকৰী শিল্প*, পৃ. ৪৫

৯. প্ৰতুল ডেকা, পূৰ্বোল্লিখিত, পৃ. ১৯৩

১০. প্ৰদীপ চলিহা, পূৰ্বোল্লিখিত, পৃ. ৪৫

১১. পৰীক্ষিত হাজৰিকা, *চৰ্যাপদ*, পৃ. ১৫৮

১২. প্ৰদীপ চলিহা, পূৰ্বোল্লিখিত, পৃ. ৪৬

১৩. উপেন্দ্র চন্দ্র লেখাৰু, সম্পা, *কথাগুৰু চৰিত*, পৃ. ৪৮
১৪. ভূপেন তালুকদাৰ, *সৰ্থেবাৰীৰ কাঁহশিল্প আৰু সমস্যা*, পৃ. ৩২৭
১৫. পাৰ্বতী পাটোৱাৰী, *সৰ্থেবাৰীৰ ঐতিহ্যমণ্ডিত কাঁহ শিল্প*, পৃ. ৪৪
১৬. অতুল চন্দ্ৰ গোস্বামী আৰু অন্যান্য (সম্পা.), *প্ৰগতি*, প্লেনিং ফোৰাম, মাধৱ চৌধুৰী মহাবিদ্যালয়, ভূপেন তালুকদাৰ, *সৰ্থেবাৰীৰ কাঁহশিল্প আৰু ইয়াৰ সমস্যা*, পৃ. ৭২
১৭. হিতেশ্বৰ বৰবৰুৱা, *আহোমৰ দিন*, পৃ. ৪২৬
১৮. প্ৰদীপ চলিহা, পূৰ্বোল্লিখিত, পৃ. ৪৮
১৯. তথ্যদাতা ঃ বিপুল ডেকা, কঁহাৰ, সৰ্থেবাৰী, বয়স ৮৮ বছৰ
২০. প্ৰদীপ চলিহা, পূৰ্বোল্লিখিত, পৃ. ১
২১. পাৰ্বতী পাটোৱাৰী, পূৰ্বোল্লিখিত, পৃ. ৩৮
২২. পাৰ্বতী পাটোৱাৰী, উল্লিখিত, পৃ. ৯৪
২৩. পাৰ্বতী পাটোৱাৰী, উল্লিখিত , পৃ. ১৭
২৪. পাৰ্বতী পাটোৱাৰী, উল্লিখিত , পৃ. ২০
২৫. পাৰ্বতী পাটোৱাৰী, উল্লিখিত , পৃ. ৫৬
২৬. তথ্যদাতা ঃ মনোজ ভূঞা, সম্পাদক, অসম কঁহাৰ সংঘ, সৰ্থেবাৰী
২৭. তথ্যদাতা ঃ ভগৱান ডেকা, কৰ্মচাৰী, অসম কঁহাৰ সংঘ, সৰ্থেবাৰী
২৮. ফুলকুমাৰী কলিতা, *লোকসাহিত্যৰ ৰহঘৰা ফকৰা-যোজনা*, পৃ. ৫৪
২৯. তথ্যদাতা ঃ দীপালি ডেকা, মহিলা, যমোথেৰ চুপা, সৰ্থেবাৰী, বৰপেটা, বয়স ৬৮ বছৰ,
৩০. তথ্যদাতা ঃ মাইতৰা ডেকা, সৰভোগ, বয়স ৭৬
৩১. তথ্যদাতা ঃ বিনয়া দাস, হাউলী, বয়স ৬৮ বছৰ
৩২. ৰজনীকান্ত বৰদলৈ, *মনোমতী*, পৃ. ১৫৬
৩৩. হেমচন্দ্ৰ বৰুৱা, *হেমকোষ*, পৃ. ৮৩২
৩৪. www.igsdirectory.com, retrieved : 15-12-2023
৩৫. britannica.com, retrieved : 15-12-2023
৩৬. প্ৰদীপ চলিহা, পূৰ্বোল্লিখিত, পৃ. ২৮
৩৭. প্ৰদীপ চলিহা, উল্লিখিত , পৃ. ২৮
৩৮. প্ৰদীপ চলিহা, উল্লিখিত , পৃ. ২৮
৩৯. প্ৰদীপ চলিহা, উল্লিখিত , পৃ. ২৯
৪০. প্ৰদীপ চলিহা, উল্লিখিত, পৃঃ ৩০
৪১. পৰীক্ষিত হাজৰিকা, পূৰ্বোল্লিখিত, পৃ. ১৬০
৪২. হিতেশ্বৰ বৰবৰুৱা, পূৰ্বোল্লিখিত, পৃ. ৪২৬

৪৩.  হিতেশ্বৰ বৰবৰুৱা, উল্লিখিত , পৃ. ৪২৫

৪৪.  প্ৰদীপ চলিহা, পূৰ্বোল্লিখিত , পৃ. ৩১

৪৫.  ধ্ৰুৱকুমাৰ তালুকদাৰ, *অসমৰ লোক-শিল্পকলা*, পৃ. ৫৪

৪৬.  প্ৰদীপ চলিহা, পূৰ্বোল্লিখিত, পৃ. ৩৪

৪৭.  তথ্যদাতা ঃ হৰিদাস দাস, পিতল-শিল্পী, সৰ্থেবাৰী, বয়স ৫০ বছৰ

৪৮.  তথ্যদাতা ঃ হৰিদাস দাস, পিতল-শিল্পী, সৰ্থেবাৰী, বয়স ৫০ বছৰ

৪৯.  প্ৰতুল ডেকা, পূৰ্বোল্লিখিত, পৃ. ২১৯

৫০.  তথ্যদাতা ঃ হৰিদাস দাস, পিতল-শিল্পী, সৰ্থেবাৰী, বয়স ৫০ বছৰ

৫১.  নবীনচন্দ্ৰ শৰ্মা, *অসমৰ লোক-সাহিত্য*, পৃ. ৫৮

৫২.  নবীনচন্দ্ৰ শৰ্মা, উল্লিখিত, পৃ. ৪২২

৫৩.  প্ৰদীপ চলিহা, পূৰ্বোল্লিখিত, পৃ. ১০

৫৪.  প্ৰদীপ চলিহা, উল্লিখিত, পৃ. ১০

৫৫.  প্ৰদীপ চলিহা, উল্লিখিত, পৃ. ১০

৫৬.  প্ৰদীপ চলিহা, উল্লিখিত, পৃ. ১২

৫৭.  পৰীক্ষিত হাজৰিকা, পূৰ্বোল্লিখিত, পৃ. ২২৫

৫৮.  প্ৰদীপ চলিহা, পূৰ্বোল্লিখিত, পৃ. ১৯

৫৯.  প্ৰদীপ চলিহা, উল্লিখিত , পৃ. ১৮

৬০.  প্ৰদীপ চলিহা, উল্লিখিত, পৃ. ২২

৬১.  নবীন চন্দ্ৰ শৰ্মা, *ডাক প্ৰবচন*, পৃ. ১৮

৬২.  ফুলকুমাৰী কলিতা, পূৰ্বোল্লিখিত, পৃ. ৪৯

৬৩.  ফুলকুমাৰী কলিতা, উল্লিখিত, পৃ. ৫০

৬৪.  নবীনচন্দ্ৰ শৰ্মা, *অসমৰ লোক-সাহিত্য*, পৃ. ৫২৯

৬৫.  নীলমণি ফুকন, *লোককল্পদৃষ্টি*, পৃ. ৫৬

৬৬.  যুগল দাস, *গহনা-গাঁঠৰি*, পৃঃ ১১

৬৭.  যুগল দাস, উল্লিখিত পৃ. ১৯

৬৮.  নগেন শইকীয়া, *অসমীয়া মানুহৰ ইতিহাস*, পৃ. ২১৩

৬৯.  প্ৰদীপ চলিহা, পূৰ্বোল্লিখিত, পৃ. ৬৪

৭০.  তথ্যদাতা ঃ অলকেশ দাস, বৰপেটাৰ থলুৱা সোণাৰী, বয়স ৪০

৭১.  ৰাম দাস, (সম্পা), *শ্ৰীশ্ৰীহৰিদাস বণিয়া আতৈ স্মৃতি স্মৰণিকা*, পৃ. ১৪

৭২.  নগেন শইকীয়া, পূৰ্বোল্লিখিত, পৃ. ২০২

৭৩.  নগেন শইকীয়া, উল্লিখিত, পৃ. ২১৯